
# ৰাইজৰ বাতৰি

১৬ জুন ২০২০










## কৰ'নাৰ বিৰুদ্ধে সংগ্ৰাম অব্যাহত

অসম চৰকাৰ





সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম

ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধৰ বাবে ৰাজ্যখনত অব্যাহত থকা
সংগ্ৰামত উল্লেখনীয় ভূমিকা লৈ ৰাইজৰ সকাহৰ অৰ্থে
অবিৰতভাৱে সেৱাত নিয়োজিত
প্ৰতিগৰাকী কৃষক তথা কৃষি বিভাগ
খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
উপায়ুক্ত, মহকুমাধিপতি, চক্ৰ বিষয়া,খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়
জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জলসম্পদ বিভাগৰ
বিষয়া-কৰ্মচাৰী তথা অসমৰ সকলো চাফাই কৰ্মীলৈ
আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# ৰাইজৰ বাতৰি

একাদশ বছৰ দ্বিতীয় সংখ্যা ১৬ জুন, ২০২০

গৃহ নং ঃ ১, দ্বিতীয় মহলা,
দ্বাৰকা পথ, মহাপুৰুষ হৰিদেৱ পথ,
হাতীগাঁও, গুৱাহাটী ঃ ৭৮১০৩৮


## এই সংখ্যাত


আত্মসংযম আৰু উত্তৰণৰ সময় ঃ *সৰ্বানন্দ সোণোৱাল* ৩

ৰাজ্য চৰকাৰৰ চাৰিটা বৰ্ষৰ পৰিক্ৰমা ঃ *হৃষীকেশ গোস্বামী* ৫

কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ তৎপৰতা ১০

প্ৰধানমন্ত্ৰী মোদী আৰু মুখ্যমন্ত্ৰী সোণোৱালক অভিনন্দন ৰঞ্জিত দাসৰ ১৭

ক'ভিডৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয় পৰ্যায়লৈ সকলোৰে বিনামূলীয়া নামভৰ্তি ১৮

অসমত বিদেশী কোম্পানীৰ বিনিয়োগ সম্পৰ্কত প্ৰধানমন্ত্ৰীৰে মুখ্যমন্ত্ৰীৰ বাৰ্তালাপ ২৬

সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিৰ লগত মুখ্যমন্ত্ৰীৰ বাৰ্তালাপ ৩১

পাঁচখন জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ সৈতে... ৩৭

আত্মনিৰ্ভৰ ভাৰত ঃ *ড° গৌতম মজুমদাৰ* ৪১

প্ৰধানমন্ত্ৰীৰ ২০ লাখ কোটি টকাৰ পেকেজ... ঃ *ড° সুশান্ত কুমাৰ কাশ্যপ* ৪৫

ঘৰমুৱা শ্ৰমিকসকলৰ পুনৰ সংস্থাপন ঃ *সমুদ্ৰগুপ্ত কাশ্যপ* ৪৭

ৰাজ্যৰ অৰ্থনীতিক পুনৰুজ্জীৱিতকৰণৰ বাবে গঠিত উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল ৫২

চলিত বছৰত মহানগৰবাসীয়ে লাভ কৰিব খোৱাপানী ৫৮

ক'ভিড ১৯ ৰ বিৰুদ্ধে জনসংযোগৰ সজাগতামূলক প্ৰচাৰ অভিযান ৬৪

ৰাজ্যৰ কৃষি অৰ্থনীতিৰ উত্থানৰ নেতৃত্ব বহন কৰিবলৈ এন আৰ এলক মুখ্যমন্ত্ৰীৰ... ৬৮

কৰ'না ভাইৰাছ আৰু প্ৰশাসনৰ সবল পদক্ষেপ ঃ *ড° জগদীন্দ্ৰ ৰায় চৌধুৰী* ৭৩

নভেল কৰ'না ভাইৰাছ আৰু আমাৰ কৰণীয় ঃ *সৌৰভজ্যোতি ফুকন* ৭৫

ক'ভিড ১৯ ৰোগ আৰু ইয়াৰ প্ৰতিৰোধ ঃ *ডাঃ হীৰেন্দ্ৰ কুমাৰ ভাগৱতী* ৭৭



অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ দ্বাৰা প্ৰকাশিত আৰু চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য

Printed and Published by Directorate of Information & Public Relations,
Govt. of Assam, Dispur,
Guwahati 781006 and Printed at Assam Govt. Press Guwahati-781021.

**Adviser : Hrishikesh Goswami** **Editor : Bhupendra Nath Bhattacharyya**

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

## সম্পাদকীয়



# কৰ'না ঃ সাৱধানতাই প্ৰাথমিক নিদান

ক'ভিডসৃষ্ট মহাসংকটকালত আমি কেনেদৰে আগবাঢ়িম। জীৱিকাও চলাব লাগিব আৰু সুৰক্ষিতও হৈ থাকিব লাগিব। অসমলৈও ইতিমধ্যে এই ভাইৰাছৰ ব্যাপক সংক্ৰমণ ঘটিছে। আমাৰ সামান্য অসাৱধানতায়ো ফিৰিঙতিয়ে খাণ্ডৱ দাহ কৰাৰ দৰে ইয়াৰ বিস্তৃতি ঘটাব পাৰে। চৰকাৰীভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিলেও ব্যক্তিগত পৰ্যায়ত হ'ব পৰা সামান্য অসাৱধানতায়ো অঘটন ঘটাব। সেইবাবে নিজৰ লগতে দেশৰ, দহৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত প্ৰতিগৰাকী নাগৰিকৰে গুৰুদায়িত্ব আহি পৰিছে। নিৰাময়তকৈ প্ৰতিৰোধ ভাল বুলি কথা এষাৰ আছে। সেয়েহে, এই ৰোগৰ যাতে আৰু অধিক সংক্ৰমণ ঘটিব নোৱাৰে তাৰ বাবে আমি সকলোৱে সজাগ আৰু সতৰ্ক হৈ থাকিব লাগিব। ইয়াৰ কোনো বিকল্প নাই। স্বাস্থ্য বিভাগে নিৰ্দিষ্ট কৰা নিয়মসমূহ আমি মানি চলিবই লাগিব। দীঘলীয়া লক-ডাউনৰ পিছত পৰিস্থিতি কিছু স্বাভাৱিক কৰাৰ বাবে চেষ্টা চলোৱা হৈছে যদিও কৰ'না ভাইৰাছৰ সংক্ৰমণ অব্যাহত থকাত পৰিস্থিতিৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি নিজেই কিছু নীতি-নিয়ম মানি চলিব লাগিব। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে এক বৃহৎ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিছে। এই পেকেজৰ জৰিয়তে আমাৰ ৰাজ্যখনতো বহু লোক উপকৃত হ'ব। জীৱন আৰু জীৱিকাৰ প্ৰতি অহা এই সংকটৰ সময়ত জনসাধাৰণক আৰ্থিকভাৱে কিছু সকাহ দিবলৈ চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলাইছে। স্থানীয় কেঁচামালৰ ভিত্তিত উদ্যোগ আদি স্থাপন কৰি এখন উপযুক্ত বজাৰ গঢ়ি তোলাৰ বাবেও পদক্ষেপ লোৱা হৈছে। অসমত উৎপাদিত সামগ্ৰী ইতিমধ্যে আন ঠাইলৈ ৰপ্তানি কৰাৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। সেয়েহে, উন্নত মানৰ সামগ্ৰী প্ৰস্তুত কৰি বাহিৰৰ এখন বৃহৎ বজাৰ দখল কৰাটোও আমাৰ এটা উদ্দেশ্য হোৱা উচিত। ইতিমধ্যে ৰাজ্যখনৰ বাহিৰৰ বিভিন্ন ঠাইত থকা অসমৰ বহু লোক নিজৰ ঘৰলৈ উভতি আহিছে। তেনে লোকসকলৰ সংস্থাপনৰ বাবেও চৰকাৰে ব্যৱস্থা লৈছে। সেয়েহে এতিয়া কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত অতি সাৱধানতা অৱলম্বন কৰি নিজৰ লগতে ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সকলোৱে চেষ্টা চলোৱা উচিত। এই সংকট কালৰ মাজতে কেন্দ্ৰত দ্বিতীয়টো কাৰ্যকালৰ বাবে অধিষ্ঠিত হোৱা নৰেন্দ্ৰ মোদী চৰকাৰখনে প্ৰথমটো বছৰ আৰু ৰাজ্যত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে চতুৰ্থটো বছৰ সম্পূৰ্ণ কৰিলে। দুয়োখন চৰকাৰেই ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে। ক'ভিড-১৯ ৰ এই ভয়াৱহতাৰ সময়তো নাগৰিকৰ সুৰক্ষাৰ বাবে কেন্দ্ৰৰ সহযোগত ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো ধৰণৰ ব্যৱস্থাই গ্ৰহণ কৰিছে। কিন্তু চৰকাৰী সা-সুবিধাসমূহ কেৱল আমাৰ সহায়ৰ বাবেহে। সকলোৱে মাজত ব্যাপক সজাগতা সৃষ্টিৰে চৰকাৰী, বেচৰকাৰী উভয় স্তৰতে সচেষ্ট হোৱাটো নিতান্তই বাঞ্ছনীয়। এই যুঁজ দীঘলীয়া হ'ব, কিন্তু কৰ'না ভাইৰাছ প্ৰতিহত কৰাৰ বাবে আমি সকলোৱেই সজাগ হৈ থাকিব লাগিব। ৰাইজৰ সুৰক্ষাৰ বাবে অহৰ্নিশে কৰ্তব্যত নিয়োজিত হৈ থকা কৰ'না যোদ্ধাসকললৈ আমি কৃতজ্ঞতা জনাইছো।

"চৰকাৰীভাৱে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিলেও ব্যক্তিগত পৰ্যায়ত হ'ব পৰা সামান্য অসাৱধানতায়ো অঘটন ঘটাব। সেইবাবে নিজৰ লগতে দেশৰ, দহৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত প্ৰতিগৰাকী নাগৰিকৰে গুৰুদায়িত্ব আহি পৰিছে। নিৰাময়তকৈ প্ৰতিৰোধ ভাল বুলি কথা এষাৰ আছে। সেয়েহে, এই ৰোগৰ যাতে আৰু অধিক সংক্ৰমণ ঘটিব নোৱাৰে তাৰ বাবে আমি সকলোৱে সজাগ আৰু সতৰ্ক হৈ থাকিব লাগিব। ইয়াৰ কোনো বিকল্প নাই। স্বাস্থ্য বিভাগে নিৰ্দিষ্ট কৰা নিয়মসমূহ আমি মানি চলিবই লাগিব।"

# আত্মসংযম আৰু উত্তৰণৰ সময়



**সৰ্বানন্দ সোণোৱাল**
**মুখ্যমন্ত্ৰী, অসম**

ক'ভিড-১৯ সৃষ্ট সংকটে মানৱ জাতিলৈ গভীৰ প্ৰত্যাহ্বান নমাই আনিছে। আৰ্থ-সামাজিক জীৱনধাৰালৈ নামি অহা এই প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে বিশ্ববাসী ঐক্যবদ্ধ হৈছে। প্ৰতিটো সংকটে সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে। আজিৰ এই সংকট কালত আমাৰ শক্তি আৰু সম্ভাৱনাক উজ্জীৱিত কৰি তুলিব লাগিব। বিকাশমুখী ভাৱনাক আমি সংকল্পলৈ নিব লাগিব। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে সময়োচিত পদক্ষেপ গ্ৰহণ কৰিছিল। ইয়াৰ ফলত ভাৰতবৰ্ষৰ দৰে এখন জনবহুল দেশে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আমাৰ অসমতো লক-ডাউন কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। জনসাধাৰণ আৰু বিভিন্ন বিভাগৰ সহযোগত 'টীম অসম'ৰ মানসিকতাৰে আমি সকলোৱে কৰ'নাৰ বিৰুদ্ধে যুঁজ দি আহিছো। এই যুঁজত জয় লাভ কৰিবলৈ হ'লে স্বাস্থ্য বিভাগে দিয়া নিৰ্দেশাৱলী আমি কঠোৰভাৱে ৰূপায়ণ কৰিব লাগিব। সম্প্ৰতি আমাৰ ৰাজ্যখনত ক'ভিড-১৯ ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে যদিও এইটো চিন্তা কৰিবলগীয়া বিষয় নহয়। ৰাজ্যৰ স্বাস্থ্য বিভাগে এইক্ষেত্ৰত লোৱা পদক্ষেপ সমূহৰ বাবে আমি এই যুঁজখন দৃঢ়তাৰে চলাই যাবলৈ সক্ষম হ'ম।

কৰ'না যুঁজৰ সমান্তৰালভাৱে অৰ্থনৈতিক কাম-কাজ চলাই যোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমতো ৰাজ্য চৰকাৰে অৰ্থনৈতিক পুনৰুত্থানৰ বাবে লক-ডাউনৰ মাজত

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষৰ আৰ্থিক বিকাশৰ লক্ষ্যৰে আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ অংশ হিচাপে ২০ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজৰ কথা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক গতি পুনৰুত্থানৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে নিয়োগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সেইবাবে ৰাজ্য চৰকাৰে এই উদ্যোগসমূহৰ সৈতে জড়িত থকা বিভিন্ন সংগঠনৰ লগত ইতিমধ্যে আলোচনা কৰিছে। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজৰ পৰা অসম যাতে লাভৱান্বিত হ'ব পাৰে তাৰ বাবে বেংকসমূহৰ লগতো আলোচনা কৰা হৈছে। ৰাজ্যৰ চাহ খণ্ডই অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। সেইবাবে ৰাজ্য চৰকাৰে এই খণ্ডটোক আৰু অধিক আগুৱাই নিয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

কাম-কাজ আৰম্ভ কৰিছে। অসম চৰকাৰে অৰ্থনৈতিক দিশ পুনৰ শক্তিশালী কৰাৰ বাবে ভাৰতীয় অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত গঠন কৰি দিয়া সমিতিখনে ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনৰ আধাৰত চৰকাৰে বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত জ্যেষ্ঠ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু অতুল বৰাক সদস্যৰূপে লৈ ইয়াক ৰূপায়ণ কৰাৰ বাবে এখন সমিতি গঠন কৰি দিছে। ৰাজ্যৰ বাহিৰৰ পৰা যিসকল শ্ৰমিক অসমলৈ উভতি আহিছে তেওঁলোকক সংস্থাপন দিয়াৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এম জি এনৰেগাত সকলোকে সংস্থাপিত কৰাৰ লক্ষ্যৰে ইতিমধ্যে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। আমি শ্ৰমিকসকলক সম্পদ হিচাপে গণ্য কৰিছো। অসমৰ বাহিৰত বিভিন্ন ক্ষেত্ৰত তেওঁলোকে দক্ষতা আহৰণ কৰিছে। এই দক্ষতাক আৰু অধিক বিকশাই তুলি ৰাজ্যৰ অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে দক্ষতা উন্নয়ন বিভাগে পদক্ষেপ লৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষৰ আৰ্থিক বিকাশৰ লক্ষ্যৰে আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ অংশ হিচাপে ২০ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজৰ কথা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক গতি পুনৰুত্থানৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে নিয়োগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সেইবাবে ৰাজ্য চৰকাৰে এই উদ্যোগসমূহৰ সৈতে জড়িত থকা বিভিন্ন সংগঠনৰ লগত ইতিমধ্যে আলোচনা কৰিছে। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজৰ পৰা অসম যাতে লাভৱান্বিত হ'ব পাৰে তাৰ বাবে বেংকসমূহৰ লগতো আলোচনা কৰা হৈছে। ৰাজ্যৰ চাহ খণ্ডই অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। সেইবাবে ৰাজ্য চৰকাৰে এই খণ্ডটোক আৰু অধিক আগুৱাই নিয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মন কী বাত' অনুষ্ঠানৰ জৰিয়তে অসমৰ বাঁহ-বেতৰ সামগ্ৰীৰ গোলকীকৰণৰ প্ৰয়াসক শলাগ লৈছে। ইয়ে নিশ্চিত ৰূপত আমাৰ নতুন প্ৰজন্মক উৎসাহিত কৰিব। আত্মনিৰ্ভৰ অসমৰ ধাৰণাটো অধিক শক্তিশালী কৰাৰ বাবে কৃষি, মীন আৰু পশুপালন খণ্ডত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। অসমৰ কৃষিজাত সামগ্ৰীয়ে ইতিমধ্যে বিশ্ব বজাৰ দখল কৰিছে। লক ডাউনৰ সময়ছোৱাতো আমি বিদেশলৈ কৃষিজাত সামগ্ৰী ৰপ্তানি কৰিবলৈ সমৰ্থ হৈছো। আমাৰ যুৱ প্ৰজন্ম বিজ্ঞানসন্মত দৃষ্টিভংগীৰে কৃষি খণ্ডত নিয়োজিত হ'ব লাগিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে কৃষিক এক মৰ্যাদাপূৰ্ণ জীৱিকা হিচাপে গ্ৰহণৰ পৰিৱেশ নিৰ্মাণ কৰিছে। লক ডাউনৰ সময়ছোৱাত স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীয়ে আমাৰ বজাৰৰ চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। আনকি আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত মাস্কে এক বৃহৎ বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে। আত্মনিৰ্ভৰ অসমৰ ধাৰণা শক্তিশালীকৰণৰ বাবে আমি সকলোৱে কৰ্মপথাৰত গভীৰভাৱে মনোনিৱেশ কৰিব লাগিব।

বৰ্তমানৰ ৰাজ্য চৰকাৰে একেটা সময়তে চাৰিটা সমস্যাৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। বান-গৰাখহনীয়া, ধুমুহা, ক'ভিড-১৯ আৰু আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ বিৰুদ্ধে জনসাধাৰণৰ সহযোগত যুঁজ দি অহা হৈছে। ইতিমধ্যে পঞ্চম বিত্ত আয়োগে গৰাখহনীয়া সমস্যাক প্ৰাকৃতিক দুৰ্যোগ হিচাপে চিহ্নিত কৰি কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঐকান্তিক প্ৰয়াসৰ বাবে এক দীৰ্ঘদিনীয়া দাবী পূৰণ হোৱাৰ পথত। এই কথা আমি প্ৰতিজনে মনত ৰাখিব লাগিব যে ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজখন দীঘলীয়া হ'ব। কিন্তু ইয়াৰ সমান্তৰালভাৱে অৰ্থনৈতিক দিশেৰে ৰাজ্যখনক আগুৱাই নিয়াৰ বাবে সকলোৱে বদ্ধপৰিকৰ হ'ব লাগিব। ইয়াৰ বাবে ত্যাগ আৰু সেৱাৰ মানসিকতাৰে কাম কৰাৰ সংকল্প গ্ৰহণ কৰিব লাগিব। জনসাধাৰণে মনোবল অটুট ৰাখি স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি চলি সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান কৰা, পৰিষ্কাৰ-পৰিচ্ছন্নকৈ থকা ইত্যাদি বিষয়সমূহত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। তেতিয়াহে ক'ভিড-১৯ ৰ বিৰুদ্ধে হোৱা যুঁজখনত আমি নিশ্চিতভাৱে সফলতা লাভ কৰিবলৈ সক্ষম হ'ম। ❑❑

# ৰাজ্য চৰকাৰৰ চাৰিটা বৰ্ষৰ পৰিক্ৰমা এটি চমু অৱলোকন



**হৃষীকেশ গোস্বামী**
**মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা**

চৰকাৰ এখনৰ সফলতাৰ মাপকাঠী নিৰূপণ কৰে জনসাধাৰণে। সময়ে সময়ে চৰকাৰৰ কৰ্মৰাজিৰ বিশ্লেষণ কৰাটো নিতান্তই প্ৰয়োজন। ইয়াৰ জৰিয়তে চৰকাৰখনৰ পৰিকল্পনা, কাম-কাজ আৰু জনমুখী সেৱাৰ প্ৰকৃত পৰ্যালোচনা কৰাৰ সুযোগ পোৱা যায়। ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন অসম চৰকাৰে অলপতে চাৰিটা বছৰ সম্পূৰ্ণ কৰিলে। জনসাধাৰণৰ আস্থা আৰু বিশ্বাসক লৈ চৰকাৰখনে জনসেৱাৰ মানসিকতাৰে আৰম্ভণিৰে পৰা কাম কৰি আহিছে। ৰাজ্য চৰকাৰখনৰ সফলতাৰ অন্যতম দিশ হ'ল গণ সংযোগ। চৰকাৰ আৰু জনসাধাৰণৰ ব্যৱধান নাইকিয়া কৰি প্ৰশাসনক তৃণমূল পৰ্যায়লৈ লৈ যোৱাটো ৰাজ্য চৰকাৰখনৰ অন্যতম উল্লেখনীয় দিশ। চৰকাৰখনে প্ৰশাসন যন্ত্ৰক দুৰ্নীতিমুক্ত আৰু দায়বদ্ধ কৰি জনসেৱাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতবৰ্ষৰ সপোনক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে বৰ্তমানৰ ৰাজ্য চৰকাৰে আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ উদ্দেশ্যে থলুৱা সম্পদ আৰু সম্ভাৱনাক বিকশাই তোলাৰ বাবে ইতিমধ্যে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

সংবাদ মাধ্যম হৈছে জনগণৰ বিবেক। এখন সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ অৰিহণা যোগাই আহিছে। জনসচেতনতা সৃষ্টি আৰু চৰকাৰ এখনক সঠিক পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত সাংবাদিকসকলে পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰি আহিছে। গণতন্ত্ৰৰ এই চতুৰ্থ স্তম্ভই কিমান শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে সেই কথা ক'ভিড-১৯ সৃষ্ট সংকটৰ সময়ত সাংবাদিকসকলে দেখুৱাই দিছে। জনসচেতনতা আৰু সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সংবাদ মাধ্যমে আগবঢ়োৱা জনসেৱাৰ প্ৰতি লক্ষ্য ৰাখি সন্মুখৰ পৰা যুঁজ দিয়া এগৰাকী ক'ভিড যোদ্ধা হিচাপে ৰাজ্য চৰকাৰে সাংবাদিকসকলকো ৫০ লাখ টকাৰ জীৱন বীমাৰে সামৰি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই চৰকাৰখনেই পোন প্ৰথমবাৰৰ বাবে গণৰাজ্য দিৱস সাংবাদিকতা বঁটা প্ৰৱৰ্তন কৰিছে। এই পৰ্যন্ত ৰাজ্যৰ ৪ গৰাকী বিশিষ্ট সাংবাদিকক এই বঁটা প্ৰদান কৰা হৈছে। চৰকাৰখনে সাংবাদিকসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা অন্যান্য কেতবোৰ আঁচনিৰ ভিতৰত উল্লেখযোগ্য হৈছে — এই পৰ্যন্ত ৩৬ গৰাকী সাংবাদিকলৈ ৫০ হাজাৰ টকাকৈ মিডিয়া

ফেল'শ্বিপ প্ৰদান, গ্ৰামাঞ্চল আৰু মফচলীয় এলেকাৰ ৭২গৰাকী সাংবাদিকক বহিঃৰাজ্যলৈ শুভেচ্ছামূলক ভ্ৰমণৰ সুবিধা প্ৰদান, ৬০ গৰাকী জ্যেষ্ঠ সাংবাদিকলৈ মাহে ৮ হাজাৰ টকাকৈ সাংবাদিক পেঞ্চন প্ৰদান, সাংবাদিক চিকিৎসা কল্যাণ আঁচনিৰ অধীনত ২৬৬ গৰাকী হিতাধিকাৰীলৈ ১.১০ কোটিৰো অধিক টকাৰ চিকিৎসা সাহায্য প্ৰদান, ৩২ গৰাকী প্ৰয়াত সাংবাদিকৰ নিকটাত্মীয়লৈ ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান, সাংবাদিক পৰিয়াল কল্যাণ আঁচনিৰ বাবে ১.২১ কোটি টকাৰ কৰ্পাছ পুঁজি গঠন ইত্যাদি।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ আধাৰত ৰাজ্যখন উন্নয়নী যাত্ৰাত অগ্ৰসৰ হৈ আহিছে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰাৰ ফলত বিকাশৰ নতুন যাত্ৰাপথৰ সূচনা হৈছে। অসম লোকসেৱা আয়োগৰ অধ্যক্ষকে ধৰি ইয়াৰ সদস্য আৰু বক্ৰপথেৰে চৰকাৰী চাকৰি লাভ কৰা ১৫০ গৰাকীতকৈও অধিক বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। সমাজ কল্যাণ বিভাগত ৭ লাখ ভুৱা হিতাধিকাৰী, এম জি এনৰেগাত ৪ লাখ জব কাৰ্ড আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগত ৩৬ হাজাৰ ভুৱা ৰেচন কাৰ্ড চিনাক্ত কৰি জব্দ কৰাৰ লেখীয়া পদক্ষেপসমূহে চৰকাৰখনৰ ভাবমূৰ্তি উজ্জ্বল কৰি তুলিছে। কাজিৰঙাৰ বেদখল উচ্ছেদ, বন সুৰক্ষা বাহিনীৰ আধুনিকীকৰণ, চোৰাং চিকাৰীৰ বিৰুদ্ধে ফাষ্ট ট্ৰেক ক'ৰ্ট গঠন কৰাৰ লেখীয়া পদক্ষেপৰ ফলত ৰাজ্যত গঁড় হত্যা উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। বানৰ সময়ত কাজিৰঙাত বন্যপ্ৰাণীৰ আশ্ৰয়ৰ বাবে ওখ ভেটি নিৰ্মাণ আৰু পশুখাদ্য যোগানৰ দৰে পদক্ষেপে প্ৰমাণ কৰিছে চৰকাৰখনৰ প্ৰকৃতি সংৰক্ষণৰ প্ৰতি থকা দায়বদ্ধতা। ৰাজ্যৰ সেউজ আৱৰণ বৃদ্ধি কৰাৰ বাবে ১০ কোটি গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰি ধাৰাবাহিকভাৱে ইয়াক চলাই আছে। ৰাজ্যৰ বনাঞ্চলৰ পৰিমাণ ২২২ বৰ্গ কিলোমিটাৰ বৃদ্ধি হৈছে বুলি শেহতীয়াকৈ ফৰেষ্ট ছাৰ্ভে অব ইণ্ডিয়াৰ তথ্যত প্ৰকাশ পাইছে।

পোন প্ৰথমবাৰৰ বাবে বৰ্তমানৰ চৰকাৰখনে ভূমিৰ অধিকাৰ প্ৰদানৰ উপৰি থলুৱা ভাষা-সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ভূমি নীতি প্ৰস্তুত কৰি ইতিমধ্যে বহু সংখ্যক থলুৱা পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰিছে। 'ভাষা গৌৰৱ' আঁচনিৰ জৰিয়তে জনগোষ্ঠীয় সাহিত্য সভাসমূহলৈ এককালীন আৰ্থিক সাহায্য প্ৰদান, মৰাণ, মটক আৰু কোচ ৰাজবংশীৰ স্বায়ত্তশাসিত পৰিষদ ঘোষণা কৰাৰ জৰিয়তে চৰকাৰখনৰ থলুৱা জনসাধাৰণৰ প্ৰতি থকা সদিচ্ছাকে প্ৰতীয়মান কৰিছে। এখন ৰাজ্যৰ উন্নয়ন নিৰ্ভৰ কৰে ৰাজ্যখনত বিৰাজ কৰা শান্তিপূৰ্ণ পৰিৱেশৰ ওপৰত। চৰকাৰখনে অৰ্থনৈতিক উন্নয়নৰ লগতে শান্তি প্ৰতিষ্ঠাৰ বাবেও নিৰলস প্ৰয়াস চলাই আহিছে। বিভিন্ন উগ্ৰপন্থী সংগঠনে চৰকাৰখনৰ ওচৰত অস্ত্ৰ সম্বৰণ কৰি শান্তিৰ বাতাৱৰণ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সহযোগিতাৰ হাত প্ৰশস্ত কৰিছে। বড়ো চুক্তি স্বাক্ষৰে ৰাজ্যখনৰ বৃহৎ জনগোষ্ঠীটোৰ আশা-আকাংক্ষা ৰূপায়ণত ইতিবাচক প্ৰভাৱ পেলাইছে।

গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা গ্ৰহণ কৰি ট্ৰেক্টৰ বিতৰণ কৰাৰ ফলত ৰাজ্যৰ কৃষি খণ্ডৰ বিকাশত নতুন মাত্ৰা সংযোজন হৈছে। আজি অসমত উৎপাদিত সামগ্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে। ২০১৫-১৬ বৰ্ষৰ ৮০.০২ লাখ মেট্ৰিকটন ধান উৎপাদনৰ বিপৰীতে ২০১৮-১৯ বৰ্ষত এই উৎপাদন ৮৯.২৯ লাখ মেট্ৰিক টন হৈছে।

কৃষি খণ্ডত যান্ত্ৰিকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰি ১৪ হাজাৰ ৬৫২ খন পাৱাৰ টিলাৰ, ১৭৪ খন ৰ'টাৰী টিলাৰ, ৩১৩ টা ধান বনা কল আৰু ৭৫৭৬ অগভীৰ নলী-নাদ কৃষকৰ মাজত বিতৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি আঁচনিৰ অধীনত কৃষি কৰ্মৰ বাবে প্ৰয়োজনীয় সা-সঁজুলি ক্ৰয় কৰিবলৈ ২০১৯-২০ বৰ্ষত ৬ লাখ কৃষকক ৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। সেইদৰে কেচিচি ঋণৰ জৰিয়তে ৰাজ্যৰ ১.১২ লাখ কৃষক উপকৃত হৈছে। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত ২৭ লাখ কৃষকে তিনিটা কিস্তিত ১৬০৯ কোটি টকা লাভ কৰিছে।

আজি ৰাজ্যখনত বিনিয়োগৰ ক্ষেত্ৰত এক নতুন বাতাৱৰণৰ সূচনা হৈছে। ২০১৮ বৰ্ষত বিশ্ব বিনিয়োগ সন্মিলন আয়োজনৰ ফলত ৰাজ্যখনত প্ৰায় ৭৯ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাট মুকলি হয়। উদ্যোগ খণ্ডত বিনিয়োগৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰে 'ইজ অব ডুয়িং বিজনেছ' নীতি গ্ৰহণ কৰিছে। উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কৰ ৰেহাইকে ধৰি পৰ্যটন, তথ্য-প্ৰযুক্তি, বায়'টেক, ষ্টাৰ্ট আপ, চেনি, সৌৰশক্তি আদি বিভিন্ন খণ্ডত নতুন নীতি গ্ৰহণ কৰিছে। তদুপৰি ঔদ্যোগিক আৰু বিনিয়োগ নীতি, ২০১৯ ঘোষণা কৰা হৈছে। এক্ট ইষ্ট পলিচীৰ অধীনত বাংলাদেশ আৰু ম্যানমাৰলৈ সম্পৰ্ক যাত্ৰাৰ কাৰ্যসূচী লোৱা হৈছে। বৰঝাৰ বিমান বন্দৰত প্ৰায় ১৫০০ কোটি টকা ব্যয়েৰে নতুন টাৰ্মিনেল নিৰ্মাণৰ কাম চলি আছে তথা কাৰ্গো সেৱা আৰু কাষ্টমাৰ ক্লেয়াৰেন্স চেণ্টাৰ কাৰ্যক্ষম কৰি তোলা হৈছে। ভাৰত-ম্যানমাৰ-থাইলেণ্ড ট্ৰাইলেটাৰেল হাইৱে' আৰু গুৱাহাটীৰ পৰা আন্তঃৰাষ্ট্ৰীয় বিমান সেৱাৰ সম্প্ৰসাৰণে ৰাজ্যখনৰ বাবে নতুন সুযোগ কঢ়িয়াই আনিছে।

ৰাজ্যৰ কলা-সংস্কৃতিৰ জগতখনক বিশ্ব দৰবাৰত তুলি ধৰাৰ বাবেও চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰাৰ লগতে অসম চলচ্চিত্ৰ নীতি প্ৰণয়ন কৰা হৈছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত জড়িত শিল্পী আৰু কলা-কুশলীসকললৈ চৰকাৰে ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ লৈছে। ক্ৰীড়া ক্ষেত্ৰখনক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাৰ বাবে গুৱাহাটীত কেইবাখনো ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যৰ ৫০০ খন খেলপথাৰৰ আধুনিকীকৰণৰ কাম চলি আছে। সমাজৰ বয়োজ্যেষ্ঠ, বিধৱা, দিব্যাংগকে ধৰি আৰ্থ-

সামাজিকভাৱে প্ৰতিটো শ্ৰেণীৰ লোকেই যাতে মৰ্যাদাসহকাৰে জীয়াই থাকিব পাৰে তেনে পৰিৱেশ গঢ়ি তুলিবলৈ চৰকাৰখনে পদক্ষেপ লৈছে। ৰাজ্যৰ ৬০ বৰ্ষৰ উৰ্দ্ধৰ সকলো ব্যক্তিক সামৰি ছহিদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি ৰূপায়ণ কৰা হৈছে। ইয়াৰ জৰিয়তে ১১.১০ লাখ হিতাধিকাৰী উপকৃত হৈছে। ইন্দিৰা মিৰি বিধৱা পেঞ্চন আঁচনিয়ে প্ৰায় ১.৪৩ লাখ গৰাকী হিতাধিকাৰীক উপকৃত কৰিছে। দীনদয়াল উপাধ্যায় দিব্যাংগ সাহায্য আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১.৩১ লাখ গৰাকী দিব্যাংগ ব্যক্তিক প্ৰতিমাহে ১ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। সেইদৰে অটল অমৃত অভিযানে ৮১ হাজাৰগৰাকীৰো অধিক ব্যক্তিক বিনামূলীয়া চিকিৎসাৰ সুবিধা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনিয়ে ৩৩ লাখৰো অধিক ব্যক্তিক বিনামূলীয়া ৰোগ পৰীক্ষাৰ সুবিধা দিছে। প্ৰধানমন্ত্ৰী জন-ধন যোজনাই ইয়াৰ অধীনত ১.৩৫ কোটি হিতাধিকাৰীৰ বেংক একাউণ্ট মুকলি কৰাত সহায় কৰিছে। স্বনিয়োজনৰ বাবে প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত প্ৰায় ১০ লাখ যুৱকক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। কনকলতা মহিলা সবলীকৰণ আঁচনিয়ে ৰাজ্যৰ প্ৰায় ১.৭৫ লাখ আত্মসহায়ক গোটলৈ ২৭২ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে।

ৰাজ্য চৰকাৰে অসমৰ বনজ সম্পদক প্ৰকৃত মূল্য দিব বিচাৰিছে যাতে এই সম্পদত চহকী ৰাজ্যখনে অৰ্থনৈতিক উন্নয়নৰ গতি ত্বৰান্বিত কৰিব পাৰে। বাঁহ আৰু বেত নীতি গ্ৰহণ, সাঁচি গছক বনজ সম্পদৰ পৰিৱৰ্তে কৃষিজাত সামগ্ৰীৰূপে স্বীকৃতি দিয়া কাৰ্যই ৰাজ্যৰ কৃষকসকলক উৎসাহিত কৰিছে। শিক্ষাখণ্ডক আগুৱাই নিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ফলত আজি ৰাজ্যৰ শিক্ষা জগতত আমূল পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে। নৱমৰ পৰা দ্বাদশ শ্ৰেণীত অধ্যয়নৰত ৬১.৬৮ লাখ ছাত্ৰ-ছাত্ৰীৰ মাজত ৩.৩১ কোটিখন বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হৈছে। অৰ্থনৈতিকভাৱে পিছপৰা সমাজৰ ৮.৩৮ লাখ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি আৰু শিক্ষাদানৰ মাচুল ৰেহাই দিয়া হৈছে। যোৱা ৪ বছৰত বহু নতুন শিক্ষানুষ্ঠান স্থাপন কৰা হৈছে।

অসমৰ অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰত চাহ উদ্যোগৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। চাহ জনগোষ্ঠীক বিত্তীয় ব্যৱস্থাৰে সামৰি লোৱাৰ ফলত প্ৰথমবাৰৰ বাবে চাহ শ্ৰমিকে বেংকৰ জৰিয়তে মজুৰি লাভ কৰিবলৈ সক্ষম হয়। বেংকৰ জৰিয়তে বিত্তীয় লেনদেন কৰা ৭ লাখৰো অধিক চাহ বাগিচাৰ শ্ৰমিকক ধন পুৰস্কাৰ আঁচনিৰ অধীনত দুটা পৰ্যায়ত ৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। অসম চাহ নিগম পৰিসীমিতৰ অধীনত শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি, ৫৫৭ খন চাহ বাগিচাত ৫৩৯ কোটি টকা ব্যয়েৰে ৮৮২ কিঃমিঃ পথ পেভাৰ্চ ব্লকৰে নিৰ্মাণ, চাইমন সিং হ'ৰ' বিশেষ জলপানি আঁচনি, স্বনিয়োজনৰ বাবে চাহ জনগোষ্ঠীৰ ১০ হাজাৰ যুৱক-যুৱতীক ছহিদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত ব্যৱসায়-বাণিজ্য কৰাৰ বাবে ২৫ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ লেখীয়া আঁচনিসমূহে চৰকাৰৰ জনমুখী দৃষ্টিভংগীকে প্ৰতিফলিত কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শেহতীয়াভাৱে কৰ'না, বান - গৰাখহনীয়া-ভূমিস্খলন, ধুমুহা আৰু আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ বিৰুদ্ধে জনসাধাৰণৰ সহযোগত যুঁজ দি আহিছে। ক'ভিড-১৯ সৃষ্ট সংকট মোকাবিলা কৰাৰ বাবে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমান ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে সমান্তৰালভাৱে অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাৰ বাবেও ক্ষিপ্ৰতাৰে পদক্ষেপ লৈছে। ভাৰতীয় অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত অৰ্থনীতি বিষয়ক পৰামৰ্শদাতা সমিতি গঠন কৰা আৰু এই সমিতিৰ প্ৰতিবেদন লাভ কৰাৰ পিছতে ইয়াক ৰূপায়ণৰ বাবে তিনিজনীয়া মন্ত্ৰী গোট গঠন কৰা, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ কাৰ্ড নথকা প্ৰতিগৰাকী হিতাধিকাৰীক ১ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান, প্ৰধানমন্ত্ৰী গৰীব কল্যাণ আঁচনিৰ অধীনত এন এফ এছ এ কাৰ্ড থকা ৰাজ্যৰ প্ৰতিগৰাকী হিতাধিকাৰীক ৫ কেজিকৈ চাউল প্ৰদান, কাৰ্ড নথকাসকলক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কেজিকৈ চাউল যোগান ধৰা, বহিঃৰাজ্যত কৰ্মৰত ৰাজ্যৰ ৫ লাখ শ্ৰমিকৰ প্ৰতিগৰাকীকে এপ্ৰিল, মে' আৰু জুন মাহৰ বাবে ২ হাজাৰ টকাকৈ প্ৰদানৰ ব্যৱস্থা, বিদেশত আবদ্ধ হৈ থকা অসমৰ লোকসকলক লক-ডাউনৰ সময়ছোৱাত ২ হাজাৰ মাৰ্কিন ডলাৰকৈ প্ৰদান, চিকিৎসাৰ বাবে বহিঃৰাজ্যত আবদ্ধ হৈ থকা লোকসকলক ২৫ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদানৰ লগতে সংশ্লিষ্ট ৰাজ্যকেইখনত থকা অসম ভৱনসমূহৰ জৰিয়তে থকা-খোৱাৰ ক্ষেত্ৰত যাৱতীয় সহযোগিতা, বিভিন্ন ৰাজ্যত আবদ্ধ হৈ পৰা শিক্ষাৰ্থীসকলক বিশেষ বাছেৰে অসমলৈ লৈ অহা ইত্যাদি পদক্ষেপে চৰকাৰখনৰ ৰাইজৰ প্ৰতি থকা গভীৰ দায়বদ্ধতাকে সূচাইছে।

ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰত্যাহ্বান মোকাবিলা কৰা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজৰ দ্বাৰা উপকৃত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ বিশিষ্ট অৰ্থনীতিবিদ আৰু বিশেষজ্ঞসকল, সংবাদ মাধ্যমৰ সম্পাদকসকল, বিভিন্ন ব্যৱসায়িক সংগঠন, বেংকৰ প্ৰতিনিধি আদিৰ লগত আলোচনাৰ দৰে পদক্ষেপে ৰাজ্যৰ অৰ্থনীতিক পুনৰুজ্জীৱিত কৰি তোলাৰ ক্ষেত্ৰত এক নতুন দিশ প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব বুলি মই ভাবো।

ৰাইজৰ আস্থা আৰু বিশ্বাসক মূলধন হিচাপে লৈ চৰকাৰখনে প্ৰথম দিনৰে পৰা বিগত চাৰিটা বছৰে নীতি-আঁচনি আদি গ্ৰহণ কৰি আহিছে। ক'ভিড-১৯ৰ এই জটিল সময়তো সকলো ক্ষেত্ৰতে ৰাইজক আস্থাত লৈ চৰকাৰখনে ৰাইজৰ সহযোগেৰে মাৰবান্ধি যুঁজ দিছে। আগন্তুক সময়তো ৰাইজৰ চৰকাৰ হিচাপে চৰকাৰখনে এই জটিল সময়ত অসমখনক আগুৱাই নিয়াৰ বাবে দায়বদ্ধতাৰে কাম কৰি যাব বুলি মোৰ দৃঢ় বিশ্বাস। ❏❏

# কৰ'না ভাইৰাছ প্ৰতিৰোধৰ বাবে ভাৰত চৰকাৰৰ তাৎক্ষণিক পদক্ষেপ



কৰ'না ভাইৰাছৰ সংক্ৰমণে সমগ্ৰ বিশ্বকে সম্প্ৰতি ত্ৰস্তমান কৰি ৰাখিছে। চীনৰ পৰা পৃথিৱীৰ বিভিন্ন দেশলৈ এই ভাইৰাছৰ সংক্ৰমণ হোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে ইয়াক প্ৰতিৰোধ কৰাৰ বাবে বিভিন্ন উপায় গ্ৰহণ কৰে যদিও যিকোনো প্ৰকাৰে ভাইৰাছবিধে ভাৰততো সংক্ৰমণ ঘটাবলৈ সক্ষম হয়। ফলত কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে আৰু অধিক তৎপৰতাৰে কৰ'না ভাইৰাছক প্ৰতিৰোধ কৰাৰ বাবে উঠিপৰি লাগে। সেই মৰ্মে দেশখনত মাত্ৰ ৩৮ জন লোক সংক্ৰমিত হোৱাৰ সময়তে লোৱা হয় এক কঠোৰ সিদ্ধান্ত। যোৱা ২২ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে জনতা সান্ধ্য আইন বলৱৎ কৰি ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ চেষ্টা চলোৱাৰ লগতে এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰতো প্ৰথমটো কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। তাৰ পিছতে ২৫ মাৰ্চৰ দিনাৰ পৰা সমগ্ৰ দেশতে ২১ দিনৰ বাবে লক-ডাউন ঘোষণা কৰা হয়। চৰকাৰৰ এই ঘোষণাৰ প্ৰতি সঁহাৰি জনাই সমগ্ৰ দেশতে জনসাধাৰণে নিজকে ঘৰৰ ভিতৰতে আবদ্ধ কৰি এই ৰোগ প্ৰতিৰোধৰ প্ৰয়াসত সহযোগিতা আগবঢ়ায়। এই সময়ছোৱাত চিকিৎসক তথা অন্যান্য স্বাস্থ্যকৰ্মী, আৰক্ষী, সংবাদ মাধ্যম আদি অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত লোকসকলৰ বাহিৰে আন সকলো লোকৰে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰে। কৰ'না যুঁজৰ প্ৰথম শাৰীৰ যোদ্ধা হিচাপে চিকিৎসক, নাৰ্চ তথা অন্যান্য স্বাস্থ্যকৰ্মীসকলে দিনে-নিশাই আক্ৰান্ত লোকসকলক শুশ্ৰূষা কৰাৰ কামত ব্ৰতী থাকে। একে সময়তে সমক্ৰমিত হোৱাৰ আশংকা থকা একাংশ লোকক সাধাৰণ লোকৰ সৈতে সংস্পৰ্শৰ পৰা আঁতৰাই ৰখাৰ বাবে ঠায়ে ঠায়ে কোৱাৰেণ্টিন চেণ্টাৰ স্থাপন কৰা হয়। কৰ'না ভাইৰাছৰ আক্ৰমণৰ ফলত হোৱা ক'ভিড-১৯ ৰোগত আক্ৰান্তসকলৰ চিকিৎসাৰ বাবে





আত্মনিয়োগ কৰা চিকিৎসক তথা অন্যান্য স্বাস্থ্যকর্মীসকলৰ সেৱাৰ প্ৰতি শ্ৰদ্ধা জনাই আৰু তেওঁলোকৰ মনোবল বৃদ্ধি কৰাৰ বাবে জনসাধাৰণে শংখ, ঘণ্টা, চাপৰি বজাই তেওঁলোকক উৎসাহিত কৰে। সেনাৰ তিনিওটা বাহিনীৰ ফালৰ পৰাই এই লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পবৃষ্টি কৰা হয়।

দেশত ক'ভিড-১৯ ৰোগৰ চিকিৎসাৰ বাবে ঠায়ে ঠায়ে বিশেষ চিকিৎসালয় স্থাপন কৰা হয়। তদুপৰি এই ৰোগ চিনাক্তকৰণৰ বাবে আশংকিত লোকসকলৰ স্বাব টেষ্ট কৰাৰ বাবে লেবৰেটৰীৰ সংখ্যাও বৃদ্ধি কৰা হয়। ফলত দেশখনত সাধাৰণ ৰাইজৰ মাজত স্বাব টেষ্টৰ সংখ্যাও দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। তেনেদৰে, এই ৰোগৰ চিকিৎসাৰ বাবে চিকিৎসকসকলে অনিবাৰ্যভাৱে পৰিধান কৰিবলগীয়া পি পি ই কীট আৰু এন-১৯ মাস্ক নিৰ্মাণো এতিয়া ভাৰতত বহুলভাৱে হ'বলৈ ধৰিছে। এইৰোগৰ ক্ষেত্ৰত সাধাৰণ লোকক সুৰক্ষিত কৰি ৰখাৰ বাবে ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ৰ তৰফৰ পৰা ভাৰতীয় পৰম্পৰাগত আয়ুৰ্বেদীয় চিকিৎসাৰ জৰিয়তে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ বাবে প্ৰয়াস চলোৱা হৈছে। আনহাতে, এই পৰ্যন্ত এই ৰোগৰ প্ৰতিষেধক উদ্ভাৱন হোৱা নাই যদিও দেশৰ বিভিন্ন ৰাষ্ট্ৰৰ লগতে ভাৰততো প্ৰতিষেধক উদ্ভাৱনৰ বাবে বিশেষ তৎপৰতা চলাই থকা হৈছে। কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলত দেশখনত সৃষ্টি হোৱা অভুতপূৰ্ব পৰিস্থিতিৰ মোকবিলা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ সৈতে সঘনে আলোচনা চলাই বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং যোগে আলোচনাত মিলিত হৈছে। দেশখনৰ বিভিন্ন প্ৰান্তত লক-ডাউনৰ পৰিপ্ৰেক্ষিতত আৱদ্ধ হৈ পৰা লোকসকলক নিজ নিজ ঠাইলৈ প্ৰত্যাৱৰ্তন কৰোৱাৰ বাবেও কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ সহযোগিতাত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। দেশখনৰ বিভিন্ন ৰাজ্যত কৰ্মৰত শ্ৰমিকসকলক ঘূৰাই পঠিওৱাৰ বাবে শ্ৰমিক ট্ৰেইনৰ ব্যৱস্থা কৰা হৈছে। শ্ৰমিকসকলক বিনামূলীয়াকৈ নিজ নিজ ঠাইলৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে। তেনেদৰে বিদেশত আৱদ্ধ হৈ থকা লোকসকলকো 'বন্দে ভাৰত আঁচনি'ৰ জৰিয়তে দেশলৈ ঘূৰাই অনাৰ ব্যৱস্থা লোৱা হৈছে। লক-ডাউনৰ পৰিপ্ৰেক্ষিতত দেশৰ অৰ্থনীতিত প্ৰভূত ক্ষতি হোৱাৰ পৰিপ্ৰেক্ষিতত বিশেষকৈ সাধাৰণ শ্ৰেণীৰ লোকসকল বিশেষভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে ২০ লাখ কোটি টকাৰ উদ্দীপনামূলক পেকেজ ঘোষণা কৰিছে। এই পেকেজৰ জৰিয়তে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক বিশেষভাৱে সহায় কৰাৰ প্ৰয়াস কৰা হৈছে। তেনেদৰে বিদেশী সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীলতা আঁতৰাই দেশখনক স্বাৱলম্বী কৰাৰ বাবে 'স্বাৱলম্বী ভাৰত' আঁচনি গ্ৰহণ কৰা হৈছে। চৰকাৰৰ তৎপৰতা আৰু ৰাইজৰ সহযোগিতাৰ বাবে দেশত ক'ভিড আক্ৰান্ত ৰোগীৰ আৰোগ্যৰ হাৰ সন্তোষজনকভাৱে বৃদ্ধি পোৱা দেখা গৈছে। শেহতীয়াকৈ আক্ৰান্তৰ আৰোগ্যৰ হাৰ প্ৰায় ৫০ শতাংশ হোৱা বুলি প্ৰকাশ পাইছে।





*ক'ভিডসৃষ্ট পৰিস্থিতিৰ পৰ্যালোচনা ৰাজ্যিক মন্ত্ৰী পৰিষদৰ বৈঠকত*

# কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ তৎপৰতা



সমগ্ৰ বিশ্বতে ছানি ধৰা কৰ'না অতিমাৰীয়ে ভাৰতকো বাৰুকৈয়ে জুৰুলা কৰিছে। কৰ'নাৰ সংক্ৰমণ ঘটিছে অসমতো। কৰ'না সংক্ৰমণৰ ফলত হোৱা ক'ভিড-১৯ ৰোগৰ কোনো ফলপ্ৰসূ দৰব এই পৰ্যন্ত ওলোৱা নাই আৰু প্ৰতিষেধকো আৱিষ্কৃত হোৱা নাই। সেইবাবে এই ভাইৰাছবিধৰ সংক্ৰমণ ৰোধৰ বাবে চৰকাৰী আৰু ব্যক্তিগত পৰ্যায়ত বিভিন্ন পদক্ষেপ ল'বলগীয়া হৈছে। অসম চৰকাৰেও এই ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন সতৰ্কতামূলক ব্যৱস্থা কৰিছে। এইক্ষেত্ৰত স্বাস্থ্য বিভাগৰ লগতে আৰক্ষী, সাধাৰণ প্ৰশাসন, কৃষি, খাদ্য আৰু অসামৰিক যোগান, জনসংযোগ, জনস্বাস্থ্য আৰু কাৰিকৰী, পৌৰ প্ৰশাসন আৰু অন্যান্য বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলে দিনে-নিশাই অতি তৎপৰতাৰে কৰ্মত ব্ৰতী হৈছে। শেহতীয়াকৈ অসমত সংক্ৰমিত লোকৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাবলৈ ধৰা দেখা গৈছে। অৱশ্যে এই ৰোগত মৃত্যুৰ হাৰ যথেষ্ট কম হোৱাটো আশাব্যঞ্জক। সৰহসংখ্যক লোকেই এই ৰোগত গুৰুতৰভাৱে আক্ৰান্ত হ'বলগীয়া নোহোৱাকৈয়ে আৰোগ্য হ'ব পৰাটোও এটা আশাপ্ৰদ দিশ। এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত বিশেষ তৎপৰতা গ্ৰহণ কৰা স্বাস্থ্য বিভাগে সংক্ৰমিত লোকসকলৰ বাবে বিভিন্ন ঠাইত কোৱাৰিণ্টিন চেণ্টাৰৰ ব্যৱস্থা কৰিছে। তদুপৰি কিছুসংখ্যক লোকক হোম কোৱাৰেণ্টিনৰো দিহা কৰা হৈছে। ইতিমধ্যেই স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মতে, বিশ্ব বেংকৰ ৩০০ কোটি পুজিৰে ৰাজ্যৰ স্বাস্থ্য বিভাগে ১ লাখ লোকক কোৱাৰিণ্টিনত ৰখাৰ পৰিকল্পনা কৰিছে। এইক্ষেত্ৰত একোজন লোকক ১৪ দিন কোৱাৰেণ্টিনত ৰখাৰ বিনিময়ত প্ৰায় ৩০,০০০ টকা ব্যয় কৰা হ'ব বুলি কোৱা হৈছে। চৰকাৰৰ এই পৰিকল্পনাৰ বিষয়ে এই সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয় যে সম্প্ৰতি বিশ্ব বেংকৰ সৈতে ভাৰত চৰকাৰৰ প্ৰাৰম্ভিক আলোচনা চলি আছে। বিশ্ব বেংকৰ পৰা উক্ত ৩০০ কোটি টকা লাভ কৰিলেই ১ লাখ লোকক কোৱাৰেণ্টিন কৰিব পৰা যাব। এই কোৱাৰেণ্টিনত প্ৰতিজন লোককে সৰ্বাধিক সুবিধা প্ৰদান কৰা হ'ব। একেদৰে ক'ভিড-১৯ ৰ দৰে ৰোগৰ ক্ষেত্ৰত যুঁজ দিয়াৰ বাবে জিলা আৰু ব্লক পৰ্যায়ৰ আই চি ইউ নিৰ্মাণ, লেবৰেটৰী স্থাপনৰ






আন্তঃগাঁথনি তৈয়াৰ কৰা হ'ব। ইতিমধ্যে দেশৰ বিভিন্ন প্ৰান্তত আৱদ্ধ হৈ থকা অসমৰ লোকসকলক ঘূৰাই অনাৰ বাবেও অসম চৰকাৰে ৰে'ল, বিমান আৰু বাছৰ সুবিধা প্ৰদান কৰিছে। লক্ষণীয়ভাৱে, বহিঃৰাজ্যৰ পৰা এই লোকসকল ঘূৰি অহাৰ পিছত ৰাজ্যখনত সংক্ৰমণৰ হাৰ বৃদ্ধি পাইছে। একে সময়তে বহিঃৰাজ্যৰ পৰা উভতি অহা একাংশ লোকে কোৱাৰেণ্টিন কেন্দ্ৰৰ পৰা পলায়ন কৰা তথা হোম কোৱাৰেণ্টিনত থকা একাংশই কোৱাৰেণ্টিনৰ নীতি-নিয়ম উলংঘা কৰাৰ ঘটনাই ৰাজ্যখনক এক ভয়ানক বিপৰ্যয়ৰ মুখলৈ ঠেলি দিয়াৰ আশংকা প্ৰকট কৰি তুলিছে। এনে পৰিস্থিতি অব্যাহত থাকিলে ক'ভিড-১৯ ৰ সামাজিক সংক্ৰমণ ৰোধ কৰাটো সম্ভৱ নোহোৱাৰ আশংকা প্ৰকট হৈ উঠিছে। সেইবাবে এতিয়াৰ পৰা চৰকাৰী কোৱাৰেণ্টিনেই হওক বা হোম কোৱাৰেণ্টিনত থকাসকলেই হওক প্ৰত্যেকেই কোৱাৰিণ্টিনৰ নীতি-নিয়ম কঠোৰভাৱে পালন কৰিব লাগিব। এই কথা সদৰী কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ফেচিলিটী কোৱাৰেণ্টিন আৰু হোম কোৱাৰেণ্টিন মিলি মুঠ ১৪ দিন কঠোৰভাৱে কোৱাৰেণ্টিনৰ নীতি-নিয়ম মানি চলিব লাগিব। কোৱাৰেণ্টিনৰ নীতি-নিয়ম উলংঘাকাৰীসকলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। তেওঁলোকৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ ৰুজু কৰি কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰতিখন জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক এই সম্পৰ্কত যাৱতীয় নিৰ্দেশনা দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে কোৱাৰেণ্টিনত থকা সময়ছোৱাত প্ৰতিজন লোকৰ বিপৰীতে দিনে খোৱাৰ নামত চৰকাৰে ৫০০ টকাকৈ ব্যয় বহন কৰিব। হোটেলত থকাসকলক প্ৰথম সপ্তাহৰ বাবে হোটেলৰ কোঠাৰ ভাৰা হিচাপে ২০০০ টকা চৰকাৰে বহন কৰিব। এসপ্তাহৰ ভিতৰত ছোৱাব টেষ্টৰ ফলাফল নিগেটিভ আহিলে তেওঁলোকক পৰৱৰ্তী সাত দিনৰ বাবে হোম কোৱাৰেণ্টিনত যোৱাৰ ব্যৱস্থা কৰিব। হোম কোৱাৰেণ্টিনত যোৱাৰ লগে লগে সংশ্লিষ্ট লোকজনৰ লগতে সমগ্ৰ পৰিয়ালটো কোৱাৰেণ্টিনত থাকিব লাগিব। তাৰ বাবে চৰকাৰে পৰিয়ালটোক খোৱা বোৱাৰ বাবদ ২০০০ টকা খৰচ কৰিব। তদুপৰি এই সময়ছোৱাত চাবোন, ঔষধ আদিৰ বাবদ অতিৰিক্ত ৫০০ টকা খৰচ কৰিব। হোম কোৱাৰেণ্টিনত থকাসকলে কঠোৰভাৱে কোৱাৰেণ্টিনৰ নীতি-নিয়ম পালন কৰিছেনে নাই তাৰ বাবে প্ৰতিখন গাঁৱতে একোখনকৈ কোৱাৰেণ্টিন কমিটী গঠন কৰা হৈছে। গাঁও পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰক সভাপতি, আশাকৰ্মী-এ এন এম-গাঁওবুঢ়াক সদস্য হিচাপে লোৱা এই কমিটীয়ে প্ৰতি মুহূৰ্ততে কোৱাৰেণ্টিনত থকা লোকসকলক নিৰীক্ষণ কৰি থাকিব। তেওঁলোকৰ কাম-কাজ জিলা উপায়ুক্তই চোৱা-চিতা কৰিব আৰু উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। গুৱাহাটী মহানগৰীৰ ক্ষেত্ৰত স্থানীয় থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অধিনায়ক আৰু নাগৰিক সমিতি, এপাৰ্টমেণ্ট কমিটী, এম পি ডব্লিউ, আশাকৰ্মী, লাট মণ্ডলসকলক সদস্য হিচাপে লৈ কোৱাৰেণ্টিন কমিটী গঠন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, কোনোবাই যদি ইনষ্টিটিউচন আৰু হোম কোৱাৰেণ্টিন নামানি সমাজত ৰোগটো সংক্ৰমণ কৰাৰ চেষ্টা কৰে তেওঁলোকৰ বিৰুদ্ধে জামিনবিহীন ধাৰাত ফৌজদাৰী গোচৰ তৰা হ'ব। ৰাজ্যখনত ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবেও বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে স্বাস্থ্য বিভাগে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, একেসময়তে অসমত ৫০০০ ক'ভিড-১৯ আক্ৰান্ত ৰোগীক চিকিৎসা আগবঢ়াবলৈ স্বাস্থ্য বিভাগ সক্ষম। মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্ধিত ক'ভিড-১৯ ৰোগীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত ৯ খনকৈ ক'ভিড চিকিৎসালয় সাজু কৰা হৈছে, য'ত একেসময়তে ১৫০০ গৰাকী ৰোগীক চিকিৎসা প্ৰদান কৰিব পৰা যাব। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে, মহেন্দ্ৰ মোহন



চৌধুৰী চিকিৎসালয়ত ১২০ খন, কালাপাহাৰ চিকিৎসালয়ত ১৪২খন, সোণাপুৰ জিলা চিকিৎসালয়ত ১১০খন, চৰকাৰী আয়ুৰ্বেদিক কলেজত ১০০ খন, কামৰূপৰ শিঙিমাৰী, দদৰা আৰু বামুণীগাঁৱত ১০০খন, জাগীৰোডত থকা নগাঁও কাগজকল চিকিৎসালয়ত ৫০ খনৰ লগতে, জি এম চি এইচত স্থাপন কৰা এখন স্বতন্ত্ৰ ক'ভিড চিকিৎসালয়ত ৩০০ খন বিচনাত ক'ভিড আক্ৰান্তৰ বাবে থাকিব। প্ৰয়োজনত ২৫০০ বিচনাযুক্ত জি এম চি এইচৰ বিচনা ল'ব পৰা যাব বুলিও তেওঁ উল্লেখ কৰে। জি এম চি এইচৰ চিকিৎসালয়খন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, এইখন উত্তৰ-পূবৰ প্ৰথমখন স্বতন্ত্ৰ ক'ভিড চিকিৎসালয়। চিকিৎসালয়খনত চিকিৎসকসকল যাতে কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত নহয় তাৰ বাবে লক ডাউনৰ মাজতে কানাডাৰ পৰা ইউ ভি ৰে থকা ব'ৰ্ড অনা হৈছে। সমান্তৰালভাৱে চিকিৎসালয়খনত ৫০ টা আই চি ইউৰ লগতে অত্যাধুনিক সা-সৰঞ্জামৰো ব্যৱস্থা কৰা হৈছে। অসমত দ্ৰুত গতিত কৰ'নাৰ সংক্ৰমণ অব্যাহত থকাৰ সমান্তৰালভাৱে স্বাস্থ্য বিভাগে যুদ্ধকালীন তৎপৰতাৰে ক'ভিড-১৯ ৰ পৰীক্ষা সম্পন্ন কৰিছে। কৰ'নাৰ পৰীক্ষাৰ ক্ষেত্ৰত ৰাজ্যখনে ইতিমধ্যে দেশৰ কেইবাখনো ৰাজ্যৰ পৰিসংখ্যাতকৈ যথেষ্ট আগবাঢ়িছে আৰু অতি সোনকালে পৰীক্ষাৰ ক্ষমতা দৈনিক ৫০০০ লৈ বৃদ্ধি কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। কৰ'না সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ‘অসম কেয়াৰ’ আঁচনিৰ অধীনত বহিঃৰাজ্যত আবদ্ধ ৩.৬১ লাখ লোকলৈ এপ্ৰিল,মে' আৰু জুন মাহৰ বাবে প্ৰতিমাহে ২০০০ টকাকৈ বিত্তীয় সাহায্য প্ৰদানতো মন্ত্ৰী পৰিষদে অনুমোদন জনায়। ইয়াৰ উপৰি চিকিৎসাৰ বাবে বহিঃৰাজ্যত আবদ্ধ হৈ লোকসকলক২৫ হাজাৰ টকাকৈ এককালীন সাহায্য আৰু বিদেশত আবদ্ধ হৈ থকা অসমৰ লোকসকলক লক-ডাউনৰ সময়ছোৱাত ২০০০ হাজাৰ মাৰ্কিন ডলাৰকৈ প্ৰদানৰ ব্যৱস্থা কৰা হয়। এই সময়ত ‘ধন্বন্তৰি’ আঁচনিৰ যোগেদি প্ৰায় ৭৫০০ ৰুগীয়া লোকক স্বাস্থ্য বিভাগৰ ফালৰ পৰা তেওঁলোকৰ ঘৰতে প্ৰয়োজনীয় ঔষধ যোগান ধৰা হয়। তদুপৰি ঢুলীয়া, নাগাৰা নাম, বেগুপাৰ্টী, ওজাপালি আদিৰ দৰে লোকশিল্পীসকললৈ এপ্ৰিল, মে' আৰু জুন মাহৰ বাবে প্ৰতিমাহে ২০০০ টকাকৈ বিত্তীয় সাহায্য প্ৰদানৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। লক ডাউনৰ সময়ছোৱাত আৱদ্ধ ৰোগীসকলৰ বাবে চৰকাৰে ঘৰতে ঔষধ-পাতি উপলব্ধ কৰাৰো ব্যৱস্থা কৰে। শেহতীয়াকৈ ৰাজ্যখনত ক'ভিড ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বৰ্তমানতকে ৰাজ্যখনত কৰ'না আক্ৰান্ত ৪জনৰ ৰোগীৰহে মৃত্যু হ'লেও অসম চৰকাৰে ক'ভিড-১৯ ৰোগীৰ মৃত্যুৰ হাৰ ভৱিষ্যতলৈ বৃদ্ধি পালে শেষকৃত্য সম্পন্ন কৰাত হ'ব পৰা জটিলতা আঁতৰোৱাৰ বাবে প্ৰতিখন জিলাতে আছুতীয়া স্থানত শ্মশান আৰু কৱৰস্থান স্থাপন কৰা বাবেও জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়াৰ কথা প্ৰকাশ কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। তেওঁ প্ৰকাশ কৰা মতে, প্ৰতিখন জিলাৰ আছুতীয়া স্থানত কেৱল ক'ভিড-১৯ ৰোগত মৃত্যু হোৱা লোকসকলৰ বাবেহে এই শ্মশান আৰু কৱৰস্থানসমূহৰ ব্যৱস্থা কৰা হৈছে। ❑❑



# জনসাধাৰণৰ সহযোগিতাৰ বাবেই আজি ৰাজ্যখন দ্ৰুতগতিত উন্নয়নৰ দিশেৰে অগ্ৰসৰ হৈছে



## ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে অসমবাসীক আন্তৰিক ধন্যবাদ জ্ঞাপন মুখ্যমন্ত্ৰীৰ

ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমবাসীক আন্তৰিক অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিছে। অসমৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাস, আশীৰ্বাদ আৰু আন্তৰিক সহযোগিতাৰ বাবেই ৰাজ্য চৰকাৰখনে সফলতাৰে চাৰিটা বছৰ সম্পূৰ্ণ কৰিবলৈ সক্ষম হ'ল বুলি উল্লেখ কৰি আগন্তুক সময়ছোৱাতো জনসাধাৰণৰ পৰা একেই সঁহাৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা চাৰিটা বছৰত ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে যথাসম্ভৱ সকলো প্ৰচেষ্টাই গ্ৰহণ কৰি আহিছে। জনসাধাৰণৰ সহযোগিতাৰ বাবেই আজি ৰাজ্যখনে দ্ৰুতগতিৰে উন্নয়নৰ দিশেৰে অগ্ৰসৰ হৈছে। সাম্প্ৰতিক ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশাৱলী মানি চলি লক্ ডাউনৰ কাৰ্যসূচী সফল কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে সাম্প্ৰতিক প্ৰতিকূল পৰিস্থিতিত আগবঢ়োৱা সহযোগিতাৰ বাবে সংবাদ মাধ্যমৰো বিশেষভাৱে শলাগ লয়। ৰাজ্যখনৰ প্ৰতিগৰাকী লোকেই যাতে সুস্থ-সবল আৰু নিৰোগী হৈ থাকে তাৰ বাবে ৰাজ্য চৰকাৰে সন্মিলিত প্ৰচেষ্টাৰে অহৰ্নিশে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। যোৱা ২৪ মে'ত শিৱসাগৰ জিলাৰ ডিমৌ পলিটেক্‌নিক প্ৰতিষ্ঠানৰ কোৱাৰেণ্টিন চেণ্টাৰ আৰু শিৱসাগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ৰ সমান্তৰালভাৱে বান আৰু গৰাখহনীয়াৰ বিৰুদ্ধেও ৰাজ্য চৰকাৰে কাম কৰিবলগীয়া হৈছে। বানৰ সময়ছোৱাত যাতে উদ্ধাৰ, সাহায্য অভিযান ত্বৰান্বিত কৰিব পৰা যায় তাৰ বাবে প্ৰতিখন জিলাতে সুকীয়া গোট গঠন কৰাৰ বাবে ৰাজ্যখনৰ প্ৰতিগৰাকী উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ৰ সমান্তৰালভাৱে বান আৰু গৰাখহনীয়াৰ ফলত সৃষ্টি হোৱা সমস্যা মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। বানৰ সময়ত ল'বলগীয়া সকলো ধৰণৰ ব্যৱস্থাৰাজি জিলা প্ৰশাসনে



ইতিমধ্যে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানৰ সময়ত জনসাধাৰণে সকলো ধৰণৰ সহযোগিতা লাভ কৰাটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে। ক'ভিড-১৯ আৰু বানৰ সন্মুখীন হোৱা জনসাধাৰণে মনোবল অটুট ৰাখিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অনাগত দিনত ক'ভিড-১৯ এ অধিক প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব। ইয়াক মোকাবিলা কৰাৰ বাবে আমি সকলোৱে ঐক্যবদ্ধ হৈ যুঁজ দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে চতুৰ্থ পৰ্যায়ৰ লক্ ডাউনতো জনসাধাৰণে চৰকাৰক সহযোগিতা আগবঢ়াইছে। গৃহ অথবা প্ৰাতিষ্ঠানিক কোৱাৰেণ্টিনত থকা সকলো লোকক স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশাৱলী মানি চলিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশাৱলী উলংঘা কৰিলে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বহিঃৰাজ্যত থকা অসমৰ লোকসকলক ৰাজ্যখনলৈ অহাৰ ক্ষেত্ৰত অন্য ৰাজ্য চৰকাৰসমূহে আন্তৰিক সহযোগিতা আগবঢ়াইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'আত্মনিৰ্ভৰ ভাৰতবৰ্ষ'ৰ অধীনত ২০ লাখ কোটি টকাৰ যি আৰ্থিক পেকেজ ঘোষণা কৰিছে তাৰ জৰিয়তে ৰাজ্যখনৰ সকলো ক্ষেত্ৰকে আগুৱাই নিব পৰাকৈ ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। কোৱাৰেণ্টিন চেণ্টাৰ পৰিদৰ্শন কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে তাত থকা চিকিৎসক, বিষয়া-কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰি ব্যৱস্থাৱাজিৰ বুজ লয়। এই পৰিদৰ্শনৰ সময়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, বিধায়কসকল ক্ৰমে কুশল দুৱৰী, নৱনীতা সন্দিকৈ, চক্ৰধৰ গগৈ, শিৱসাগৰ জিলাৰ উপায়ুক্ত লক্ষ্মীনন্দন গগৈ, আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক শ্যামন্ত মাধৱ শৰ্মা প্ৰমুখ্যে জিলাখনৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল। ❑❑



*কোকৰাঝাৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, সাংসদ বিশ্বজিত দৈমাৰী আৰু হাগ্ৰামা মহিলাৰী প্ৰমুখ্যে আন নেতৃবৰ্গ*

## কৰ'না ঃ ৰাজ্যত নতুন নতুন চিকিৎসালয়-পৰীক্ষাগাৰ স্থাপন




# জি এম চিত ইউ ভি ৰশ্মিযুক্ত পূৰ্ণ পৰ্যায়ৰ ক'ভিড হাস্পতাল মুকলি

ৰাজ্যখনতো ক'ভিড-১৯ আক্ৰান্ত ৰোগীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ স্বাস্থ্য বিভাগে বিভিন্ন ঠাইত চিকিৎসালয় তথা পৰীক্ষাগাৰ নিৰ্মাণৰ প্ৰচেষ্টাও বৃদ্ধি কৰিছে। সেই মৰ্মে ৰাজ্যৰ বিভিন্ন স্থানত কেইবাখনো ক'ভিড হাস্পাতাল স্থাপন কৰাৰ পিছত যোৱা ২৯ মে'ত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন পূৰ্ণ পৰ্যায়ৰ ক'ভিড হাস্পতাল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ (জি এম চি এইচ) সোঁফালে নিৰ্মাণ কৰা এই অত্যাধুনিক চিকিৎসালয়খন যোৱা ২৯ মে'ত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযূষ হাজৰিকাৰ লগতে স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত চিকিৎসালয়খন মুকলি কৰি মন্ত্ৰী ড° শৰ্মাই কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে ৰাজ্যবাসীক সুৰক্ষিত কৰি ৰখাৰ লক্ষ্যৰে সংগ্ৰাম অব্যাহত থকাৰ সময়ত এই চিকিৎসালয়খন আৰম্ভ





কৰাটো এটা মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। এইখন হ'ল উত্তৰ-পূব অথবা পূব ভাৰতৰ সম্পূৰ্ণ স্বতন্ত্ৰ অত্যাধুনিক ক'ভিড হাস্পাতাল। উল্লেখযোগ্য যে এই হাস্পাতালখন জি এম চি এইচৰ ছটা গুৰুত্বপূৰ্ণ বিভাগক লৈ ছুপাৰ স্পেচিয়েলিটী হাস্পাতাল কৰাৰ পৰিকল্পনা আছিল স্বাস্থ্য বিভাগৰ। কিন্তু ৰাজ্যখনত কৰ'না ভাইৰাছে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত এই চিকিৎসালয়খনক ক'ভিড হাস্পাতাললৈ ৰূপান্তৰ কৰাৰ সিদ্ধান্ত লয় স্বাস্থ্য বিভাগে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশত কৰ'নাৰ সংক্ৰম শেষ নোহোৱালৈকে এই চিকিৎসালয়খন ক'ভিড হাস্পতালৰূপে চলি



থাকিব। চিকিৎসালয়খনৰ ২০ টা ইউনিটত কানাডাৰ পৰা অনা আল্ট্ৰাভায়োলেট ৰশ্মি ৰেডিয়েচন যন্ত্ৰ স্থাপন কৰা হৈছে। এই ইউ ভি ৰেডিয়েচনে প্ৰতিটো ইউনিট কৰ'না বীজাণুৰ পৰা মুক্ত কৰি ৰাখিবলৈ সক্ষম হ'ব। চিকিৎসালয়খনত অত্যাধুনিক ৬০ টা আই চি ইউ স্থাপন কৰা হৈছে। তদুপৰি ৰোগীক চিকিৎসা কৰিব পৰা ১৮০ খন বিছনাৰ লগতে গুৰুতৰভাৱে অসুস্থ ৰোগীক চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা লেবৰেটৰী, অস্ত্ৰোপচাৰ কক্ষ আদিৰো ব্যৱস্থা কৰা হৈছে।

স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই একেদিনাই তেজপুৰত ২০০ খন বিছনাযুক্ত এখন ক'ভিড হাস্পাতাল মুকলি কৰাৰ লগতে তেজপুৰৰ প্ৰতিৰক্ষা গৱেষণাগাৰৰ ক'ভিড টেষ্টিং কেন্দ্ৰটোও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সেনা বাহিনীৰ বিষয়ববীয়া আৰু প্ৰতিৰক্ষা গৱেষণাগাৰৰ সঞ্চালক এছ কে দ্বিবেদী তথা গৱেষকসকলৰ উপস্থিতিত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰটো উদ্বোধন কৰি মন্তব্য কৰে যে এতিয়াৰে পৰা ৰাজ্যখনত ক'ভিড পৰীক্ষাৰ ক্ষেত্ৰত আৰু অধিক ক্ষিপ্ৰ কৰি তুলিব। উল্লেখযোগ্য যে তেজপুৰত ডি আৰ এলৰ এই পৰীক্ষাগাৰক লৈ দুটাকৈ পৰীক্ষাগাৰ সক্ৰিয় হৈ উঠাৰ পাছত প্ৰতিদিনে প্ৰায় ২০০০ ক'ভিডৰ নমুনা পৰীক্ষা কৰিব পৰা যাব।

তদুপৰি যোৱা ১ জুনৰ দিনা স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ বৰাগাঁৱত উদ্বোধন কৰে এটা অত্যাধুনিক পৰীক্ষাগাৰ। ইনষ্টিটিউট অব এডভান্স ষ্টাডী ইন ছায়েন্স এণ্ড টেকন'লজী (আই এ এছ এছ টি) আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ সহযোগত নতুনকৈ স্থাপন কৰা হয় এই পৰীক্ষাগাৰটো। নতুন পৰীক্ষাগাৰটো উদ্বোধন কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই নতুন পৰীক্ষাগাৰটোত দৈনিক এহেজাৰ ক'ভিড-১৯ ৰ নমুনা পৰীক্ষা কৰা যাব। ❑❑

# প্ৰধানমন্ত্ৰী মোদী আৰু মুখ্যমন্ত্ৰী সোণোৱালক অভিনন্দন জনালে ৰঞ্জিত দাসে

## মোদী চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ প্ৰথম বৰ্ষপূৰ্তি, সোণোৱাল চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তি




ৰাজ্যত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে চাৰি বছৰ সম্পূৰ্ণ কৰাৰ লগতে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে দ্বিতীয় কাৰ্যকালৰ প্ৰথম বৰ্ষপূৰ্তিৰ প্ৰসংগত ১ জুনত শাসকীয় দলটোৰ গুৱাহাটী হেঙেৰাবাৰীস্থিত ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত এখন সংবাদমেল সম্বোধন কৰে দলটোৰ ৰাজ্যিক সভাপতি তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে। তেওঁ প্ৰধানমন্ত্ৰী মোদী আৰু মুখ্যমন্ত্ৰী সোণোৱালক অভিনন্দন জনায়। ৰাজ্যৰ বিজেপি চৰকাৰখনৰ চাৰিবছৰীয়া কাৰ্যকালত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰতি সমনীতি গ্ৰহণ কৰাৰ লগতে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ এক ঐতিহাসিক নিদৰ্শন দাঙি ধৰা বুলি অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু তেওঁৰ নেতৃত্বাধীন অসম চৰকাৰখনক ভূয়সী প্ৰশংসা কৰে ৰাজ্যিক বিজেপিৰ সভাপতিজনে। প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান নিধিৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ উচিত তদন্তৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে লোৱা কঠোৰ পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। লক ডাউনৰ সময়ত দেশৰ অৰ্থনীতি ভাগি নাযাবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা ২০ লাখ কোটি থকাৰ পেকেজ সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে কয়, এই পেকেজৰ দ্বাৰা সমসাময়িকভাৱে অনাদায় হৈ থকা বিদ্যুৎ মাচুল প্ৰদান কৰাৰ বাবে অসম আজি এই দুৰ্যোগৰ মাজতো অন্ধকাৰমুক্ত হৈ আছে। নাবাৰ্ডৰ ৰি ফাইনেন্স ব্যৱস্থাৰ ফলত ৫৩ হাজাৰ কোটি পেকেজৰ ফলস্বৰূপে এপেক্স বেংকৰ দৰে গ্ৰামাঞ্চলৰ বেংকসমূহৰ দ্বাৰা গাঁও অঞ্চলৰ পুৰুষ-মহিলাৰ লগতে ক্ষুদ্ৰ উদ্যোগসমূহো বিশেষভাৱে লাভৱান্বিত হ'ব। ইয়াৰ উপৰি এম জি এনৰেগাৰ দৈনিক মজুৰি ১৮২ টকাৰ পৰা ২০২ টকালৈ বৃদ্ধি কৰি শ্ৰমিকসকলক সকাহ প্ৰদান কৰা হৈছে। এইবোৰৰ লগতে ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে তিনি তালাক নিষিদ্ধ কৰি মুছলমান ভনীসকলক সামাজিক সুৰক্ষা দিয়াৰ লগতে অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰ, ৰাম-মন্দিৰ নিৰ্মাণ, নাগৰিকত্ব সংশোধনী আইন গ্ৰহণ আদি কেইবাটাও উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি দলটোৰ ৰাজ্যিক সভাপতিগৰাকীয়ে উল্লেখ কৰে। স্বাধীনতাৰ ৭ দশকৰ পিছতো দেশৰ দৰিদ্ৰতা নিৰ্মূল কৰি প্ৰতিটো জাতি-জনগোষ্ঠীৰ অথবা পিছপৰা শ্ৰেণীসমূহৰ সকলো লোকৰ প্ৰতি সমভাৱ অটুট ৰাখি মোদী ডাঙৰীয়াৰ 'চবকা চাথ, চবকা বিকাশ' নীতিৰ যি প্ৰতিফলন ঘটাইছে সেয়াই ভৱিষ্যতলৈ গোটেই দেশক উত্তৰণৰ দিশলৈ লৈ যাব আৰু তাৰ লগতে ৰাজ্যখনকো সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই নেতৃত্ব দি দেশৰ ভিতৰত এখন উন্নত ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে কয়। কৰ'না মহামাৰীৰ পৰিপ্ৰেক্ষিতত দলীয় কাম-কাজৰ যথেষ্ট পৰিমাণে বিৰাম হ'লেও বৰ্তমান দলে এক জনসম্পৰ্ক অভিযান আৰম্ভ কৰিব বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে। এই সম্পৰ্কৰ আধাৰত ৰাজ্যখনৰ প্ৰত্যেকটা বুথৰ দুজনকৈ সদস্যই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পত্ৰলৈ প্ৰায় প্ৰতিঘৰ পৰিয়ালক সাক্ষাৎ কৰিব। তেওঁ কয়, আমাৰ দলে মিছন-১০০ প্লাছ লক্ষ্যত অৱতীৰ্ণ হ'বলৈ ৰাজ্যৰ প্ৰায় ২৫ হাজাৰ বুথৰ জৰিয়তে এই জনসম্পৰ্ক অভিযান চলোৱাৰ প্ৰচেষ্টা কৰা হৈছে। এই সময়ছোৱাত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহ দাঙি ধৰাৰ লগতে ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহৰ ওপৰতো পৰ্যালোচনা চলোৱা হ'ব। ইয়াৰ লগতে অহা কেইদিনত ৰাজ্যৰ ৬ খন জিলাত অনুষ্ঠিত কৰা হ'ব ভাৰ্চুৱেল ৰেলী। সাম্প্ৰতিক সময়ত যিহেতু সভা-সমিতি পাতি মানুহ গোট খুৱাব নোৱাৰি গতিকে ফেচবুক লাইভৰ জৰিয়তে প্ৰচাৰ কৰিবলগীয়া এই ভাৰ্চুৱেল ৰেলীত দলীয় নেতাসকলে ৰাইজ আৰু কৰ্মীক সম্বোধন কৰিব। ইয়াৰ লগতে দলৰ ২৫,০০০ বুথৰ মাজত দুটাকৈ হোৱাটছ আপ গ্ৰুপ খোলা হ'ব। ইয়াৰ সমান্তৰালকৈ ৩৯০ খন মণ্ডল সমিতিৰ লগত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে কাম-কাজৰ পৰ্যালোচনা কৰা হ'ব। নৰেন্দ্ৰ মোদীৰ আত্ম নিৰ্ভৰশীল ভাৰতৰ প্ৰসংগত ৰাজ্যিক সভাপতিগৰাকীয়ে কয়, আত্মনিৰ্ভৰশীল ভাৰতৰ ছত্ৰছায়াত আত্মনিৰ্ভৰশীল ভাৰতৰ ছত্ৰছায়াত আত্মনিৰ্ভৰশীল অসমৰ বুনিয়াদ ৰচনা কৰিব লাগিব। এই সংবাদমেলত দলটোৰ সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা আৰু ৰাজ্যিক সাধাৰণ সম্পাদক তথা সাংসদ দিলীপ শইকীয়াও উপস্থিত থাকে। ❑❑

## শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা



# ক'ভিডৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয় পৰ্যায়লৈ সকলোৰে বিনামূলীয়া নামভৰ্তি

সাম্প্ৰতিক সময়ত ক'ভিড-১৯ সৃষ্ট মহাসংকটৰ বাবে অসমৰ সকলো স্তৰৰ জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যে উচ্চতৰ মাধ্যমিকৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত চৰকাৰী মাধ্যমত সকলো ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বিনামূলীয়া হ'ব বুলি শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। ৮ জুনত জনতা ভৱনত অনুষ্ঠিত সংবাদমেলত শিক্ষামন্ত্ৰী ড° শৰ্মাই এই ঘোষণা কৰি কয়, যিকোনো আৰ্থিক অৱস্থাৰ লোকৰ সতি-সন্ততিৰ বাবে এইবাৰৰ নামভৰ্তি বিনামূলীয়া হ'ব। শিক্ষানুষ্ঠানসমূহে বছৰেকীয়া কোনো উৎসৱ বা আলোচনী আদিৰ নামতো ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো মাচুল ল'ব নোৱাৰিব। যদি কোনো শিক্ষানুষ্ঠানে এই বছৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ন্যূনতম মাচুলো অন্য অজুহাতত সংগ্ৰহ কৰে তেনেহ'লে চৰকাৰে শিক্ষানুষ্ঠানৰ মুৰব্বীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব। আনকি, কোনো শিক্ষানুষ্ঠানে নামভৰ্তিৰ বাবে প্ৰ-পত্ৰ আৰু প্ৰচপেক্টাছৰ বিনিময়তো ধন সংগ্ৰহ কৰিব নোৱাৰিব। তাৰ বিপৰীতে প্ৰ-পত্ৰ পূৰণ আৰু সম্পূৰ্ণ নামভৰ্তি প্ৰক্ৰিয়া অনলাইনযোগে কৰিবলৈ শিক্ষামন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তাৰ লগতে স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি ক্ৰয়ৰ বাবে ১০০০ টকা দিয়াৰ লগতে হোষ্টেলত থকা ছাত্ৰ-ছাত্ৰীসকলক মেচডিউছৰ বাবে মাহে ১০০০ কৈ বছৰৰ মুঠ ১২,০০০ টকা তেওঁলোকৰ একাউণ্টত চৰকাৰে জমা দিব। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে এতিয়াৰে পৰা অসমৰ সকলো চৰকাৰী-বেচৰকাৰী বা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অসমীয়া ভাষা শিকোৱাটো বাধ্যতামূলক কৰা হৈছে। কেন্দ্ৰীয় বিদ্যালয়েই হওক বা ব্যক্তিগত খণ্ডৰ বিদ্যালয়েই হওক প্ৰত্যেকে অসমীয়া ভাষা দশম শ্ৰেণীলৈ শিকাবই লাগিব। সেইদৰে বৰাক উপত্যকাত বাংলা ভাষা আৰু বি টি এ ডিত বড়ো ভাষা অতিৰিক্ত

বাধ্যতামূলক ভাষা হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। এই সম্পৰ্কে অসম চৰকাৰে যুগুত কৰা আইনত ইতিমধ্যে মাননীয় ৰাজ্যপালে অনুমোদন জনাইছে। এইফালে এই বছৰ সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটা কম্পিউটাৰৰ পৰিৱৰ্তে নগদ ধন ২০,০০০ টকা ছাত্ৰ-ছাত্ৰীসকলৰ বেংক একাউন্টত প্ৰদান কৰা হ'ব। আনহাতে, যোৱা বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক যোগান ধৰিবলগীয়া কম্পিউটাৰসমূহ এমট্ৰনে সেইসকল ছাত্ৰ-ছাত্ৰীক বিদ্যালয়তে যোগান ধৰিব। একেখন সংবাদমেলত শিক্ষামন্ত্ৰীগৰাকীয়ে সৰ্বশিক্ষাৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক টেট শিক্ষক, ষ্টেটপুলৰ শিক্ষক, আৰু হাইস্কুলত কৰ্মৰত ঠিকাভিত্তিক শিক্ষকৰ চাকৰিকাল ৬০ বছৰলৈ বৃদ্ধি কৰাৰ লগতে নিয়মীয়া শিক্ষকৰ নিৰিখত দৰমহা, ইনক্ৰিমেণ্ট, ডি এ, বেংক ঋণৰ সুবিধা আৰু নিজৰ লগতে পৰিয়ালৰ সদস্যসহ বছৰি ৫ লাখ টকা পৰ্যন্ত চিকিৎসাৰ সা-সুবিধা লাভ কৰিব। অসম চৰকাৰৰ এই অভিলাষী সিদ্ধান্তত অসম সৰ্বশিক্ষা মিছনৰ অধীনত কৰ্মৰত ২৯,৭০১ গৰাকী টেট শিক্ষক, ষ্টেটপুলৰ ১১,২০৬ গৰাকী শিক্ষক আৰু হাইস্কুলত ঠিকাভিত্তিক কৰ্মৰত ৫,২৪৩ গৰাকী শিক্ষককে ধৰি মুঠ ৪৬,১৫৩গৰাকী শিক্ষক কৰ্মচাৰী লাভৱান্বিত হ'ব। এই নিৰ্দেশ ১ জুনৰ পৰা কাৰ্যকৰী হৈ তেওঁলোকে এই সুবিধা লাভ কৰিব। তদুপৰি অহা ২-৩ মাহৰ ভিতৰত বিদ্যালয় প্ৰাদেশিকীকৰণৰ সমস্যা সমাধানৰ লগতে অবৈধ আৰু অতিৰিক্ত শিক্ষকৰ সমস্যা সমাধান কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। আনহাতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল সন্দৰ্ভত শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰে যে ৰাজ্যখনৰ ১৭ খন বিদ্যালয়ত এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ব নোৱৰাৰ পৰিপ্ৰেক্ষিতত এইসমূহ বিদ্যালয় তাৎক্ষণিকভাৱে বন্ধ কৰি তাৰ ছাত্ৰ-ছাত্ৰীসকলক ওচৰৰ শিক্ষানুষ্ঠানলৈকে নামভৰ্তি কৰাৰ সুযোগ দিয়া হ'ব। লগতে এই বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক অসমৰ বিভিন্ন জিলালৈ শীঘ্ৰে বদলি কৰা হ'ব। আনহাতে, অসমৰ শিক্ষা ব্যৱস্থাৰ উত্তৰণ ঘটা বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, যোৱা বছৰ ৫৪ খন চৰকাৰী বিদ্যালয়ৰ পৰা ১০০ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ বিপৰীতে এইবাৰ ১০৯ খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ১০০ শতাংশ উত্তীৰ্ণ হৈছে। সেইদৰে যোৱাবাৰ ৩৮৬ খন বিদ্যালয়ৰ পৰা ৯০ শতাংশতকৈ অধিক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ বিপৰীতে এইবাৰ ৫০৩ খন বিদ্যালয়ৰ পৰা ৯০ শতাংশতকৈও অধিক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। একেদৰে, এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱা বিদ্যালয়ৰ সংখ্যা যোৱা বছৰৰ ২১ খনৰ পৰা এই বছৰ ১৭খনলৈকে অৱনমিত হৈছে। আনহাতে, ক'ভিড-১৯ৰ পৰিপ্ৰেক্ষিতত মাধ্যমিক শিক্ষা সংসদে পোনপ্ৰথমবাৰৰ বাবে অনলাইনযোগে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আৰু মাৰ্কশ্বীট কোনো ত্ৰুটি-বিচ্যুতি নঘটাকৈ প্ৰকাশ কৰিবলৈ সক্ষম হোৱা বাবে ড° শৰ্মাই ছেবাক ধন্যবাদ জ্ঞাপন কৰে। ❑❑



*ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ বিষয়াসকলৰ সৈতে ক'ভিড-১৯ ৰ এক পৰ্যালোচনা সভাত অংশগ্ৰহণৰ মুহূৰ্তত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযূষ হাজৰিকা, তেজপুৰৰ সাংসদ পল্লৱলোচন দাস*

# প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজ ৰূপায়ণ সন্দৰ্ভত বেংক কৰ্তৃপক্ষৰ সৈতে মুখ্যমন্ত্ৰীৰ মত বিনিময়



# প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজে কৃষি-ইয়াৰ আনুষংগিক খণ্ডসমূহলৈ গভীৰ আশা কঢ়িয়াই আনিছে



ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধৰ বাবে ঘোষিত দেশজোৰা লক ডাউনে দুৰ্বল কৰা অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ তথা অন্যান্য গুৰুত্বপূৰ্ণ খণ্ডসমূহলৈ ঋণৰ প্ৰবাহ বৃদ্ধি কৰাৰ বাবে সুনিৰ্দিষ্ট কৰ্ম আঁচনি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বেংকসমূহক আহ্বান জনাইছে। যোৱা ২০ মে'ত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ্ছ সমিতিৰ বিশেষ বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই আহ্বান জনায়। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই অৰ্থনৈতিক পেকেজৰ ৰূপায়ণ আৰু পৰ্যবেক্ষণৰ বাবে ৰাজ্য চৰকাৰে এখন সমিতি গঠন কৰিব য'ত বেংকসমূহৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰা হ'ব। এই দুৰ্যোগত ক্ষতিগ্ৰস্ত সকলো খণ্ডই যাতে এই পেকেজৰ পৰা লাভৱান্বিত হ'ব পাৰে সেই দিশটোও ৰাজ্য চৰকাৰে নিশ্চিত কৰিব। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পেকেজৰ সফল ৰূপায়ণৰ বাবে বেংকসমূহৰ কৰ্মকৰ্তাসকলৰ সৈতে আলোচনাৰ বাবে আয়োজিত এই বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ পৰিস্থিতিত অৰ্থনৈতিক উত্থানৰ বাবে ঘোষিত এই পেকেজ এক ঐতিহাসিক পদক্ষেপ আৰু বেংকসমূহে অৰ্থনৈতিক উত্থানৰ দিশত অগ্ৰণী ভূমিকা ল'ব লাগিব। ৰাজ্যৰ অৰ্থনীতিত অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই সংকটৰ সময়ত উদ্যোগীসকললৈ অধিক হাৰত ঋণৰ সুবিধা আগবঢ়োৱাৰ বাবে বেংকসমূহক আহ্বান জনায়। বজাৰত অধিক নগদ ধনৰ প্ৰবাহ সুনিশ্চিত কৰাৰ বাবে অধিক হাৰত ঋণ মোকলাই দিয়াৰ ক্ষেত্ৰত এক সুনিৰ্দিষ্ট কৰ্ম আঁচনি যুগুতাই উলিয়াবলৈও মুখ্যমন্ত্ৰীয়ে বেংকসমূহক পৰামৰ্শ আগবঢ়ায়। এই দিশত ইতিবাচক পদক্ষেপ ল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে ঋণসমূহ সময়মতে পৰিশোধ কৰাটো সুনিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট পক্ষসমূহৰ সৈতে আলোচনাত মিলিত হ'বলৈ বেংক কৰ্তৃপক্ষক পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে কয় যে ক'ভিড-১৯ অতিমাৰীয়ে অৰ্থনৈতিক খণ্ডত ৰাজ্যখনৰ সবলতা আৰু দুৰ্বলতাসমূহ চিনাক্তকৰণৰ বাবে এক সুযোগ প্ৰদান



কৰিছে আৰু ৰাজ্যৰ অৰ্থনীতিৰ উত্থানৰ দিশত এই অভিজ্ঞতাই এক বিশেষ ভূমিকা গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডসমূহলৈ গভীৰ আশা কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি কৃষি আন্তঃগাঁথনি সৃষ্টিৰ দিশত অধিক ধন বিনিয়োগ কৰিবলৈ আৰু কৃষিজাত সামগ্ৰীৰ উৎপাদন, ক্ৰয় তথা বিপণনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বেংকসমূহৰ প্ৰতি আহ্বান জনায়। বৈঠকত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য, গড়কাপ্তানি আৰু শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাম্প্ৰতিক আৰ্থিক সংকট প্ৰতিহত কৰাৰ যুঁজত নেতৃত্ব ল'বলৈ তথা 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'আত্মনিৰ্ভৰ অসম'ৰ ধাৰণা বাস্তৱায়িত কৰাৰ দিশত গুৰুত্ব আৰোপ কৰিবলৈ বেংকসমূহৰ প্ৰতি আহ্বান জনায়। আৰ্থিক পেকেজৰ বিভিন্ন দিশৰ বিশ্লেষণ আগবঢ়াই ড° শৰ্মাই কয় যে এতিয়া অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে কোনো ধৰণৰ বন্ধকী নোহোৱাকৈও ঋণ লাভৰ সুযোগ লাভ কৰিব আৰু সেয়েহে বেংকসমূহেও বজাৰত মূলধনৰ প্ৰবাহ ত্বৰান্বিত কৰাৰ বাবে অধিক হাৰত ঋণ প্ৰদান কৰিবলৈ আগবাঢ়ি আহিব লাগিব। কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত ঋণ প্ৰদানৰ ক্ষেত্ৰত দুগ্ধ উৎপাদন, গাহৰি পালন আদিকো সামৰি লোৱাৰ ফলত কৃষকসকল বহুলভাৱে উপকৃত হ'ব বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে এই খণ্ডসমূহৰ বাবেও কিষাণ ক্ৰেডিট কাৰ্ডৰ অধীনত ঋণ আগবঢ়োৱাৰ বাবে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ বেংকসমূহক পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে কয় যে ঋণদাতা আৰু বেংকাৰসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে চৰকাৰে গঠন কৰিবলগীয়া অৰ্থনৈতিক পেকেজ ৰূপায়ণ পৰ্যবেক্ষণ সমিতিয়ে এক উপযুক্ত মঞ্চ প্ৰদান কৰিব। ড° শৰ্মাই লগতে কয় যে এক স্বতন্ত্ৰ মূল্যায়কৰ প্ৰতিবেদনৰ ভিত্তিত প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজ ৰূপায়ণত উৎকৃষ্ট প্ৰদৰ্শন কৰাৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰে বেংকসমূহলৈ তিনিটা বঁটা প্ৰদান কৰিব।

বৈঠকত বেংকিং সংস্থাসমূহক প্ৰতিনিধিত্ব কৰি ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূব চক্ৰৰ মুখ্য মহাপ্ৰবন্ধক সুনীল টেণ্ডন, নাবাৰ্ডৰ মুখ্য মহাপ্ৰবন্ধক এছ এছ সাহা, নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংকৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া ৰূপালী কলিতা আৰু বেংক অব ইণ্ডিয়া তথা ইণ্ডিয়ান বেংকৰ বিষয়াসকলে প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাই প্ৰধানমন্ত্ৰীৰ আৰ্থিক পেকেজৰ বিভিন্ন দিশ অৱলোকন কৰি তথা এই পেকেজ ৰূপায়ণৰ ক্ষেত্ৰত বেংকসমূহৰ ভূমিকা ইত্যাদি দিশসমূহ সামৰি এক প্ৰেজেণ্টেচন আগবঢ়ায়। মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণী ভাষণ প্ৰদান কৰা এই বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আঞ্চলিক সঞ্চালক, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল আৰু ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ বেংকসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত বিত্ত বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰাই শলাগৰ শৰাই আগবঢ়ায়। ❐❐



# ৰাজ্যৰ ভূমিস্খলনপ্ৰৱণ এলেকা চিনাক্ত কৰিবলৈ চৰকাৰে শীঘ্ৰে ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগৰ জৰিয়তে জৰীপ চলাব



## বৰাক উপত্যকাৰ বান, ভূমিস্খলন আৰু ক'ভিড-১৯ ব্যৱস্থাপনাৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৪ জুনত কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ উপায়ুক্তকেইগৰাকীক চক্ৰ বিষয়া পৰ্যায়ত ভূমিস্খলন নিৰীক্ষণ আৰু সঁহাৰি গোট গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। এই গোটত আৰক্ষী, এছ ডি আৰ এফ আৰু বন বিভাগৰ লোককো জড়িত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বৰাক উপত্যকাৰ বান, ভূমিস্খলন আৰু ক'ভিড-১৯ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কাছাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত তিনিখন সুকীয়া সুকীয়া বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জিলাকেইখনৰ প্ৰশাসনক এই নিৰ্দেশ দিয়ে। জিলাকেইখনৰ ভূমিস্খলনপ্ৰৱণ স্পৰ্শকাতৰ এলেকাসমূহৰ বাসিন্দাসকলক শীঘ্ৰে সুৰক্ষিত স্থানলৈ স্থানান্তৰৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ ভূমিস্খলনপ্ৰৱণ এলেকা চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে শীঘ্ৰে ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগৰ জৰিয়তে জৰীপ চলাব। যাতে ভূমিস্খলনৰ ফলত জনসাধাৰণৰ প্ৰাণহানিৰ লেখীয়া ঘটনা সংঘটিত হ'ব নোৱাৰে। এই বৈঠকত উপায়ুক্তকেইগৰাকীয়ে জিলাকেইখনত বান, গৰাখহনীয়া, ভূমিস্খলন আৰু ক'ভিড-১৯ৰ সম্পৰ্কত জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কত অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ যাতায়াতৰ সুবিধাৰ্থে ৰাজ্যখনত ১.৩২ লাখখন বাছৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগে ক'ভিড-১৯ সম্পৰ্কত দিয়া নিৰ্দেশাৱলী মানি চলাৰ বাবে জনসচেতনতা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। জনসাধাৰণে যাতে সামাজিক দূৰত্ব ৰক্ষা কৰে, মাস্ক পৰিধান কৰে আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে সেই সন্দৰ্ভত অধিক জনসচেতনতা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত শিলচৰ মেডিকেল কলেজৰ অধ্যক্ষগৰাকীয়ে প্ৰতিদিনে ১০০০ গৰাকী ব্যক্তিক ক'ভিড-১৯ পৰীক্ষা কৰাৰ বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ লগত জড়িত লোকসকলক উৎসাহিত কৰিবলৈও প্ৰশাসনক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে খাদ্য-অসামৰিক আৰু যোগান বিভাগৰ বিষয়াসকলক গুণগত মান-সম্পন্ন খাদ্য যোগান সুনিশ্চিত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানৰ বাবে স্থাপন কৰা সাহায্য শিবিৰসমূহত উপযুক্ত খাদ্য যোগান ধৰাৰ উপৰি সামাজিক দূৰত্ব যাতে বজাই ৰাখে তাক সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বজ্ৰপাতৰ



কয় যে তেওঁলোকে আগবঢ়োৱা অকৃত্ৰিম সেৱাৰ বাবেই সৰ্বসাধাৰণ ৰাইজৰ মনোবল বৃদ্ধি পাইছে। এইক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত ৰাইজ আশ্বস্ত হৈছে। সকলোৱে একেলগে দলগত মানসিকতাৰে এই সংকটৰ বিৰুদ্ধে যুঁজ দি বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে উপায়ুক্তৰ কাৰ্যালয়ত সমবেত ৰাইজৰ মাজত মুখ্যমন্ত্ৰীয়ে আজি গছপুলিও বিতৰণ কৰে। এই বাৰিষাৰ বতৰত ৰাজ্যৰ বন বিভাগে ডেৰ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ প্ৰসংগ উল্লেখ কৰি অহা ডেৰ মাহৰ ভিতৰত অঞ্চলটোৰ

যাতে আগজাননী আধা ঘণ্টা আগত লাভ কৰিব পাৰে সেই দিশতো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বানৰ সময়ত পশুখাদ্য যোগান ধৰাৰ বাবেও পশুপালন বিভাগক নিৰ্দেশ দিয়ে। বৰাক উপত্যকাৰ জিলাকেইখনত ক'ভিড-১৯ ৰ বিৰুদ্ধে চলা এই যুঁজখনত সন্মুখৰ পৰা নেতৃত্ব দি অহা মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদদ্বয় ৰাজদ্বীপ ৰয় আৰু কৃপানাথ মাল্লা, বিধানসভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, বিধায়কসকল, উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকল তথা স্বাস্থ্য বিভাগকে ধৰি প্ৰতিটো জৰুৰীকালীন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে

প্ৰতিগৰাকী সাংসদ, বিধায়ক, উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতিগৰাকীকে একোজোপাকৈ গছপুলি ৰোপণ কৰি নিজকে প্ৰকৃতাৰ্থতেই প্ৰকৃতিপ্ৰেমী হিচাপে পৰিচয় দিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। বৰাক উপত্যকাত অলপতে সংঘটিত ভূমিস্খলনত নিহত হোৱা প্ৰতিগৰাকী ব্যক্তিৰ নিকটাত্মীয়লৈ মুখ্যমন্ত্ৰীয়ে সাহায্যৰ চেকো আগবঢ়ায়। এই বৈঠকত বন আৰু পৰিৱেশ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদ্বীপ ৰয়, কেইবাগৰাকীও বিধায়ক, জিলাকেইখনৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❑❑

# হাজো হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পুখুৰীত মাছৰ অস্বাভাৱিক মৃত্যু হোৱা ঘটনাৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পুখুৰীত থকা মাছৰ অস্বাভাৱিকভাৱে মৃত্যু হোৱা বিষয়টো পৰ্যালোচনা কৰাৰ বাবে যোৱা ২ জুনত মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসগৃহৰ সভাকক্ষত এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত এই বিষয়টো পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকত হাজো মাধৱ পুখুৰী সংৰক্ষণ সমিতিৰ বিষয়ববীয়াই মুখ্যমন্ত্ৰীক এই ঘটনাৰ সবিশেষ অৱগত কৰে আৰু এইক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কামৰূপ জিলাৰ উপায়ুক্তক হাজোৰ মাধৱ পুখুৰী সংৰক্ষণ সমিতিৰ সৈতে আলোচনা কৰি মীন বিভাগৰ সহযোগত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়ে। এই দিশত প্ৰয়োজন হ'লে বিশেষজ্ঞ নিয়োগৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ঐতিহাসিক এই পুখুৰীত থকা মৎস্যকে ধৰি অন্যান্য জলজ জীৱসমূহ সংৰক্ষণ কৰাটো অতিশয় প্ৰয়োজনীয়। অলপতে সংঘটিত হোৱা এই অস্বাভাৱিক ঘটনাৰ বিজ্ঞানসন্মত কাৰণসমূহ উলিয়াই লৈ এই দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই দিশত পুখুৰীটোৰ পানীৰ গুণাগুণ বিশ্লেষণ কৰাৰ ব্যৱস্থা ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই পুখুৰীৰ পানী যাতে কোনো ধৰণৰ বৰ্জিত পদাৰ্থৰ দ্বাৰা বিনষ্ট নহয়, তাৰ বাবে ব্যৱস্থা কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই বৈঠকত সাংসদ কুইন ওজা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মীন বিভাগৰ শীৰ্ষ বিষয়া, হাজো মাধৱ পুখুৰী সংৰক্ষণ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত আছিল। ❑❑

# কৃষি ভৱনলৈ গৈ কৃষি বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে



# উৎপাদন-বজাৰ ব্যৱস্থা শক্তিশালীকৰণৰ বাবে ১০০ টা ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানী গঠনৰ নিৰ্দেশ

অসমৰ কৃষকসকলৰ বাবে প্ৰয়োজনীয় বীজ ৰাজ্যখনতে উৎপাদন কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৮ জুনত অসম বীজ নিগমক নিৰ্দেশ দিয়ে। কৃষকসকলে যাতে প্ৰামাণিকৃত বীজ লাভ কৰিব পাৰে তাক সুনিশ্চিত কৰাৰ বাবে প্ৰতিখন জিলাতে কমেও এখনকৈ বীজ বিপণন কেন্দ্ৰ গঢ়ি তোলাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত স্থানীয় বজাৰৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰৰ প্ৰতি লক্ষ্য ৰাখি এক বিস্তৃত কাৰ্য ব্যৱস্থা গ্ৰহণৰো মুখ্যমন্ত্ৰীয়ে পোষকতা কৰে। খানাপাৰাস্থিত কৃষি ভৱনত কৃষি বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি যান্ত্ৰিকীকৰণ ব্যৱস্থা শক্তিশালী কৰি আমাৰ যুৱ প্ৰজন্মক কৃষিক এক মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰাৰ বাবে উদগণি যোগাব লাগিব। মুখ্যমন্ত্ৰীয়ে কৃষি উৎপাদন, সংগ্ৰহ, দেশীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰ ব্যৱস্থাৰ সৈতে সংযোগীকৰণৰ লক্ষ্যৰে ৰাজ্যখনত ১০০ টা ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানী গঠন কৰিবলৈ অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্পৰ সঞ্চালকক নিৰ্দেশ দিয়ে। আত্মনিৰ্ভৰ অসমৰ লক্ষ্য বাস্তৱায়িত কৰিব লাগিলে যুৱ প্ৰজন্মক কৃষিৰ প্ৰতি অধিক উৎসাহিত কৰি তুলিব লাগিব আৰু ইয়াৰ বাবে বিজ্ঞানসন্মত কৃষি পদ্ধতি অধিক জনপ্ৰিয় কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে এই প্ৰতিটো কোম্পানীত ৫০০ গৰাকীকৈ লোকক জড়িত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই ব্যৱস্থাৰ জৰিয়তে বৃহৎসংখ্যক যুৱক-যুৱতীক কৃষিখণ্ডৰ লগত জড়িত কৰাৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰ ব্যৱস্থাৰ এক শৃংখল গঢ়ি তুলিব পৰা যাব।

মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰতিটোতে একোটাকৈ কম্বাইন হাৰ্ভেষ্টৰ যোগান ধৰাৰ বাবে কৃষি বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। উল্লেখ্য যে কৃষি যান্ত্ৰিকীকৰণৰ দিশত এই যন্ত্ৰই উল্লেখযোগ্য ভূমিকা পালন কৰিব। এই যন্ত্ৰটোৰ জৰিয়তে প্ৰতিঘণ্টাত তিনি বিঘা ভূমিৰ শস্য চপোৱাৰ উপৰি চপোৱা শস্যৰ মৰণা মাৰিব পৰা যাব। আনহাতে, উদ্যান শস্য বিভাগৰ সঞ্চালকগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে যে লক্-ডাউনৰ ৭০ দিনত ৰাজ্যখনে স্থানীয় চাহিদা পূৰণ কৰাৰ উপৰি অন্যান্য ৰাজ্যলৈও কৃষিজাত সামগ্ৰী তথা শাক-পাচলি ৰপ্তানি কৰি সৰ্বমুঠ ৩৫৭ কোটি টকা অৰ্জন কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে উদ্যান শস্যৰ ক্ষেত্ৰত বিশেষ সফলতা আহৰণ কৰা প্ৰগতিশীল কৃষকসকলৰ ওচৰলৈ গৈ উৎসাহিত কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগক ষ্টাৰ্ট আপ ইনকুবেচন চেণ্টাৰৰ সৈতে যোগাযোগ কৰি সমন্বিত প্ৰয়াসেৰে কৃষকৰ উৎপাদিত সামগ্ৰী আৰু বজাৰ ব্যৱস্থাটো অধিক শক্তিশালী

# হাইস্কুল শিক্ষান্ত-হাই মাদ্ৰাছা পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকললৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

যোৱা ৬ জুনত ফলাফল ঘোষণা কৰা অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত ২০১৯ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাত স্থান লাভ কৰাসকলৰ লগতে সমূহ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকললৈও অভিনন্দন জনাইছে।

এক বাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ পৰিশ্ৰম, নিৰলস প্ৰয়াস, একাগ্ৰতা আৰু অধ্যৱসায়ৰ বলত এই গুৰুত্বপূৰ্ণ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হৈছে। এই ফলাফলে ছাত্ৰ-ছাত্ৰীসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ শক্তিশালী ভৱিষ্যৎ গঢ়াৰ লগতে ৰাজ্যখনৰ সুনাম বৃদ্ধি কৰাৰ বাবে আগন্তুক সময়ত অধিক নিষ্ঠা, একাগ্ৰতা আৰু প্ৰতিযোগিতামুখী মনোভাৱেৰে অধ্যয়নত ব্ৰতী হ'ব লাগিব। প্ৰকৃত মানৱ সম্পদ হিচাপে নিজকে গঢ়ি তোলাৰ বাবে দৃঢ়তাৰে অধ্যয়নত মনোনিৱেশ কৰি ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াবলৈ মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাগত তথা বৃত্তিগত জীৱনৰ সফলতাৰ সমান্তৰালভাৱে এটা মূল্যবোধ সম্পন্ন জীৱন গঢ়াৰ বাবেও দৃঢ়তাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী সোণোৱালে এই পৰীক্ষাত কৃতকাৰ্য হ'ব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলকো হতাশ নহৈ দৃঢ় লক্ষ্য লৈ অধিক নিষ্ঠা আৰু একাগ্ৰতাৰে অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায় যাতে তেওঁলোকে পৰৱৰ্তী পৰ্যায়ত সফলতাৰে নিজকে জীৱনত প্ৰতিষ্ঠা কৰিব পাৰে। ❑❑



কৰিবলৈ আহ্বান জনায়। এই বৈঠকতে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ, ফচল বীমা যোজনা, অগভীৰ নলী-নাদ ইত্যাদি বিষয়সমূহ পৰ্যালোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে আত্মনিৰ্ভৰ অসমৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ বাবে ৰাজ্য চৰকাৰে কৃষি খণ্ডৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ক'ভিড-১৯ ৰ সমান্তৰালভাৱে অৰ্থনৈতিক কাম-কাজ চলোৱাৰ অংশ হিচাপে নিয়োগ আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰতি লক্ষ্য ৰাখি কৃষি খণ্ডত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে গঠন কৰি দিয়া উপদেষ্টা সমিতিখনে কৃষি খণ্ডৰ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ উৎপাদিত সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিব লাগিলে কৃষকসকলক সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ বাবে কৃষিৰ সৈতে জড়িত আনুষংগিক বিভাগসমূহে দৃঢ়তাৰে প্ৰয়াস চলাব লাগিব।

এই বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ, কৃষি বিভাগৰ সঞ্চালক মনোজ কুমাৰ, এপাৰ্টৰ সঞ্চালক লয়া মাদ্দুৰী, উদ্যান শস্য বিভাগৰ সঞ্চালক আব্দুল জলিল প্ৰমুখ্যে কৃষি বিভাগ, অসম বীজ নিগম, উদ্যান শস্য ইত্যাদি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❑❑

# অসমত বিদেশী কোম্পানীৰ বিনিয়োগ সম্পৰ্কত প্ৰধানমন্ত্ৰীৰে মুখ্যমন্ত্ৰীৰ টেলিফোনিক বাৰ্তালাপ




ক'ভিড-১৯ৰ ফলত ৰাজ্যৰ উদ্যোগ খণ্ডলৈ নামি অহা প্ৰত্যাহ্বান আৰু উদ্যোগ খণ্ডক পুনৰুজ্জীৱিতকৰণৰ দিশসমূহ আলোচনাৰ বাবে যোৱা ১১ মে'ত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত ৰাজ্যৰ উদ্যোগ খণ্ডৰ লগত জড়িত বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এক বৈঠকত মিলিত হোৱাৰ লগতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তেও মত বিনিময় কৰে। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ৰ ফলত ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰলৈ যথেষ্ট প্ৰত্যাহ্বান নামি আহিছে। অন্যান্য খণ্ডসমূহৰ লগতে ৰাজ্যৰ উদ্যোগ খণ্ডৱো এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ বাবে কাম কৰিব লাগিব। প্ৰত্যাহ্বান যিমানে প্ৰবল হয়, পদক্ষেপো সিমানেই অভিনৱ হ'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা লক ডাউনৰ দৰে সময়োচিত পদক্ষেপৰ বাবেই দেশৰ জনসাধাৰণ সুৰক্ষিত হ'ব পাৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ৰ যুঁজখনৰ সমান্তৰালভাৱে অৰ্থনৈতিক ক্ষেত্ৰখনক আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। লক্ ডাউনৰ ফলত উদ্যোগ খণ্ডত হোৱা ক্ষতিৰ বিষয়টো ৰাজ্য চৰকাৰে গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে ৰাজ্যখনত এক ঔদ্যোগিক পৰিৱেশ গঢ়ি তোলাৰ বাবে নিৰৱিচ্ছিন্নভাৱে কাম কৰি আহিছে। ৰাজ্যখনত বিনিয়োগৰ বাবে এক অনুকূল পৰিৱেশ গঢ় লৈ উঠিছিল যদিও শেহতীয়াভাৱে ক'ভিড-১৯ৰ ফলত এই ইতিবাচক ব্যৱসায়িক পৰিৱেশ বিঘ্নিত হৈ পৰিছে, যাক ঘূৰাই অনাৰ বাবে আমি নিৰন্তৰ কাম কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক মুঠ ঘৰুৱা উৎপাদনত ৰাজ্যৰ উদ্যোগ খণ্ডই ৩৯ শতাংশ অৰিহণা আগবঢ়ায়। ৪ লাখ লোকক এই খণ্ডই প্ৰত্যক্ষ নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ উপৰি পৰোক্ষভাৱে ২০ লাখ লোকৰ প্ৰত্যক্ষ নিয়োগ সম্ভৱ কৰি তুলিছে। চাহ খণ্ডই ৰাজ্যৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ অৰিহণা যোগাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লক ডাউন আৰম্ভ হোৱাৰ ফলত বৃহৎ আৰু ক্ষুদ্ৰ চাহ বাগিচাসমূহৰ উৎপাদন হ্ৰাস পাইছে আৰু ইয়াৰ ফলত ৫০০ কোটি টকাতকৈ অধিক টকাৰ লোকচানৰ সন্মুখীন হ'ব লগা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে লক ডাউনৰ শিথিলতা দিয়াৰ পিছত অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাৰ বাবে ৰাজ্য চৰকাৰে উদ্যোগ-কৃষিকে ধৰি বিভিন্ন ক্ষেত্ৰত শিথিলতা আনিছে। মুখ্যমন্ত্ৰীয়ে ঔদ্যোগিক কাম-কাজ চলোৱাৰ সময়ত সামাজিক দূৰত্ব বজাই ৰখাৰ লগতে স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশনাসমূহ মানি চলি এই খণ্ডটোক অধিক গতিশীল কৰি তুলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ঔদ্যোগিক সংগঠনৰ প্ৰতিনিধিসকলে আগবঢ়োৱা পৰামৰ্শসমূহ ৰাজ্য চৰকাৰে আন্তৰিকতাৰে গ্ৰহণ কৰি এইক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশাৱলী অনুসৰি ৰাজ্য চৰকাৰে শ্ৰমিকসকলক অসমলৈ ওভতাই অনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই শ্ৰমিকসকলৰ দক্ষতাক

**ৰাজ্যৰ উদ্যোগ খণ্ডৰ কেইবাটাও সংগঠনৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰী সোণোৱালৰ বৈঠক**

প্ৰয়োগ কৰি ৰাজ্যখনৰ অৰ্থনৈতিক গতি অধিক ত্বৰান্বিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯-এ প্ৰকৃতিক কিদৰে সংৰক্ষণ কৰিব লাগে সেই কথা আমাক শিকাইছে। প্ৰকৃতি বিনষ্ট নকৰাকৈ আমাৰ অৰ্থনৈতিক গতি আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰকৃতি সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়ন সমান্তৰালভাৱে গতি কৰিব লাগিব। অৰ্থনৈতিক বিকাশৰ সমান্তৰালভাৱে আমি পৰিৱেশৰ ভাৰসমতাও ৰক্ষা কৰি চলিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ঔদ্যোগিক সংগঠনৰ সৈতে হোৱা আলোচনাই ৰাজ্য চৰকাৰৰ মনোবল বৃদ্ধি কৰিছে। দেশৰ ১৩০ কোটি জনসাধাৰণৰ সন্মুখত আমি ৩ কোটি ৩০ লাখ জনসাধাৰণে 'টীম অসম'ৰ মানসিকতাৰে অৰ্থনৈতিক গতি অধিক ত্বৰান্বিত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে বহু বিদেশী কোম্পানীয়ে ভাৰতবৰ্ষত বিনিয়োগ কৰিব বিচাৰিছে। অসমকো এইক্ষেত্ৰত উৎসাহিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ উপৰি তেওঁ ব্যক্তিগতভাৱেও প্ৰধানমন্ত্ৰীৰ সৈতে কথা পাতিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত ইতিবাচক সঁহাৰি জনাইছে। ইয়াৰ বাবে উপযুক্ত আন্তঃগাঁথনি, বিনিয়োগ নীতি আদি গঢ়ি তোলাৰ বাবে সংকল্প ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে ৰাজ্যৰ উদ্যোগ খণ্ডক আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। এক্ট ইষ্ট পলিচী এফেয়াৰ্চ বিভাগ, অসম দক্ষতা উন্নয়ন অভিযানৰ লেখীয়া পদক্ষেপসমূহৰ ফলত দক্ষিণ-পূব এছিয়াৰ সৈতে ব্যৱসায়িক সম্পৰ্ক সুদৃঢ় কৰাৰ এক পৰিৱেশ নিৰ্মাণ হৈ উঠিছে। ৰাজ্য চৰকাৰে জলপথ ব্যৱস্থাটোক শক্তিশালী কৰাৰ বাবে লোৱা পদক্ষেপে আমাৰ উদ্যোগ খণ্ডৰ গতিশীলতা অধিক বৃদ্ধি কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। বৈঠকত উদ্যোগ খণ্ডৰ প্ৰতিনিধিসকলে ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। লক ডাউনৰ শিথিলতাৰ ক্ষেত্ৰত উদ্যোগ বিভাগকো সামৰি লোৱাৰ বাবে তেওঁলোকে ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। প্ৰতিনিধিসকলে উদ্যোগ খণ্ডত আহি পৰা প্ৰত্যাহ্বান আৰু ইয়াৰ মোকাবিলা কৰাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

বৈঠকত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য মহাপ্ৰবন্ধক সন্দীপ গোস্বামী, গুৱাহাটী শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক এন চক্ৰৱৰ্তী, নুমলীগড় শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক নিপন বৰঠাকুৰ, অসম গেছ কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক গকুল স্বৰ্গীয়াৰী, আছাম ষ্টাৰ্টআপ দ্য নেষ্টৰ মুখ্য পৰিচালন বিষয়া প্ৰাঞ্জল কোঁৱৰ, ফেডাৰেচন অব্ ইণ্ডিয়ান চেম্বাৰ্চ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীৰ সঞ্চালক (উত্তৰ-পূব) বিশ্বজিৎ চক্ৰৱৰ্তী, ফেডাৰেচন অব ইণ্ডাষ্ট্ৰীজ এণ্ড কমাৰ্চ, নৰ্থ-ইষ্টাৰ্ন ৰিজন (ফাইনাৰ)ৰ সভাপতি পৰিত্ৰ বুঢ়াগোঁহাই, কনফেডাৰেচন অফ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰী (আছাম চেপ্টাৰ)ৰ সঞ্চালক অভিজিৎ বৰুৱা, ইণ্ডিয়ান চেম্বাৰ্চ অব কমাৰ্চৰ আঞ্চলিক প্ৰধান ঈশান্তৰ সভাপণ্ডিত, পি এইচ ডি চেম্বাৰ্চ অব কমাৰ্চৰ উপ-আৱাসিক সঞ্চালক এছ হাজৰিকা, অসম চেম্বাৰ্চ অব কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামী, অল আছাম স্মল স্কেল ইণ্ডাষ্ট্ৰীজ এছ'চিয়েচনৰ সভাপতি, লঘু উদ্যোগ ভাৰতী (এন ই আৰ)ৰ কাৰ্যকৰী সভাপতি মনোজ লুণ্ডিয়া, এবিটাৰ সম্পাদক অভিজিৎ শৰ্মা, এন ই টি এৰ উপদেষ্টা বিদ্যানন্দ বৰকটকী আৰু অসম চেম্বাৰ্চ অব কমাৰ্চৰ সভাপতি সঞ্জীৱ নাৰায়ণো উপস্থিত থাকে। আনহাতে ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ কৰা উদ্যোগ খণ্ডৰ প্ৰতিনিধিসকল হৈছে টি বোৰ্ড ইণ্ডিয়াৰ অধ্যক্ষ পি কে বেজবৰুৱা, কনচালটেটিভ কমিটী অব্ প্লেণ্টেচন এছ'চিয়েচন আৰু ইণ্ডিয়ান টি এছ'চিয়েচনৰ অধ্যক্ষ বিবেক গোৱেংকা, আছাম টি প্লেণ্টাৰ্ছ এছ'চিয়েচনৰ অধ্যক্ষ ড° নজৰানা আহমেদ, ভাৰতীয় চাহ পৰিষদৰ অধ্যক্ষ নলীন খেমানী, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সাধাৰণ সম্পাদক কৰুণা মহন্ত আৰু টি এছ'চিয়েচন অব ইণ্ডিয়াৰ সচিব প্ৰধান পি কে ভট্টাচাৰ্য। এই আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ পি যোশী, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, শ্ৰমিক কল্যাণ বিভাগৰ প্ৰধান সচিব ড° জে বি এক্কা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিবেদীৰ লগতে অন্যান্য উচ্চপদস্থ বিষয়াববীয়াসকল উপস্থিত থাকে। ❐❐



# খহনীয়াত ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে শীঘ্ৰে কেন্দ্ৰৰ ওচৰত বিশেষ প্ৰস্তাৱ দাখিল কৰিব ৰাজ্য চৰকাৰে

**পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শাৱলীত অসমৰ নদীৰ খহনীয়া সমস্যাক দুৰ্যোগ হিচাপে চিহ্নিত কৰাৰ পৰামৰ্শ**


ফাইল ফটো

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসমৰ বান আৰু গৰাখহনীয়া সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ নদীৰ খহনীয়া সমস্যাটোক প্ৰাকৃতিক দুৰ্যোগ হিচাপে গণ্য কৰি ক্ষতিগ্ৰস্ত ৰাইজক সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যেই পঞ্চদশ বিত্ত আয়োগৰ ওচৰত এক প্ৰতিবেদন দাখিল কৰিছিল। এই প্ৰতিবেদনৰ প্ৰতি সহাঁৰি জনাই আয়োগে নদীৰ খহনীয়া সমস্যাক এক দুৰ্যোগ হিচাপে চিহ্নিত কৰি এছডিআৰএফ আৰু এনডিআৰএফৰ অধীনত সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৰামৰ্শাৱলী দাখিল কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ খহনীয়াত মাটি-বাৰী হেৰুওৱা লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে এক বিশেষ প্ৰস্তাৱ দাখিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এই বিষয়ত বিতং তথ্য সম্বলিত এক প্ৰস্তাৱ শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব। এই পদক্ষেপে ৰাজ্যখনৰ দীৰ্ঘদিনীয়া সমস্যাটো সমাধানৰ দিশত যথেষ্ট সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বান আৰু গৰাখহনীয়া সমস্যাক গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বৰ্ষত এছডিআৰএফ পুঁজিলৈ কেন্দ্ৰীয় অংশ হিচাপে ভাৰত চৰকাৰে ৭৭২ কোটি টকা মঞ্জুৰ কৰিছে। ইয়াৰে ৩৮৬ কোটি টকা ইতিমধ্যে ৰাজ্যখনে লাভ কৰিছে। বানপীড়িত লোকসকললৈ সাহায্য প্ৰদানৰ লগতে আনুষংগিক কাম-কাজৰ বাবে জিলা উপায়ুক্তসকললৈ ৰাজ্য চৰকাৰে ইতিমধ্যে পৰ্যাপ্ত পুঁজি মোকলাই দিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আশ্ৰয় শিবিৰত থকা লোকসকলৰ লগতে প্ৰতিগৰাকী বানপীড়িত লোকে যাতে সময় মতে পৰ্যাপ্ত পৰিমাণৰ গুণগত, মানসম্পন্ন খাদ্য-সামগ্ৰী, শিশু খাদ্য আৰু পশুখাদ্য লাভ কৰে, সেয়া নিশ্চিত কৰিবলৈ জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়া হৈছে। এই ক্ষেত্ৰত কোনোধৰণৰ হেমাহি সহ্য কৰা নহ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে একে সময়তে কেইবাটাও দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। ক'ভিড-১৯, বান, গৰাখহনীয়া, ধুমুহা, আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। ৰাইজৰ সহযোগত আৰু বিভিন্ন বিভাগৰ সহায়ত ৰাজ্য চৰকাৰে এই দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মথাউৰি নিৰ্মাণ, বান আৰু খহনীয়া এলেকা নিজেই ভ্ৰমণ কৰি চৰজমিন বুজ লোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে খহনীয়া প্ৰতিৰোধৰ কাম যুদ্ধকালীন তৎপৰতাৰে কৰাৰ বাবে জলসম্পদ বিভাগক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে লক ডাউনৰ বাবে মথাউৰি মেৰামতি আৰু নিৰ্মাণকাৰ্য বাধাপ্ৰাপ্ত হৈছিল যদিও লক ডাউনৰ শিথিলতাৰ মাজলৈ অনাৰ পিছত জলসম্পদ বিভাগে তৎপৰতাৰে কাম আৰম্ভ কৰে। এইক্ষেত্ৰত সাংসদ,বিধায়ক,পঞ্চায়ত প্ৰতিনিধি আৰু জনসাধাৰণে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বানপীড়িত লোকসকলে যাতে কোনোধৰণৰ সমস্যাৰ মুখামুখি হ'বলগীয়া নহয়, তাৰ বাবে উপায়ুক্তসকলক নিৰ্দেশ প্ৰদান কৰা হৈছে। ❑❑

## তথ্য আৰু জনসংযোগ সঞ্চালকালয়লৈ গৈ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ



# ক'ভিড-১৯ ৰ সংক্ৰমণৰ জটিল সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাৰ বিভাগ হিচাপে জনসংযোগে লোৱা ভূমিকাৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৩ জুনত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দিছপুৰ লাষ্টগেটস্থিত মুখ্য কাৰ্যালয়ত উপস্থিত হৈ বিভাগটোৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ উপৰি বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে। মত বিনিময় কৰি মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ৰ সংক্ৰমণৰ জটিল সময়ত বিভাগটোৱে এক অত্যাৱশ্যকীয় বিভাগ হিচাপে জনসাধাৰণক অহৰ্নিশে সজাগ আৰু সচেতন কৰাৰ দিশত লোৱা ভূমিকাৰ শলাগ লয়। বিভাগটোৰ বিষয়াসকলৰ সৈতে ইয়াৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ বাবে অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে জনসংযোগ হ'ল চৰকাৰৰ চকু আৰু কাণৰ লেখীয়া। চৰকাৰৰ নীতি আৰু আঁচনিসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে জনসাধাৰণৰ মতামত আৰু অভাৱ-অভিযোগসমূহৰ বিষয়ে চৰকাৰক অৱগত কৰোৱাৰ দিশত এই বিভাগটোৰ ভূমিকা অপৰিহাৰ্য। বৰ্তমানৰ তথ্য আৰু প্ৰযুক্তিৰ যুগত বিভাগটোৱে সম্পূৰ্ণ পেছাদাৰী মানসিকতাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰতিখন জিলা আৰু মহকুমাত থকা সাংবাদিকসকলৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি চৰকাৰী আঁচনি আৰু বা-বাতৰিসমূহৰ বহুল প্ৰচাৰৰ পদক্ষেপ ল'বলৈও বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী আঁচনিসমূহৰ তৃণমূল পৰ্যায়ৰ ৰূপায়ণ তথা উপযুক্ত তথ্য পোৱাৰ দিশত এই সম্পৰ্কই সহায় কৰিব আৰু আঁচনিসমূহ ভালদৰে ৰূপায়ণ কৰাৰ দিশতো এই পদক্ষেপে সহায় কৰিব।

তথ্যৰ কোনো বন্ধৰ দিন নাথাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই বিভাগটোৱে চৰকাৰৰ তথ্যসমূহৰ সময় সাপেক্ষে সৰবৰাহৰ দিশত দিনে-নিশাই কাম কৰি জনসাধাৰণলৈ সম্পূৰ্ণ পেছাদাৰী মনোভাৱেৰে কাম কৰাৰ বাবে দৃঢ়তাৰে পদক্ষেপ ল'ব

লাগিব বুলি কয়। মুখ্যমন্ত্ৰীয়ে লগতে ছ'চিয়েল মিডিয়াৰ অপপ্ৰয়োগ সম্পৰ্কত জনসাধাৰণক বিশেষকৈ যুৱ প্ৰজন্মক তৃণমূল পৰ্যায়ত সজাগ আৰু সচেতন কৰাৰ দিশত বিভাগটোৱে অগ্ৰণী ভূমিকা ল'ব লাগিব বুলিও কয়। তথ্য আৰু জনসংযোগ বিভাগৰ সক্ৰিয় উপস্থিতি যাতে অসমৰ সকলো অঞ্চলৰ জনসাধাৰণে উপলব্ধি কৰিব পাৰে আৰু বিভাগটোৱে যাতে চৰকাৰৰ এক অন্যতম বিভাগ হিচাপে জনসাধাৰণৰ হৃদয় জিনিব পাৰে তেনে মানসিকতাৰে উদ্ভাৱনীমূলক কামেৰে আগুৱাই যোৱাৰ পৰিকল্পনা কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ এই প্ৰতিযোগিতামুখী যুগৰ লগত খাপখোৱা কৰ্মপদ্ধতি আৰু পৰিকল্পনাৰে জনসংযোগে ৰাইজৰ সেৱা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ মাজত যথেষ্ট সমল, দক্ষতা, যোগ্যতা আছে বুলি উল্লেখ কৰি এই দক্ষতা আৰু যোগ্যতাৰ উপযুক্ত প্ৰয়োগেৰে বিভাগটোৱে এক অগ্ৰণী বিভাগ হিচাপে স্থান লাভ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।



এই পৰ্যালোচনামূলক বৈঠকতে মুখ্যমন্ত্ৰীয়ে তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰাৰ উপৰি ভৱিষ্যতৰ কৰ্ম আঁচনিৰ বিষয়েও পৰ্যালোচনা কৰে। তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা এই বৈঠকত বিভাগৰ সঞ্চালক অনুপম চৌধুৰীয়ে বিভাগৰ বিভিন্ন কাম-কাজ, ভৱিষ্যতৰ পৰিকল্পনা, ক'ভিড-১৯ ৰ সময়ত বিভাগটোৱে জনসাধাৰণক সজাগ আৰু সচেতন কৰা, ভুৱা বাতৰি পৰিৱেশনৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাৰাজি সামৰি এক প্ৰেজেণ্টেচনো আগবঢ়ায়। এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, তথ্য আৰু জনসংযোগ বিভাগৰ সচিব নীৰা গগৈ সোণোৱাল, তথ্য আৰু জনসংযোগ বিভাগৰ যুটীয়া সচিব অৰুন্ধতী চক্ৰৱৰ্তীৰ লগতে সঞ্চালকালয়ৰ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ৰ বিৰুদ্ধে অসমৰ জনসাধাৰণে দৃঢ়তাৰে যুঁজ দিছে। এইখিনি সময়ত অসম চৰকাৰেও জনসাধাৰণলৈ উপযুক্ত সেৱা আগবঢ়োৱাৰ যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছে। অসম চৰকাৰৰ স্বাস্থ্য, গৃহ বিভাগ, পৰিবহণ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, অগ্নিনিৰ্বাপণ ইত্যাদি বিভাগৰ লগতে তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলেও উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এই সময়ছোৱাত এই বিভাগৰ কৰ্মকৰ্তাসকলেও অসমৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ দিশত বিশেষ ভূমিকা পালন কৰিছে। বিভিন্ন অপপ্ৰচাৰ তৎকালে নাইকিয়া কৰাৰ বাবেও বিভাগে পদক্ষেপ লৈছে। জনসাধাৰণক এইক্ষেত্ৰত সজাগ আৰু সচেতন কৰি তুলি আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে আপত্তিজনক মন্তব্য আৰু বিবৃতি, ঘৃণাৰ বাতৰি বিয়পোৱা ৰোধ কৰাৰ দিশত তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰি অসমৰ ৰাইজক সজাগ আৰু সচেতন কৰাৰ দিশত বিভাগটোৱে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ বিভিন্ন জিলা তথা মহকুমাত থকা জনসংযোগৰ কৰ্মকৰ্তাসকলে স্থানীয় সাংবাদিকসকলৰ সহযোগত এই সময়ছোৱাত জনসচেতনতামূলক কামত ব্ৰতী হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰৰ যিমান বা-বাতৰি আছে সেইবোৰ যাতে তৃণমূল পৰ্যায়ৰ জনসাধাৰণে জানিব পাৰে তাৰ বাবে বিভাগৰ কৰ্মকৰ্তাসকলে সক্ৰিয় পদক্ষেপ ল'ব লাগিব। এইক্ষেত্ৰত প্ৰতিখন জিলা আৰু মহকুমাৰ স্থানীয় সাংবাদিকসকলৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি চৰকাৰী আঁচনি ৰূপায়ণৰ উপযুক্ত তথা সঠিক তথ্য আহৰণৰ দিশতো জনসংযোগৰ কৰ্মকৰ্তাসকলে নিষ্ঠাৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আগন্তুক দিনত এই বিভাগটোৱে ৰাজ্যখনৰ ৩ কোটি ৩০ লাখ জনসাধাৰণক চৰকাৰী বিভিন্ন আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত বিভিন্ন তথ্য পৰিৱেশনেৰে এক অগ্ৰণী বিভাগ হিচাপে পৰিগণিত হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰৰ বিভিন্ন সাফল্যৰ বা-বাতৰিৰ লগতে আঁচনিসমূহৰ তৃণমূল পৰ্যায়ত ৰূপায়ণ সন্দৰ্ভত চৰকাৰক অৱগত কৰোৱাৰ বাবে দায়বদ্ধতাৰে বিভাগটোৱে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এইবোৰ কাম-কাজেৰে বিভাগটোৱে ৰাইজৰ মাজত প্ৰকৃতাৰ্থত জনসংযোগ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ যুগ তথ্য-প্ৰযুক্তিৰ যুগ বুলি উল্লেখ কৰি চৰকাৰৰ বিভিন্ন বা-বাতৰিৰ বিষয়ে ৰাজ্যখনৰ প্ৰতিগৰাকী জনসাধাৰণ যাতে অৱগত হয় তাৰ বাবে বিভাগটোৱে নিষ্ঠাৰে কাম কৰিব লাগিব। এইক্ষেত্ৰত কাৰ্যালয়টোৱে দক্ষতা আৰু নিষ্ঠা তথা বৃত্তিগত উৎকৰ্ষৰে সেৱা আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ❑❑

# সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বিশিষ্ট বৰঙনি আগবঢ়োৱা লোকসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বাৰ্তালাপ



কৰ'না ভাইৰাছৰ সংক্ৰমণে বিশ্বৰ বিভিন্ন দেশত বিস্তৰ ক্ষতিসাধন কৰাৰ পিছত ভাৰতলৈও ই বিয়পি পৰে আৰু অসমো ইয়াৰ পৰা সাৰি যাব পৰা নাই। এই পৰিস্থিতি আমাৰ বাবে অভূতপূৰ্ব। এনে পৰিস্থিতিত সাধাৰণ ৰাইজ আতংকিত আৰু বিভিন্ন কাৰণত বিভ্ৰান্ত হোৱাটোৱেই স্বাভাৱিক। এই পৰিপ্ৰেক্ষিতত ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে লক-ডাউনৰ সময়ছোৱাত ৰাজ্যখনৰ বিভিন্ন বৰ্গৰ লোকক সাক্ষাৎ কৰি পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। বিভিন্ন পক্ষৰ পৰা মুখ্যমন্ত্ৰীগৰাকীয়ে অনেক পৰামৰ্শ লাভ কৰাৰ লগতে এই সময়ছোৱাত চৰকাৰে কৰা বিভিন্ন কাম-কাজৰ বিষয়েও তেওঁ বহলাই কয়।

ৰাজ্যখনৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ধৰ্মীয় অনুষ্ঠানসমূহে ল'বলগীয়া ভূমিকা সন্দৰ্ভত যোৱা ৯ এপ্ৰিলত মুখ্যমন্ত্ৰীয়ে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিভিন্ন ধৰ্মীয় সংস্থাৰ মুৰব্বীসকলৰ সৈতে এক বৈঠকত মিলিত হয়। কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে জাতি, ধৰ্ম,ভাষা, বৰ্ণ নিৰ্বিশেষে সমাজৰ প্ৰতিটো অংশৰ লোকে যাতে লক-ডাউনৰ নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলে তাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। এই পৰিস্থিতিৰ সুযোগ লৈ যাতে কোনেও সমাজত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব নোৱাৰে সেই দিশতো সচেষ্ট হৈ থাকিবলৈ মুখ্যমন্ত্ৰীয়ে সকলোৰে প্ৰতি আহ্বান জনায়। এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক বিমল বৰা, মুখ্য





সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ লগতে ৰাজ্যখনৰ ১৬ টা ধৰ্মীয় অনুষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে যোৱা ৮ এপ্ৰিলৰ দিনাও কাছাৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয় প্ৰাংগণত বিভিন্ন ধৰ্মৰ ধৰ্মগুৰুসকলৰ লগত এক বৈঠকত মিলিত হয়।

মুখ্যমন্ত্ৰীয়ে যোৱা ২২ এপ্ৰিলৰ দিনা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ দ্বাৰা আয়োজিত এখন সৰ্বদলীয় বৈঠকত কৰ'না ভাইৰাছৰ সংক্ৰমণে অসমতো সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ সকলো ৰাজনৈতিক দলক ঐক্যবদ্ধভাৱে টীম অসমৰ মানসিকতাৰে কাম কৰাৰ বাবে আহ্বান জনায়। এই বৈঠকত কংগ্ৰেছ, অসম গণপৰিষদ, এ আই ইউ ডি এফ, বি পি এফ, চি পি আই, চি চি আই (এম), এন চি পি, আৰ জে ডি, তৃণমূল কংগ্ৰেছ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰি ক'ভিড-১৯ নিয়ন্ত্ৰণ আৰু প্ৰতিহত কৰাৰ দিশত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ, বিধানসভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, এ আই ইউ ডি এফ বিধায়িনী দলৰ নেতা হাফিজ বচিৰ আহমেদ, ৰাজ্যসভাৰ সদস্য বিশ্বজিৎ দৈমাৰী, বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত দাস, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তকে ধৰি অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে।

ক'ভিড-১৯ এ সমগ্ৰ বিশ্বৰ লগতে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনত সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ সামগ্ৰিক বিত্তীয় ক্ষেত্ৰখনক আগুৱাই নিয়াৰ বাবে বিশিষ্ট অৰ্থনীতিবিদসকলৰ মতামত গ্ৰহণ কৰাৰ উদ্দেশ্যে যোৱা ২৮ এপ্ৰিলত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সোণোৱালৰ পৌৰোহিত্যত ৰাজ্যখনৰ বিশিষ্ট অৰ্থনীতিবিদ আৰু চিন্তাবিদসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যখনৰ ২৯ গৰাকী বিশিষ্ট অৰ্থনীতিবিদ আৰু চিন্তাবিদে অংশগ্ৰহণ কৰি ৰাজ্যখনৰ সাম্প্ৰতিক জটিল বিত্তীয় পৰিস্থিতিত ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব পৰা পদক্ষেপ সম্পৰ্কে নিজৰ নিজৰ মূল্যৱান দিহা-পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত উপস্থিত থাকে ৰঞ্জিত নাৰায়ণ ডেকা, ড° মাধুৰ্য বেজবৰুৱা, ড° নিচাৰ আহমেদ বৰুৱা, ড° মৃণালকান্তি দত্ত, ড° সৌন্দৰ্য বেজবৰুৱা, ড° অমৰেন্দ্ৰ কলিতা, ড° ৰাতুল মহন্ত, এহছান হাজৰিকা, ড° জয়দীপ বৰুৱা, ড° মনজিত দাস, ড° অমিয় শৰ্মা, ড° গায়ত্ৰী গোস্বামী, ড° চন্দন হাজৰিকা, ড° জগদীশ গোস্বামী, ড° হোমেশ্বৰ গোস্বামী, অতনু চৌধুৰী, ড° ধৰ্মেন্দ্ৰ





নাথ, অভিজিৎ শৰ্মা, ড° খুৰছিদ আলম, প্ৰফেচাৰ উৎপল বৰা, গৌতম গোস্বামী, ড° শৰৎ শইকীয়া, কৃষ্ণকান্ত বৰা, অদীপ কুমাৰ ফুকন, কে এম বেজবৰুৱা, ড° ৰূপালী কলিতা, অনন্ত কলিতা, ড° দিলীপ শৰ্মা আৰু ড° মনোজ তালুকদাৰ। বৈঠকত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম, অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰা প্ৰমুখ্যে বিত্ত, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ তথা অন্যান্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। এই বৈঠকৰ পৰামৰ্শ অনুসৰি ৰাজ্য চৰকাৰে ভাৰতীয় অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত এখন সমিতি গঠন কৰি দিয়ে। সমিতিৰ অন্যান্য সদস্যসকল হৈছে অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° কে এম বুজৰবৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মাধুৰ্য বেজবৰুৱা, অমিয় কুমাৰ দাস ইনষ্টিটিউট অব ছ'চিয়েল চেইঞ্জ এণ্ড ডেভেল'পমেণ্টৰ সহযোগী অধ্যাপক ড° জয়দীপ বৰুৱা, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ কাৰ্যবাহী সঞ্চালক ড° অমিয় শৰ্মা, এৰিয়াছ ছ'চাইটীৰ কৃষি-বাণিজ্য পৰামৰ্শদাতা গৌতম গোস্বামী, ভাৰতীয় কিষাণ সংঘৰ ৰাজ্যিক সাংগঠনিক সম্পাদক কৃষ্ণকান্ত বৰা আৰু বিশিষ্ট সাংবাদিক অদীপ কুমাৰ ফুকন। এই সমিতিয়ে ইতিমধ্যে চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে।

কৰ'না ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা পৰিস্থিতি তথা ভৱিষ্যৎ কৰ্মপন্থা সম্পৰ্কে, সংবাদ মাধ্যমৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰাৰ উদ্দেশ্যে যোৱা ২ মে'ত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এখন বৈঠকত ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিকসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে মত বিনিময় কৰে। এই বৈঠকত প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱা, সাদিনৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰী, নৰ্থ ইষ্ট লাইভৰ মুখ্য সম্পাদক ৱাছবিৰ হুছেইন, বিশিষ্ট সাংবাদিক সমুদ্ৰগুপ্ত কাশ্যপ, আমাৰ অসমৰ তৎকালীন সম্পাদক প্ৰশান্ত ৰাজগুৰু, আছাম ট্ৰিবিউনৰ কাৰ্যবাহী সম্পাদক পি জে বৰুৱা, পি টি আইৰ ব্যুৰ' ছীফ এনাক্ষী শইকীয়া বৰুৱা, প্ৰাগ নিউজৰ তৎকালীন পৰিচালন সম্পাদক প্ৰণয় বৰদলৈ, অসমবাণীৰ সম্পাদক দিলীপ চন্দন, নিউজ লাইভৰ মুখ্য পৰিচালন সম্পাদক চৈয়দ জাৱিৰ হুছেইন, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া, দৈনিক পূৰ্বোদয়ৰ সম্পাদক ৰবি শংকৰ ৰবি, এছিয়ান এজৰ বিশেষ সংবাদদাতা মনোজ আনন্দ, নিয়মীয়া বাৰ্তাৰ সম্পাদক নৰেশ কলিতা, টাইমছ অব ইণ্ডিয়াৰ উত্তৰ-পূৰ্বাঞ্চলৰ চীফ অব ব্যুৰ' প্ৰবীণ কলিতাই ৰাজ্য চৰকাৰে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু এই জটিল সময়ছোৱাত কিদৰে আগবাঢ়ি যাব লাগিব তাৰ পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত স্বাস্থ্য, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী ফণীভূষণ চৌধুৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

যোৱা ১ মে'ৰ দিনা মুখ্যমন্ত্ৰী সোণোৱালৰ সৈতে অসম চাহ মজদুৰ সংঘৰ এখন বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীৰ লক্ষ্মীনগৰস্থিত বাসভৱনত অনুষ্ঠিত এই বৈঠকত ক'ভিড-১৯ ৰ ফলত চাহ উদ্যোগলৈ আহি পৰা প্ৰত্যাহ্বান আৰু এই সম্পৰ্কত লোৱা ব্যৱস্থাৱলী সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। এই বৈঠকত বিধায়ক প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰ, সাধাৰণ সম্পাদক ৰূপেশ গোৱালা, উপ-সভাপতি নবীন কেওট প্ৰমুখ্যে সংঘৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

কৰ'না ভাইৰাছ সংক্ৰমণে সৃষ্টি কৰা প্ৰতিকূল সময়তো অসমৰ শৈক্ষিক দিশটো যাতে থমকি নৰয় তাৰ বাবে ভৱিষ্যতৰ ৰূপৰেখা প্ৰস্তুতিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলৰ পৰা দিহা-পৰামৰ্শ গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে যোৱা ৩ মে'ত অডিঅ' কনফাৰেন্সযোগে ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহৰ অধ্যাপক আৰু সহযোগী অধ্যাপকসকলৰ সৈতে মত বিনিময় কৰে। এই অডিঅ' কনফাৰেন্সত ৰাজ্যৰ ১১খন বিশ্ববিদ্যালয়ৰ ২৬৪৫ গৰাকী অধ্যাপক আৰু সহযোগী অধ্যাপকে অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে যোৱা ৫ মে'ৰ দিনা ৰাজ্যখনৰ আটাইকেইখন



জিলাৰে চেম্বাৰ্চ অব কমাৰ্চৰ সভাপতিসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে মত বিনিময় কৰি লক-ডাউনৰ সময়ছোৱাত তেওঁলোকে সন্মুখীন হোৱা অসুবিধাৰ বুজ লোৱাৰ লগতে বিভিন্ন বিষয়ে আলোচনা কৰে। অসম চেম্বাৰ্চ অব কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামীয়ে আঁত ধৰা এই ভিডিঅ' কনফাৰেন্সযোগে মত বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া আৰু অসম চেম্বাৰ্চ অব কমাৰ্চৰ সভাপতি সঞ্জীৱ নাৰায়ণো উপস্থিত থাকে।

মুখ্যমন্ত্ৰী সোণোৱালে যোৱা ২৬ এপ্ৰিলত গুৱাহাটীৰ হাতীগাঁৱত থকা মাদাৰ বৃদ্ধাৱাস আৰু জালুকবাৰীত থকা ৰাজ্যিক নাৰীগৃহ পৰিদৰ্শন কৰি দুয়োটা গৃহতে থকা আৱাসীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ স্বাস্থ্যৰ লগতে বিভিন্ন বিষয়ৰ বুজ লয়। ৰাজ্যিক নাৰীগৃহৰ পৰা ওভতাৰ বাটতে মুখ্যমন্ত্ৰী সোণোৱালে অসম শিশু কল্যাণ সদনত আশ্ৰয় লৈ থকা শিশু আৱাসীসকলৰ লগতো মত বিনিময় কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত সমাজ কল্যাণ মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম আৰু মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীও উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে যোৱা ৭ এপ্ৰিলত বিৰোধী দলপতি দেবব্ৰত শইকীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰীসকল ক্ৰমে তৰুণ গগৈ, ভূমিধৰ বৰ্মন আৰু প্ৰফুল্ল কুমাৰ মহন্ত, এ আই ইউ ডি এফ বিধায়িনী দলৰ নেতা হাফিজ বচিৰ আহমেদ (কাছিমী), প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ক্ৰমে বিজয়া চক্ৰৱৰ্তী, কবীন্দ্ৰ পুৰকায়স্থ, ৰাজেন গোহাঁই আৰু পৱন সিং ঘাটোৱাৰৰ লগতে অসম ৰাজ্যিক জ্যেষ্ঠ নাগৰিক পৰিষদৰ অধ্যক্ষ হৰেকৃষ্ণ ভৰালী আৰু সদৌ অসম মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণ লহকৰৰ সৈতে অসমৰ সাম্প্ৰতিক পৰিস্থিতি আৰু কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত টেলিফোনযোগে বাৰ্তালাপ কৰে।

মুখ্যমন্ত্ৰীয়ে যোৱা ২৬ এপ্ৰিলত টেলিফোনযোগে ৰাজ্যখনৰ কেইবাগৰাকী প্ৰতিষ্ঠিত তথা জ্যেষ্ঠ শিল্পী, অভিনেতা, কলা-কুশলী, ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজকৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি কুশল-মংগল কামনা কৰে। মুখ্যমন্ত্ৰীয়ে নৃত্যাচাৰ্য যতীন গোস্বামী, প্ৰখ্যাত সংগীতজ্ঞ আৰু বাঁহীবাদক প্ৰভাত শৰ্মা, লোকগীতৰ শিল্পী ধনদা পাঠক, প্ৰখ্যাত কণ্ঠশিল্পী পুলক বেনাৰ্জী, বিখ্যাত সংগীত পৰিচালক ভূপেন উজীৰ, প্ৰখ্যাত কণ্ঠশিল্পী নমিতা ভট্টাচাৰ্য, মনীষা হাজৰিকা, মালবিকা বৰা, কুল বৰুৱা, বিশিষ্ট সংগীত পৰিচালক ৰমেন চৌধুৰী, অভিনেত্ৰী বীণা বাৰুৱতী, বিশিষ্ট কণ্ঠশিল্পী অনিমা চৌধুৰী, সন্ধ্যা মেনন, জেষ্ঠ সংগীত শিল্পী সুদক্ষিণা শৰ্মা, অৰ্চনা মহন্ত, মনজ্যোৎস্না গোস্বামী, সংগীতা কাকতি, তৰালী শৰ্মা, পাহাৰী দাস, ৰাজেন গোহাঁই, শ্বাস্বতী ফুকন, বিশিষ্ট প্ৰযোজক অশোক বিষয়া, ৰাজশ্ৰী ফুকন, বিশিষ্ট শব্দ অভিযন্তা ধ্ৰুৱজ্যোতি ফুকন, বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাস, মৃদুলা বৰুৱা, পূৰ্ণিমা শইকীয়া পাঠক, বিদ্যা ৰাও, মঞ্জু বৰা, মলয়া গোস্বামী, কাশ্মীৰী শইকীয়া, চেতনা দাস, মঞ্জুলা বৰুৱা, ৰেবা ফুকন, হীৰা নেওগ, বিশিষ্ট অভিনেতা নিপন

গোস্বামী, বিষ্ণু খাৰঘৰীয়া, অতুল পাচনী, জয়ন্ত ভাগৱতী, সিদ্ধাৰ্থ শৰ্মা, দাৰা আহমেদ, প্ৰাঞ্জল শইকীয়া, চম্পক শৰ্মা, হীৰেন গোহাঁই, জয়ন্ত দাস, অবিনাশ শৰ্মা, ভ্ৰাম্যমাণ থিয়েটাৰৰ বিশিষ্ট প্ৰযোজক কৃষ্ণ ৰয়, সংগীত শিল্পী দশৰথ দাস, চৈয়দ ছাদুল্লা, ভৰেশ গোস্বামীসহ সৰ্বমুঠ ৫২ গৰাকী শিল্পীৰ সৈতে মত বিনিময় কৰে।

ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত যোৱা ২৫ এপ্ৰিলত ৰাজ্যৰ কেইবাগৰাকীও উদীয়মান খেলুৱৈ আৰু অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াৰ সৈতে মত বিনিময় কৰে মুখ্যমন্ত্ৰী সোণোৱালে। এই বাৰ্তালাপৰ সময়ত অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক তথা ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈ, অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াসকল, খেলুৱৈসকল ক্ৰমে শিৱাংগী শৰ্মা, তনয়া চৌধুৰী, উপাসা তালুকদাৰ, কেম্পি বড়ো, জ্যোতিৰ্মান বৰা, আয়ন ৰছিদ, প্ৰজ্ঞান মেধি আদি উপস্থিত থাকে।

মুখ্যমন্ত্ৰী সোণোৱালে যোৱা ২০ এপ্ৰিলত ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাৰ সভাকক্ষত ৰাজ্যখনৰ কেইবাগৰাকী প্ৰগতিশীল কৃষক, দুগ্ধপাম আৰু সমবায়ৰ লগত জড়িত ব্যক্তি, গাহৰিপালনৰ লগত জড়িত ব্যক্তি আৰু কৃষি তথা ইয়াৰ আনুষংগিক খণ্ডৰ লগত জড়িত উদ্ভাৱকৰ সৈতে মত বিনিময় কৰে। এই বৈঠকত সীতাজখলা দুগ্ধ সমবায় সমিতি লিমিটেডৰ অধ্যক্ষ ৰাজীৱ শৰ্মা, উপাধ্যক্ষ পুষ্পধৰ দাস, পৰিচালন সঞ্চালক অমিয় কুমাৰ দাস, বিপণন উপদেষ্টা সত্যেন মহন্ত, দুগ্ধপালক তথা মৰিগাঁৱৰ শৰ্মা দুগ্ধপামৰ ড° মনজিত শৰ্মা, প্ৰগতিশীল কৃষক বিকাশ ভৰালী, ভূমি বিজ্ঞানী তথা কৃষি উদ্যোগী ড° ভাস্কৰ শৰ্মা, অৰ্গেনিক ফাৰ্মাৰ নিলম দত্ত, বজালী দুগ্ধ উৎপাদন সমবায় সমিতিৰ সভাপতি শ্ৰীপদ চৌধুৰী, কনচালটেণ্ট ছাইণ্টিছ আৰু এপিডেম'লজিষ্ট ভগত লাল দত্ত, প্ৰগতিশীল বিনেশ্বৰ বাগলাৰী, উদ্যোগী মনোজ কুমাৰ বসুমতাৰী উপস্থিত থাকে।

বিশিষ্ট লোক-সংস্কৃতিৰ সাধক ড° বীৰেন্দ্ৰ নাথ দত্ত, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান নিশিনাথ চাংকাকতি, বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড° কুলেন্দু পাঠক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ভৰেন ডেকা, সাহিত্যিক ড° বিমল ফুকন, বিশিষ্ট শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰী, প্ৰাক্তন ডি আই জি হিৰণ্য ভট্টাচাৰ্য প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে যোৱা ১৯ এপ্ৰিলত টেলিফোনযোগে মুখ্যমন্ত্ৰীয়ে বাৰ্তালাপ কৰে।

মুখ্যমন্ত্ৰীয়ে একেদিনাই বিশিষ্ট শিল্পী জুবিন গাৰ্গ আৰু অংগৰাগ মহন্ত (পাপন)ৰ সৈতেও টেলিফোনযোগে বাৰ্তালাপ কৰে আৰু তেওঁলোকৰ সু-স্বাস্থ্য কামনা কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে যোৱা ১৭ এপ্ৰিলত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকল ক্ৰমে হোমেন বৰগোহাঞি, ড° নগেন শইকীয়া, ৰংবং তেৰাং আৰু ইমৰান শ্বাহ, বড়ো সাহিত্য সভাৰ সম্পাদক কমলাকান্ত মুছাহাৰী, বিশিষ্ট সাংবাদিক ধীৰেন চক্ৰৱৰ্তী, নিত্য বৰা, প্ৰফুল্ল গোবিন্দ বৰুৱা, হাইদৰ হুছেইন, বিশিষ্ট সাহিত্যিক অৰুণ গোস্বামী, পদ্মশ্ৰী এলি আহমেদ, বন্দিতা ফুকন, দেৱীপ্ৰসাদ বাগোড়িয়া, গীতা উপাধ্যায়, প্ৰহ্লাদ তাছা, আত্মাৰাম কুমাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, অধ্যাপক মৃণাল মিৰি, ভৱপ্ৰসাদ চলিহা, ড° উপেন ৰাভা হাকাছাম, ৰঞ্জিত নাৰায়ণ ডেকা, প্ৰাক্তন বিধায়ক অজয় দত্ত, বিশিষ্ট ব্যক্তিসকল ক্ৰমে ড° যোগেন্দ্ৰ নাথ ফুকন, পদাৰ্থ বিজ্ঞানী ড° জয়ন্তী চুতীয়া, প্ৰকৃতিবিদ যাদৱ পায়েং, সুভেন্দু শেখৰ দত্ত, ড° গিৰিধাৰী কৰ, ড° অজিত ভট্টাচাৰ্য, আতিন দাস, সঞ্জীৱ দেৱ লস্কৰ, ড° শান্তি সিংহ, দুলাল মিত্ৰ, জলদ বৰণ দেৱ লস্কৰ, ড° সৃষ্টিধৰ দত্ত, শ্ৰীকুমাৰ দহোটীয়া, চন্দ সেনাপতি, হবিবুৰ ৰহমান চৌধুৰী, ৰাধিকা ৰঞ্জন চক্ৰৱৰ্তী, বসন্ত ডেকা, অৰুনী ভাগৱতী, কমল নয়ন চৌধুৰী, নিলয় দত্ত, কমল আগৰৱালা, গৌতম উজীৰ, অনিল কুমাৰ ভট্টাচাৰ্য, প্ৰণৱ পাঠক, তৰেন বড়ো, আব্দুল খায়েৰ মৌলানাস, নিতিশ ভট্টাচাৰ্য, বাৰ এছ'চিয়েচনৰ সভাপতি সুৰেশ শৰ্মা।

২৯ এপ্ৰিলৰ দিনাও মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ আন কেইগৰাকীমান বিশিষ্ট ব্যক্তি ক্ৰমে অসীম কুমাৰ দত্ত, ডাঃ উমেশ চক্ৰৱৰ্তী, উলহাস কুলকাৰ্নী, বশিষ্ঠ বুজৰবৰুৱা, গৌৰীশংকৰ চক্ৰৱৰ্তী, মাণিক চন্দ্ৰ দাস, নন্দলাল নাথ, ৰাজু মল্লিক, হৰি মুন্ধা, সঞ্জয় কুমাৰ দেৱ, মনোৰঞ্জন প্ৰধান, হেমন্ত ধিং মজুমদাৰ, ভৰেন





শইকীয়া, সুনীতা হালদেকৰ, সুৰেন্দ্ৰ তালখেদকৰ আৰু ভৰত কুমাৰৰ সৈতেও মত বিনিময় কৰে।

মুখ্যমন্ত্ৰীয়ে যোৱা ২৮ এপ্ৰিলৰ দিনা টেলিফোনযোগে ৰাজ্যখনৰ কেইবাগৰাকীও প্ৰতিষ্ঠিত শিল্পী, অভিনেতা, কলা-কুশলী, সংগীতজ্ঞ ক্ৰমে তপন দাস, পূৰবী শৰ্মা, ভৰেশ বৰুৱা, অঞ্জলি ছেত্ৰী, হেমন্ত দত্ত, চন্দ্ৰ মুদৈ, জয়া শীল, চম্পক শৰ্মা, শম্ভু গুপ্তা, কণ্ঠশিল্পী দ্বীপেন বৰুৱা, জে পি দাস, দেৱজিৎ চাহা, দেৱজিৎ চাংমাই, সংগীত পৰিচালক ৰমেন বৰুৱা, অভিনেতা অমৃত প্ৰীতম, জিতু গোস্বামীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

৪ মে'ৰ দিনা ৰাজ্যখনৰ সামাজিক উন্নয়ন, জনজাতি উন্নয়ন, যুৱ কল্যাণ, মহিলা সবলীকৰণ, সমবায় খণ্ডৰ উন্নয়ন, আৰু আন্তৰাজ্যিক সীমান্তত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা অগ্ৰণী ব্যক্তি ক্ৰমে ডাঃ মালতী বৰুৱা, শশীকান্ত চৌথাইৱালে, শংকৰ দাস কলিতা, নিৰ্মলেন্দু দে', ভূপেশ শৰ্মা, পুৰন্দৰ বৰুৱা, খগেন শইকীয়া, যোগেশ শাস্ত্ৰী, শ্ৰীশ্ৰী কৃষ্ণ ভীড়ে, সন্দীপ কবিশ্বৰ, ব্ৰহ্মাজী ৰাও, পৱন তিৱাৰী, ড° নিৰ্মল বৰুৱা, কুলেন্দ্ৰ কুমাৰ ভাগৱতী, নীৰৱ ঘেলানী, গণেশ কুণ্ডে, প্ৰদীপ কুমাৰ, পি সূৰ্যনাৰায়ণ, ৰমেন শৰ্মা, বিপুল ডেকা, মৃণাল লস্কৰ, সুৰেন্দ্ৰ নাথ কলিতা, ভৰেন সিং বসুমতাৰী আৰু যোগেশ্বৰ গোস্বামীৰ সৈতে মুখ্যমন্ত্ৰীয়ে টেলিফোনযোগে বাৰ্তালাপ কৰে।

মুখ্যমন্ত্ৰীয়ে যোৱা ১০ মে'ত ৰাজ্যখনৰ কেইবাগৰাকী জ্যেষ্ঠ তথা বিশিষ্ট ব্যক্তি, ক্ৰীড়া সংগঠক, সমাজ সংগঠক, সাংবাদিক ক্ৰমে বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ নাতি জগদীন্দ্ৰ ৰায়চৌধুৰী, পাণ্ডু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ভৱানী প্ৰসাদ অধিকাৰী, প্ৰাক্তন সাংসদ ডাঃ অৰুণ শৰ্মা, গুৱাহাটী প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক নৱ ঠাকুৰীয়া, জ্যেষ্ঠ সাংবাদিক ৰূপম বৰুৱা, ভাৰতীয় বৈদেশিক সেৱাৰ প্ৰাক্তন বিষয়া তথা উত্তৰ কোৰিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰদূত বিনন্দ কুমাৰ গগৈ, বিশিষ্ট ব্যৱসায়ী কৃষ্ণ কুমাৰ গোৱেংকা, বিশিষ্ট ক্ৰীড়া সংগঠক মনোজ মহান্তি, সমাজ সংগঠক গৌৰাংগ ৰয়, দিলীপ বসু, স্বপ্নীল মধুকৰৰ সৈতেও টেলিফোনযোগে বাৰ্তালাপ কৰে।

মুখ্যমন্ত্ৰীয়ে যোৱা ১১ মে'ৰ দিনা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডাঃ মুনীন্দ্ৰ মোহন ডেকা, সামাজিক সংগঠনৰ নেতৃস্থানীয় ব্যক্তি দীনেশ তিৱাৰী, পল্লৱ পৰাশৰ, জ্যোৎস্নাময় চক্ৰৱৰ্তী, পূৰ্ণ চন্দ্ৰ মণ্ডল, ইতিহাস চৰ্চাত জড়িত ভৱৰঞ্জন ৰায়, সংস্কৃত সাহিত্যৰ চৰ্চাত অগ্ৰণী কুমুদ বৰঠাকুৰ, বিভিন্ন ক্ষেত্ৰত কাম কৰা মজদুৰসকলৰ মাজত জনচেতনা জাগ্ৰত কৰা দীপ্তি বৰা শইকীয়া, নৱ কুমাৰ গগৈ, মহিলা সমাজৰ মাজত সজাগতা আনিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰখা ডাঃ পুনি দেৱী, সমাজ সংস্কাৰৰ বিভিন্ন কামত জড়িত অশোক তিৱাৰী, কৃষক সমাজৰ মাজত সামাজিক সচেতনতা বৃদ্ধিৰ বাবে কৰ্মৰত কুৰুশৰ তিমুং, ৰাজীৱ জয়চোৱাল, কৃষ্ণকান্ত বৰা আৰু উদ্যোগিক ক্ষেত্ৰৰ লগত জড়িত মনোজ লুনিয়াৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। □□

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা




# পাঁচখন জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

'কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান হৈছে ৰাজ্যখনৰ গৌৰৱ। ৰাষ্ট্ৰীয় উদ্যানখনত সংঘটিত যিকোনো ঘটনাই সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে। সেয়েহে ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণীসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাঁতিকাষৰীয়া জিলাকেইখনৰ প্ৰশাসনৰ লগতে বন বিভাগে এক হৈ যৌথ সহযোগিতাৰে কাম কৰিব লাগিব।' আগন্তুক বাৰিষাৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰা আৰু চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমান্তৱৰ্তী গোলাঘাট, নগাঁও, শোণিতপুৰ, বিশ্বনাথ আৰু কাৰ্বি আলং জিলা প্ৰশাসন আৰু বন বিভাগৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ বাবে যোৱা ১২ মে'ত কাজিৰঙাত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। আনহাতে কিছুদিন পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত এটা গঁড় চোৰাং চিকাৰীৰ হাতত নিহত হোৱা বিষয়টো উত্থাপন কৰি শীঘ্ৰে চোৰাং চিকাৰীক কৰায়ত্ত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰী সোণোৱালে আৰক্ষী আৰু বন বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ বাবে ৰাজ্যত গঁড় হত্যা উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। অসম চৰকাৰৰ অনুৰোধ মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা ফাষ্ট ট্ৰেক কোৰ্টে ইতিমধ্যে কেইবাটাও চোৰাং চিকাৰীক দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিছে। ইয়াৰ ফলত চোৰাং চিকাৰীসকলৰ মনতো সংশয়ৰ ভাব সৃষ্টি হৈছে। আগন্তুক সময়ছোৱাতো এই পদক্ষেপসমূহ অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ গাঁওবুঢ়া, চাহ বাগিচাৰ চৰ্দাৰ আৰু সামাজিকভাৱে সক্ৰিয় ব্যক্তিসকলক বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰচেষ্টাত জড়িত কৰি আগবাঢ়িবলৈ মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিয়ে।

বন্যপ্ৰাণীসমূহৰ স্বাস্থ্য যতনৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই দিশত অধিক সুবিধা হোৱাকৈ পশুপালন বিভাগৰ চিকিৎসক আৰু কৰ্মচাৰীৰ লগতে বন বিভাগৰ কৰ্মচাৰীক উপযুক্ত প্ৰশিক্ষণেৰে কৌশলী কৰি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বন বিভাগৰ অন্তৰ্গত খালী হৈ থকা সকলো পদ শীঘ্ৰে পূৰণৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বন বিভাগে বন্যপ্ৰাণী সুৰক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সম্পৰ্কে জনসাধাৰণ যাতে অৱগত হয় তাৰ

বাবে বিভাগটোৱে কাৰ্যব্যৱস্থা হাতত ল'ব লাগিব। বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনত গঢ়ি তোলা ৩৩ টা হাইলেণ্ডে জীৱ-জন্তু সমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত কেনে ভূমিকা গ্ৰহণ কৰিছে তথা বানৰ সময়ছোৱাত এই হাইলেণ্ডসমূহত কিমান সংখ্যক জীৱ-জন্তুৱে আশ্ৰয় লৈছে সেই দিশত জৰীপ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে পদক্ষেপ ল'বলৈ কয়। তদুপৰি বান ৰ সময়ত ৰাষ্ট্ৰীয় উদ্যানখনৰ হাইলেণ্ডত আৱদ্ধ হৈ থকা বন্যপ্ৰাণীসমূহক প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগানৰ নিশ্চিত পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ৰাজ্যখনত দেখা দিয়া আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ পোহনীয়া গাহৰি যাতে বনৰীয়া গাহৰিৰ সংমিশ্ৰণলৈ আহিব নোৱাৰে তথা পোহনীয়া গাহৰিসমূহৰ চলাচল যাতে নিয়ন্ত্ৰিত হয় তাৰ বাবে পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে আটাইকেইখন জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই দিশত ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া গাঁওসমূহত সজাগতা সভা অনুষ্ঠিত কৰি ৰাইজক সচেতন কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে জোৰ দিয়ে।

কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলস্বৰূপে পৰ্যটন খণ্ডটো ব্যাপক লোকচানৰ সন্মুখীন হোৱা প্ৰসংগ উত্থাপন কৰি এই খণ্ডৰ সৈতে জড়িত ব্যক্তিসকলক সকাহ দিয়াৰ বাবে সুপৰিকল্পিত প্ৰচেষ্টাৰে আগবাঢ়িবলৈও মুখ্যমন্ত্ৰী সোণোৱালে কয়। তদুপৰি লক ডাউনৰ ফলস্বৰূপে অভয়াৰণ্যখনৰ সৈতে জড়িত জীপ আৰু হাতী চাফাৰীৰ অপাৰেটৰসকলে সন্মুখীন হোৱা লোকচানৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে কাজিৰঙা ফাউণ্ডেচনে প্ৰদান কৰা আৰ্থিক সাহায্য তেওঁলোকৰ মাজত বিতৰণ কৰে। তদুপৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰতিটো ৰেঞ্জলৈ যোগান ধৰা থাৰ্মেল স্কেনাৰ আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালকৰ হাতত প্ৰদান কৰে।

এই বৈঠকত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱ কুমাৰে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে বিগত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনত তিনিটা গঁড় নিধন হোৱাৰ বিপৰীতে চলিত বৰ্ষত এটা গঁড় চোৰাং চিকাৰীৰ হাতত নিধন হৈছে। আগন্তুক বানৰ সময়ছোৱাত বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৩০০খন নাও, ১৮খন স্পীড বোট আৰু ভাসমান কেম্প সাজু কৰি তোলা হৈছে। তদুপৰি ৰাষ্ট্ৰীয় উদ্যানখনত অতিৰিক্ত হাইলেণ্ড নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ইতিমধ্যে প্ৰস্তাৱ দাখিল কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰেও বিষয়টো ইতিবাচক দৃষ্টি ভংগীৰে বিবেচনা কৰিছে। এই বৈঠকত বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, কৃষি মন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক বিমল বৰা আৰু অশোক শৰ্মা, গোলাঘাট, নগাঁও, শোণিতপুৰ, বিশ্বনাথ আৰু কাৰ্বি আংলং জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন সংমণ্ডল বিষয়াসকলৰ লগতে বন বিভাগৰ মুখ্য বন সংৰক্ষককে ধৰি আৰক্ষী আৰু অসামৰিক প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ❏❏



## ৰাজ্যৰ অৰ্থনীতিৰ বিশ্লেষণাত্মক তথ্যৰে সমৃদ্ধ প্ৰতিবেদন মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰিলে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগে



# ৰাজ্যৰ অৰ্থনীতি পুনৰুজ্জীৱিতকৰণৰ দিশত দিক্ নিৰ্দেশনা প্ৰদান কৰিব এই প্ৰতিবেদনে

ক'ভিড-১৯ ৰ ফলত সমগ্ৰ দেশজুৰি ঘোষণা কৰা লক ডাউনৰ ফলত দুৰ্বল হৈ পৰা ৰাজ্যখনৰ অৰ্থনীতি পুনৰ নিৰ্মাণৰ বাবে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগে ইয়াৰ চাৰিটা খণ্ডৰ প্ৰভাৱৰ বিশ্লেষণাত্মক অধ্যয়ন আৰু কৰ্মসূচীসম্বলিত এক প্ৰতিবেদন যোৱা ২৬ মে'ত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰে। ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগে প্ৰস্তুত কৰা এই প্ৰতিবেদনত অমিয় কুমাৰ দাস ইনষ্টিটিউট অফ ছ'চিয়েল চেঞ্জৰ সহযোগত অৰ্থনীতিৰ খচৰা প্ৰতিবেদন, কে পি এম জি ইন্টাৰনেচনল কনচালটেন্সী ছাৰ্ভিচেছ অৰ্গেনাইজেচনৰ সহযোগত অসমৰ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ ওপৰত প্ৰস্তুত কৰা প্ৰতিবেদন, আৰ্নষ্ট এণ্ড ইয়ঙৰ সহযোগত অসমৰ চাহ উদ্যোগৰ ওপৰত প্ৰতিবেদন আৰু অসম চেম্বাৰ্চ অব কমাৰ্চ, কনফেডাৰেচন অব ইণ্ডিয়ান ইণ্ডাষ্ট্ৰী, ফেডাৰেচন অব ইণ্ডিয়ান চেম্বাৰ্চ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰী, ফেডাৰেচন অফ ইণ্ডাষ্ট্ৰী এণ্ড কমাৰ্চ অফ নৰ্থ ইষ্টাৰ্ণ ৰিজন তথা ইণ্ডিয়ান চেম্বাৰ্চ অব কমাৰ্চৰ সহযোগত অসমৰ উদ্যোগ আৰু বাণিজ্যৰ ওপৰত প্ৰস্তুত কৰা প্ৰতিবেদন সামৰি লোৱা হৈছে। এই বৈঠকতে উত্তৰ-পূব চাহ সংস্থাৰ উপদেষ্টা বিদ্যানন্দ বৰকাকতীয়ে 'টী ঃ এ অ'ণ্ডাৰ ড্ৰিংক ফৰ হেলথ্ এণ্ড ৱেলনেছ' শীৰ্ষক এক গ্ৰন্থও মুখ্যমন্ত্ৰী সোণোৱালৰ হাতত অৰ্পণ কৰে। এই গ্ৰন্থখনত চাহৰ স্বাস্থ্যসন্মত বিষয়সমূহৰ বিজ্ঞানসন্মত বিশ্লেষণ সামৰি লোৱা হৈছে। গ্ৰন্থখনত চাহৰ সৰ্বমুঠ ৩০ টা স্বাস্থ্যৰ বাবে উপকাৰী দিশ সামৰি লোৱা হৈছে। বৈঠকত ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগে প্ৰস্তুত কৰা প্ৰতিবেদনৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিবেদনে ৰাজ্যৰ অৰ্থনীতি পুনৰুজ্জীৱিতকৰণৰ দিশত দিক্ নিৰ্দেশনা প্ৰদান কৰিব। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে লক ডাউনৰ ফলত যদিও ৰাজ্যখনৰ বিভিন্ন খণ্ডৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হৈছে, তৎসত্ত্বেও ৰাজ্যৰ অৰ্থনীতি পুনৰ নিৰ্মাণৰ দিশত এতিয়াও বহু সংখ্যক খণ্ডই বিশেষ সম্ভাৱনীয়তা বহন কৰিছে। প্ৰধানমন্ত্ৰীয়ে দেশৰ অৰ্থনীতি শক্তিশালী কৰাৰ বাবে অলপতে ঘোষণা কৰা ২০ লাখ কোটি টকাৰ পেকেজৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগক ৰাজ্যৰ বিত্ত বিভাগৰ সৈতে সম্পূৰ্ণ সহযোগিতাৰে এই দিশত কাম কৰাৰ বাবে আহ্বান

# ক'ভিড-১৯ আৰু শেহতীয়া বান পৰিস্থিতিৰ বিষয়ে ৰাজ্যপালৰ সৈতে আলোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৭ মে'ত ৰাজ্যপাল অধ্যাপক জগদীশ মুখীক ৰাজভৱনত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। সাক্ষাৎ কালত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সাম্প্ৰতিক ক'ভিড-১৯ ৰ পৰিস্থিতি তথা ৰাজ্য চৰকাৰে এই পৰিস্থিতি নিয়ন্ত্ৰণৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহ ৰাজ্যপালক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে যে যদিও সম্প্ৰতি ক'ভিড-১৯ ৰ সংক্ৰমণ বৃদ্ধি পাইছে, ৰাজ্য চৰকাৰে যথাযথ কোৱাৰেণ্টিন আৰু আইচ'লেটেড ৱাৰ্ডৰ সা-সুবিধা বৃদ্ধিৰে এই পৰিস্থিতিৰ সৈতে ভালদৰে মোকাবিলা কৰি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ দিশত প্ৰয়োজনীয় সা-সঁজুলি ৰাজ্যখনত পৰ্যাপ্ত পৰিমাণে মজুত আছে। আলোচনা কালত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯সৃষ্ট লক্ ডাউনৰ ফলত ৰাজ্যখনৰ দুৰ্বল অৰ্থনীতি শক্তিশালী কৰাৰ বাবে লোৱা অৰ্থনৈতিক কাম-কাজসমূহৰ বিষয়েও ৰাজ্যপালক অৱগত কৰে। সম্প্ৰতি নেৰা-নেপেৰা বৰষুণৰ ফলত ৰাজ্যখনৰ ৭খনকৈ জিলা বানত আক্ৰান্ত হোৱা বিষয়টোও মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে। ৰাজ্যখনৰ জিলাসমূহৰ উপায়ুক্তসকলক বানপীড়িত জনসাধাৰণৰ উদ্ধাৰ অভিযান তথা প্ৰয়োজনীয় সাহায্য প্ৰদানৰ দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণৰ বাবে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক উপকৃত কৰিব পৰাকৈ চৰকাৰে ৰূপায়ণ কৰি থকা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ বিষয়েও ৰাজ্যপালক অৱগত কৰে। ❏❏

জনায় যাতে এই পেকেজৰ পৰা ৰাজ্যৰ অৰ্থনীতিত চমকপ্ৰদ ফলাফল লাভ কৰিব পৰা যায়। ৰাজ্যখনৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহলৈ বেংকৰ লোন অনুমোদন আৰু প্ৰদানৰ বিষয়টো ত্বৰান্বিত কৰাৰ দিশত বেংকসমূহক দায়বদ্ধ কৰাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি মুখ্যমন্ত্ৰীয়ে এই দিশত এক সুনিৰ্দিষ্ট পদ্ধতি গ্ৰহণৰ বাবে বেংকসমূহৰ সৈতে এক বৈঠক অনুষ্ঠিত কৰাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰখনৰ উত্থানৰ বাবে চাহ উদ্যোগে বৃহৎ অনুঘটকৰ ভূমিকা পালন কৰাৰ সম্ভাৱনীয়তাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তেওঁক প্ৰদান কৰা গ্ৰন্থখন প্ৰকাশৰ দিশত লোৱা উদ্যোগৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সৰ্বসাধাৰণ ৰাইজেও চাহৰ স্বাস্থ্যসন্মত তথা ঔষধি গুণৰ বিষয়ে জ্ঞাত হোৱাৰ দিশত এই গ্ৰন্থখনে সহায় কৰিব। ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ উপাধ্যক্ষ দীপক কুমাৰ বৰঠাকুৰে বৈঠকৰ আদৰণী ভাষণ প্ৰদান কৰি কয় যে ক'ভিড-১৯ অতিমাৰীৰ পৰিপ্ৰেক্ষিতত প্ৰস্তুত কৰা এই প্ৰতিবেদনসমূহে ৰাজ্য চৰকাৰক সংশ্লিষ্ট খণ্ডসমূহৰ অৰ্থনৈতিক উত্থানৰ ক্ষেত্ৰত ইতিবাচক সিদ্ধান্ত লোৱাৰ দিশত বিশেষভাৱে সহায় কৰিব। বৈঠকত ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া নীতিন খাৰে এই প্ৰতিবেদনৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেণ্টেচন প্ৰদান কৰে। বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ উপদেষ্টা ক্ৰমে ড° মৃদুল হাজৰিকা আৰু ড° কে এম বুজৰবৰুৱা, উত্তৰ-পূব চাহ সন্থাৰ উপদেষ্টা বিদ্যানন্দ বৰকাকতী, অমিয় কুমাৰ দাস ইনষ্টিটিউট অব ছ'চিয়েল চেঞ্জ এণ্ড ডেভেলপমেণ্টৰ কল্যাণ দাসকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ❏❏

# বাঘজানৰ তৈলখাদৰ অগ্নিকাণ্ড সন্দৰ্ভত তদন্ত ঘোষণা



তিনিচুকীয়াৰ বাঘজানত থকা অইল ইণ্ডিয়া লিমিটেডৰ তৈল খাদত সংঘটিত ধন-জনৰ বিস্তৰ ক্ষতি হোৱা ঘটনাটোৱে সকলোকে উদ্বিগ্ন কৰি ৰাখিছে। ঘটনাটোক ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰেও গুৰুত্বসহকাৰে লৈছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশ মৰ্মে ইতিমধ্যে যোৱা ১০ জুনত উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ বাবে ক্ষতিগ্ৰস্ত এলেকাটোত উপস্থিত হয় আৰু বিভিন্ন বিষয়ববীয়া তথা সাধাৰণ লোকৰ সৈতেও আলোচনাত মিলিত হয়। উদ্যোগমন্ত্ৰী পাটোৱাৰীয়ে তিনিচুকীয়া জিলা প্ৰশাসন, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য ব্যৱস্থাপক সঞ্চালক তথা অন্যান্য শীৰ্ষ বিষয়াসকল, তৈলক্ষেত্ৰৰ বিশেষজ্ঞসকল আৰু সদৌ অসম মৰাণ ছাত্ৰ সন্থা, সদৌ অসম মটক ছাত্ৰ সন্থা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, সদৌ আদিবাসী ছাত্ৰ সন্থা আদি সংগঠনৰ সৈতে চলোৱা আলোচনালানিত বাঘজান তৈলখাদৰ অগ্নিকাণ্ড আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা পৰিস্থিতি নিয়ন্ত্ৰণৰ সন্দৰ্ভত আলোচনা চলায়। এই আলোচনাতে অসম চৰকাৰ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ফালৰ পৰা বাঘজান অঞ্চলৰ ক্ষতিগ্ৰস্ত লোকসকলক সহায় আৰু শুশ্ৰূষা কৰাৰ বাবে যথাসম্ভৱ সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে আৰু সিদ্ধান্ত লোৱা হয় যে জিলাখনৰ উপায়ুক্তই এই দুৰ্ঘটনাৰ ফলত হোৱা সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ মূল্যাংকন কৰিব আৰু সেই মৰ্মে অইল ইণ্ডিয়া লিমিটেড আৰু অসম চৰকাৰে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব। এই বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন উদ্যোগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰামেশ্বৰ তেলী আৰু চাবুৱাৰ বিধায়ক বিনোদ হাজৰিকাও উপস্থিত থাকে। উদ্যোগ মন্ত্ৰী পাটোৱাৰীয়ে পিছদিনা ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে স্থাপন কৰা সাহায্য শিবিৰসমূহো পৰিদৰ্শন কৰে। তদুপৰি তিনিচুকীয়া জিলাৰ বাঘজানৰ এই অগ্নিকাণ্ডৰ ঘটনাটোৰ তদন্ত ঘোষণা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিঙক এই তদন্তৰ দায়িত্ব অৰ্পণ কৰি ১৫ দিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰীয়ে। আনহাতে, মুখ্যমন্ত্ৰীয়ে বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এম কে যাদৱক এই অগ্নিকাণ্ডৰ ফলত অঞ্চলটোৰ সামগ্ৰিক পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা প্ৰভাৱৰ পুংখানুপুংখ অধ্যয়ন কৰি শীঘ্ৰেই ইয়াৰ প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিছে। বন বিষয়াগৰাকীক এই অগ্নিকাণ্ডৰ ফলত নিকটৱৰ্তী অঞ্চলসমূহৰ জীৱকুল, উদ্ভিদকুল, পক্ষীকুল আৰু জলাশয়ত থকা জলজ প্ৰাণীসমূহৰ ওপৰত পৰা প্ৰভাৱৰ বিষয়টো সামৰি লোৱাৰ বাবেও নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে এই দুৰ্ঘটনাটোৰ সন্দৰ্ভত ইতিমধ্যে প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী আৰু পেট্ৰ'লিয়াম মন্ত্ৰীৰ সৈতেও আলোচনা কৰে। বাঘজানৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয়েও। এই তদন্তৰ বাবে হাইড্ৰ'কাৰ্বন প্ৰধান সঞ্চালকালয়ৰ প্ৰধান সঞ্চালক এছ চি এল দাস, অ' এন জি চিৰ পূৰ্বৰ অধ্যক্ষদ্বয় বি চি বৰা আৰু টি কে সেনগুপ্তাক লৈ তিনিজনীয়া কমিটী এখন গঠন কৰি দিয়া হৈছে। এই কমিটীয়ে এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব লাগিব। আনহাতে, যোৱা ১১ জুনত ভাৰতীয় বণিক সভা তথা ইণ্ডিয়ান চেম্বাৰ অৱ কমাৰ্চৰ ৯৫ সংখ্যক বাৰ্ষিক সভাত ভিডিঅ' কনফাৰেন্স যোগে প্ৰদান কৰা ভাষণতো প্ৰধানমন্ত্ৰীয়ে বাঘজানৰ ভয়াবহ অগ্নিকাণ্ডৰ কথা উল্লেখ কৰে।

*স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযূষ হাজৰিকা আৰু আন নেতৃবৰ্গই ৰাজ্যৰ বিভিন্ন ঠাইত ক'ভিডসৃষ্ট পৰিস্থিতিৰ পৰ্যালোচনা আৰু চিকিৎসালয় আদি পৰিদৰ্শন কৰাৰ কেইটিমান দৃশ্য*




















সৰুসজাইৰ কোৱাৰেণ্টিন কেন্দ্ৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আলোচনা কৰা দেখা গৈছে



আত্মসহায়ক গোটৰ মাস্ক প্ৰস্তুতকৰণ কেন্দ্ৰ এটাত মুখ্যমন্ত্ৰী সোণোৱাল আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলে



চাহ বাগিচাৰ শ্ৰমিকক মাস্ক বিতৰণ কৰিছে মুখ্যমন্ত্ৰীয়ে



যোৰহাটত পৰিস্থিতিৰ বুজ লৈছে মুখ্যমন্ত্ৰী সোণোৱালে



মহানগৰীত মুখ্যমন্ত্ৰী সোণোৱাল আৰু গুৱাহাটী উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই ছেনিটাইজ কৰাৰ দৃশ্য



গোৱালপাৰাত বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



'উদ্যম অসম' কাৰ্যসূচীত মুখ্যমন্ত্ৰী সোণোৱাল আৰু উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী

# ৰাজ্যৰ ৭৬ খন পৌৰ সভালৈ স্কিড ষ্টিয়াৰ লডাৰ আৰু টিপাৰ বিতৰণৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ




'মহামানৱ মহাত্মা গান্ধীৰ স্বচ্ছ ভাৰতৰ সপোন বাস্তৱায়িত কৰি, নগৰবাসীৰ সহযোগত ৰাজ্যখনৰ প্ৰতিখন চহৰকে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি নগৰখনক নিজৰ আত্মসন্মান আৰু স্বাভিমানৰ প্ৰতীক হিচাপে গঢ়ি তোলাৰ বাবে প্ৰতিখন পৌৰসভা আৰু নগৰ সমিতিয়ে সঁচা আন্তৰিকতাৰে কাম কৰিব লাগিব' — যোৱা ১০ জুনত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নগৰ উন্নয়ন বিভাগৰ অধীনস্থ পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ সৌজন্যত ৰাজ্যৰ পৌৰসভাসমূহলৈ স্কিড ষ্টিয়াৰ লডাৰ আৰু টিপাৰ বিতৰণ উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখযোগ্য যে এই অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ সাধাৰণ এলেকাত অৱস্থিত ৭৬ খন পৌৰসভালৈ ১১৪খন স্কিড ষ্টিয়াৰ লডাৰ আৰু ১১৬ খন টিপাৰ বিতৰণৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'স্বচ্ছতা হি সেৱা' আৰু 'য'ত পৰিষ্কাৰ, ত'তেই সংস্কাৰ' মন্ত্ৰক সাৰোগত কৰি তথা স্বচ্ছ ভাৰত অভিযানক সাকাৰ ৰূপ দি অসমৰ প্ৰতিখন চহৰ-নগৰ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ ক্ষেত্ৰত ৰাজ্যৰ নগৰ উন্নয়ন বিভাগে আৰম্ভণিৰে পৰা কাম কৰি আহিছে। বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাৰ বিশেষ তৎপৰতাত অসমৰ প্ৰতিখন চহৰৰ আৱৰ্জনা পৰিষ্কাৰৰ বাবে আধুনিক আৰু বিজ্ঞানসন্মত যন্ত্ৰপাতি বিতৰণৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই পদক্ষেপৰ বাবে নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযূষ হাজৰিকা আৰু বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰি এই যন্ত্ৰসমূহ লাভ কৰা ৰাজ্যখনৰ প্ৰতিখন পৌৰসভাই জনসাধাৰণৰ সহযোগত ইয়াৰ সুপ্ৰয়োগ কৰি নিজৰ চহৰখনক এখন আদৰ্শ চহৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। চহৰৰ জনসাধাৰণে যাতে দৈনন্দিন জীৱন-যাত্ৰাৰ বাবে এক সুন্দৰ বাতাৱৰণ লাভ কৰে, সেই উদ্দেশ্যে বিতৰণ কৰা এই সামগ্ৰীসমূহ কাৰ্যক্ষম আৰু উপযুক্তভাৱে তদাৰকৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পৌৰসভাসমূহক আহ্বান জনায়। অসমৰ জনসাধাৰণে বৰ্তমান সময়ত ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত যি মনোবল আৰু শৃংখলাবদ্ধতা প্ৰদৰ্শন কৰিছে, পৰিষ্কাৰ-পৰিচ্ছন্নতাক অগ্ৰাধিকাৰ দিছে, সেই ধাৰা অব্যাহত ৰাখি নিজৰ নিজৰ অঞ্চলসমূহক পৰিচ্ছন্ন কৰি ৰখাত ৰাইজে আন্তৰিকতাৰে সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সামাজিক দূৰত্ব বৰ্তাই ৰখাৰ বাবে অনুষ্টুপীয়াকৈ আয়োজিত এই অনুষ্ঠানত ৰাজ্যৰ বিত্ত, স্বাস্থ্য, গড়কাপ্টানী ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযূষ হাজৰিকা, দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী আৰু বিধায়ক প্ৰশান্ত ফুকনকে ধৰি নগৰ উন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৌৰসভাসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# আত্মনিৰ্ভৰ ভাৰত





ড° গৌতম মজুমদাৰ

যোৱা ১২ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক'ভিড-১৯ত বিধ্বস্ত হোৱা ভাৰতীয় অৰ্থনীতিক পুনৰুজ্জীৱিত কৰাৰ মানসেৰে এটা বৃহৎ অৰ্থনৈতিক পেকেজ ঘোষণা কৰে। 'আত্মনিৰ্ভৰ ভাৰত অভিযান' নামেৰে নামকৰণ কৰা এই পেকেজৰ জৰিয়তে বৰ্তমানৰ অৰ্থনৈতিক সংকটৰ পৰিস্থিতিটোক আত্মনিৰ্ভৰশীলতা লাভৰ এটা সুযোগ হিচাপে লোৱাৰ এটা ধনাত্মক মানসিকতা প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰীয়ে। 'ভোকেল ফৰ লোকেল' শ্লোগানৰ জৰিয়তে তেওঁ ঘোষণা কৰে যে আত্মনিৰ্ভৰ ভাৰত পাঁচটা স্তম্ভৰ ওপৰত থিয় হ'ব লাগিব। সেয়া হ'ল— ১) অৰ্থনীতি, ২) আন্তঃগাঁথনি, ৩) একবিংশ শতিকাৰ কাৰিকৰী জ্ঞানেৰে পৰিচালিত ব্যৱস্থা, ৪) চাহিদা আৰু ৫) কৰ্মোপযোগী জনসম্পদ।

প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ পিছতেই বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে চাৰিটা ভাগত ভগাই প্ৰায় ২১ লাখ কোটি টকীয়া আঁচনিসমূহ ঘোষণা কৰে। এই ধনৰাশিত 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ লগতেই পূৰ্বে ঘোষণা কৰা চৰকাৰী আৰু ৰিজাৰ্ভ বেংকৰ আঁচনি কিছুমানো সন্নিবিষ্ট হৈ আছে। এই ধনৰাশি আমাৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পি) প্ৰায় ১০ শতাংশ। জিডিপিৰ অংশ হিচাপে এই পেকেজটো উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত সৰ্ববৃহৎ, কিয়নো সৰহসংখ্যক উন্নয়নশীল ৰাষ্ট্ৰই জি ডি পি ০.৫-১ শতাংশহে অৰ্থনৈতিক পেকেজত ধাৰ্য কৰিছে। আনকি এইক্ষেত্ৰত ভাৰতবৰ্ষই উন্নত ৰাষ্ট্ৰক যেনে জাপান (জি ডি পিৰ ২১ শতাংশ), মাৰ্কিন যুক্তৰাষ্ট্ৰ (জি ডি পিৰ ১৩ শতাংশ) অষ্ট্ৰেলিয়া (জি ডি পিৰ ৯.৯ শতাংশ) আৰু কানাডাৰ ( জি ডি পিৰ ৯.৮ শতাংশ) লগতো ফেৰ মাৰিব পাৰিছে। যদিও ভাৰতৰ উদ্যোগপতি আৰু অৰ্থনীতিবিদসকলৰ সঁহাৰি এইক্ষেত্ৰত মিশ্ৰিত, ৰাষ্ট্ৰসংঘৰ গোলকীয় অৰ্থনৈতিক নিৰীক্ষণ শাখাৰ মুৰব্বী হামিদ ৰছিদে ভাৰতীয় অৰ্থনৈতিক পেকেজটোক 'এটা অতি আদৰণীয় অগ্ৰগতি' বুলি মন্তব্য কৰিছে।

বিত্তমন্ত্ৰীয়ে ঘোষণা কৰা আঁচনিসমূহত আমি ৰাজকোষৰ পৰা দিয়া সহায়, মুদ্ৰাজনিত সহায়, ব্যৱসায়-বাণিজ্য সুচল কৰাৰ উপায় আৰু কিছু গুৰুত্বপূৰ্ণ





অৰ্থনৈতিক সংস্কাৰৰ মিশ্ৰণ দেখিবলৈ পাওঁ। এই আঁচনিসমূহ পৰ্যায়ক্ৰমে চাৰিভাগত ঘোষণা কৰা হয়। প্ৰথমটো ভাগত অন্তৰ্ভুক্ত হয় অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, অনাবেংকিং বিত্তীয় কোম্পানী, মাটি-সম্পত্তি, শক্তি বিতৰণ আদি। এইটো শিতানত ৰখা ধনৰ পৰিমাণ হ'ল ৫,৯৪,৫৫০ কোটি টকা। দ্বিতীয় ভাগত প্ৰব্ৰজিত শ্ৰমিক, পথৰ ব্যৱসায়ী, কিষাণ ক্ৰেডিট কাৰ্ড নথকা কৃষক, সৰু ব্যৱসায়ী, গাঁৱলীয়া বেংক আদিৰ কাৰণে যুগুতোৱা আঁচনিসমূহো আছে। ইয়াৰ বাবে প্ৰায় ৩,১০,০০০ কোটি টকা ধাৰ্য কৰা হৈছে। তৃতীয়টো ভাগত আমি দেখা পাওঁ বৃহৎ সাহায্যমূলক পেকেজ য'ত কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহ যেনে পশুপালন, মৎস্য উৎপাদন, মৌ-মাখি পালন আদিক সাঙুৰি লোৱা হৈছে। ইয়াৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল কৃষি বজাৰৰ সংস্কাৰ, কৃষিখণ্ডৰ আন্তঃগাঁথনি, ঠিকাভিত্তিক খেতি, কৃষিজাত সামগ্ৰীৰ আন্তঃৰাজ্যিক চলনশীলতা আৰু কৃষিপণ্য বিপণন কমিটীসমূহ আৰু অত্যাৱশ্যকীয় সামগ্ৰী আইনৰ সংস্কাৰ সাধন। এই শিতানত ৰখা ধনৰ পৰিমাণ প্ৰায় ১,৫০,০০০ কোটি টকা। চতুৰ্থটো ভাগত আমি দেখা পাওঁ প্ৰতিৰক্ষা, শক্তি, অসামৰিক বিমান পৰিবহণ, খনিজ সম্পদ, আনৱিক আৰু মহাকাশ ক্ষেত্ৰত আনিব বিচৰা সংস্কাৰ। এই গোটেইবিলাক ক্ষেত্ৰতে ব্যক্তিগতকৰণত গুৰুত্ব দিয়া হৈছে। ইয়াৰ লগতে প্ৰতিৰক্ষা সম্পৰ্কীয় উৎপাদনত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ সীমা বৰ্তমানৰ ৪৯ শতাংশৰ পৰা ৭৪ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

ওপৰত উল্লেখ কৰা চাৰিটা শিতানৰ সৰ্বমুঠ ধনৰাশিৰ পৰিমাণ হয়তো প্ৰায় ১১ লাখ কোটি টকা। যিটো আমাৰ মুঠ ঘৰুৱা উৎপাদনৰ ৫.৫ শতাংশ হয়গৈ। ইয়াৰ লগতে আমি পূৰ্বতে ঘোষণা কৰা প্ৰধানমন্ত্ৰীৰ গৰীব কল্যাণ যোজনাৰ (পি এম জি কে ৱাই) প্ৰায় ১,৯০,০০০ কোটি টকা আৰু ৰিজাৰ্ভ বেংকৰ প্ৰায় ৯ লাখ কোটি টকা যোগ দিলে প্ৰায় ২১ লাখ কোটি টকাৰ পেকেজ এটা পাওঁ। আমি ইতিমধ্যে উল্লেখ কৰিছো যে এই ধনৰাশি ব্যয় কৰা হ'ব কৃষি আন্তঃগাঁথনিত, ভূমিত, শ্ৰমিকৰ বাবে, মুদ্ৰাৰ তাৰল্যৰ বাবদ আৰু নতুন অৰ্থনৈতিক সংস্কাৰৰ ৰূপায়ণৰ ক্ষেত্ৰত ইয়াতেই সোমাই আছে পোনপটীয়াকৈ ধন প্ৰদান, দুখীয়াজনৰ বাবে বিনামূলীয়া খাদ্যৰ যোগান, ক্ষুদ্ৰ ব্যৱসায়ী আৰু উদ্যোগ-বাণিজ্যলৈ আগবঢ়োৱা সহায়, বিপদত পৰা ব্যৱসায়ী/ উদ্যোগপতিলৈ সহজলভ্য ঋণ আৰু গাঁথনিগত অৰ্থনৈতিক সংস্কাৰ, স্বাভাৱিকভাৱেই ঘোষণা কৰা পদক্ষেপসমূহ কিছুমান হ্ৰস্বম্যাদী, কিছুমান মধ্যম্যাদী আৰু কিছুমান হ'ল দীৰ্ঘম্যাদী। হ্ৰস্বম্যাদী আঁচনিসমূহৰ উদ্দেশ্য হ'ল জনসাধাৰণক বিশেষকৈ ক'ভিড-১৯ ৰ বাবে ক্ষতিগ্ৰস্ত হোৱা মানুহখিনিক সকাহ দিয়া আৰু যিমানদূৰ সম্ভৱ অৰ্থনীতিক এটা স্থবিৰ অৱস্থালৈ লৈ যোৱাটো। মধ্যম্যাদী আঁচনিসমূহে বাট মোকলাব ক'ভিড-১৯ ৰ পিছৰ কালৰ অৰ্থনৈতিক তৎপৰতা আৰু সাবলীল গতিত। দীৰ্ঘম্যাদী আঁচনিয়ে ভাৰতবৰ্ষক আগুৱাই নিব দেশখনৰ প্ৰাপ্য গন্তব্য স্থানলৈ, য'ত ভাৰতবৰ্ষই নিজৰ অন্তৰ্নিহিত বলেৰে বিশ্বৰ বজাৰত থিয় হ'ব



শক্তিশালী খেলুৱৈ হিচাপে আৰু সক্ষম হ'ব বিকাশৰ হাৰ ক্ৰমাৎ ঊৰ্ধ্বমুখী কৰিবলৈ। নিঃসন্দেহে দীৰ্ঘম্যাদীত আৰু সংস্কাৰৰ প্ৰয়োজন হ'ব, যিবোৰ ঘোষণা তাৎক্ষণিকভাৱে কৰাৰ প্ৰয়োজন হয়তো নাই।

প্ৰব্ৰজনকাৰী শ্ৰমিকক দিয়া বিনামূলীয়া খাদ্য, এম জি এনৰেগাৰ অধীনত দিয়া নিয়োগ, ঋণ আদায়ৰ সময়সীমা বৃদ্ধি, কৰ্মচাৰীৰ ভৱিষ্যনিধি (ই পি এফ) বৰঙনিৰ সাময়িক ৰেহাই আদিয়ে ক'ভিড-১৯ বিধ্বস্ত জনসাধাৰণক সকাহ নিশ্চয়কৈ দিব। ক'ভিড-১৯ ৰ পৰৱৰ্তী কালৰ অৰ্থনৈতিক পুনৰুজ্জীৱিতকৰণৰ প্ৰধান ক্ষেত্ৰ হ'ব কৃষি আৰু এম এছ এম ই খণ্ড। চৰকাৰৰ লক্ষ্য হ'ল কৃষিক্ষেত্ৰত এখন একীভূত বজাৰৰ সৃষ্টিকৰণ, কৃষিজাত সামগ্ৰীৰ যোগান শিকলি দৃঢ় আৰু চুটি কৰাটো, কৃষকক প্ৰকৃত মূল্য দিয়াটো আৰু উন্নত প্ৰযুক্তিৰ জৰিয়তে কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ উৎপাদনশীলতা বৃদ্ধি কৰাটো। ইয়াৰ জৰিয়তেই হ'ব বহুধাকৃত আৰু মূল্যভিত্তিক উৎপাদন তথা গ্ৰামাঞ্চলৰ আয় বৃদ্ধি। এই বৰ্ধিত আয়েই সৃষ্টি কৰিব নতুন চাহিদা, যিটো চাহিদাৰ অভাৱত ভাৰতবৰ্ষই যোৱা প্ৰায় দুটা বছৰে অৰ্থনৈতিক মন্থৰতাত ভুগি আছে। কৃষিৰ লগতে যদি বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে চলি থকা গ্ৰাম্য আৰু ৰাষ্ট্ৰীয় যাতায়াতৰ আন্তঃগাঁথনিৰ যোগেদিও চাও, তেতিয়া আমি সহজেই ভাৰতবৰ্ষৰ গ্ৰামাঞ্চলৰ অৰ্থনীতিৰ উন্নয়নৰ ইঞ্জিন হিচাপে দেখা পাওঁ। কৃষি আৰু তাৰ লগত জড়িত ক্ষেত্ৰসমূহত সৃষ্টি হোৱা নতুন চাহিদাই শক্তি দিব এম এছ এম ইক পুনৰ নিজৰ ভৰিৰ ওপৰত ঠিয় হ'বলৈ। ইয়াৰ লগতেই থলুৱা সামগ্ৰীৰ প্ৰতি আসক্তি, চৰকাৰী আহৰণ আৰু চৰকাৰ তথা আৰ বি আয়ে আগবঢ়োৱা বিভিন্ন পদক্ষেপে এম এছ এম ই খণ্ডক পুনৰ ঠন ধৰি উঠিবলৈ সহায় কৰিব। ফলত সৃষ্টি হ'ব নতুন বিনিয়োগ আৰু নতুন নিয়োগ। ইয়েই সৃষ্টি কৰিব অৰ্থনীতিৰ মাল্টিপ্লায়াৰ ইফেক্ট। সহজে অনুমান কৰিব পাৰি যে আমাৰ অৰ্থনীতিত দক্ষতাৰ ব্যৱহাৰ আৰু নতুনকৈ হোৱা যোগানৰ সমস্যাৰো সমাধান পথ স্বকীয়ভাৱেই মুকলি কৰিব। ইয়াৰ লগতেই যেতিয়া আমি খনিজ পদাৰ্থ, আকাশী যাতায়াত শক্তি বিতৰণ আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত লোৱা আঁচনিসমূহ যোগ দিওঁ তেন্তে আমি দেখা পাওঁ ঘৰুৱা ঔদ্যোগিক উৎপাদনৰ এটা বৃহৎ প্ৰতিশ্ৰুতি। নক'লৈও হ'ব যে এই গোটেইখিনি নিৰ্ভৰ কৰিব এই আঁচনিসমূহ কিমান স্বচ্ছতা আৰু দক্ষতাৰে ৰূপায়ণ কৰা হ'ব। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়িত্ব সৰ্বাধিক। কিয়নো কৃষি, শ্ৰম, ভূমি আদিৰ দায়িত্ব ৰাজ্য চৰকাৰসমূহৰ। ইয়াৰ লগতেই প্ৰয়োজন হ'ব ৰাজ্যসমূহৰ মাজত সহযোগিতা, ধনাত্মক প্ৰতিযোগিতা আৰু ইটোৱে সিটোৰ পৰা শিকাৰ আগ্ৰহ। এইক্ষেত্ৰত ঠিংক টেংক হিচাপে নীতি আয়োগৰ ভূমিকাও যথেষ্ট গুৰুত্বপূৰ্ণ হ'ব।

এতিয়া আমি আহোঁ 'আত্মনিৰ্ভৰশীল ভাৰত অভিযান'ক লৈ হোৱা দুটা প্ৰধান বিতৰ্কলৈ। প্ৰথমটো হ'ল আত্মনিৰ্ভৰশীল মানে আমি বিশ্বৰ বজাৰলৈ যোৱা দুৱাৰখন বন্ধ কৰি দিয়াটো নেকি? আন্তঃৰাষ্ট্ৰীয় শ্ৰম বিভাজন নেতিবাচক বুলি আমি মানি ল'লো নেকি? বৈদেশিক উদ্যোগৰ সামগ্ৰীৰ আৱণ্টন চৰকাৰে পাকে-প্ৰকাৰে বন্ধ কৰিব খুজিছে নেকি? আমাৰ দৃষ্টিত এই গোটেইকেইটা প্ৰশ্নৰ উত্তৰ হ'ল 'নহয়'। যিধৰণে ক'ভিড-১৯ ৰ পিছৰ ভাৰতীয় অৰ্থনীতিৰ কথা ভবা হৈছে সেইটোৱেই এইটোকেই বুজায় যে প্ৰথমে ভাৰতবৰ্ষই নিজৰ অন্তৰ্নিহিত শক্তিৰে কাৰো আগত হাত নপতাকৈ থিয় হ'ব পাৰিব লাগিব। তাৰ পিছতহে বিশ্বৰ বজাৰত উন্নত দেশসমূহৰ লগত সমানভাৱে থিয় হ'ব পাৰিব। ১৯৬০ ৰ দশকতে আমাৰ ভূপেনদাই গাইছিল 'তুমি বিশ্বৰ শৰীৰত পংগু অংগ হ'লে বিশ্বই জানো ভাল পাব?' এই কথাষাৰ অৰ্থনৈতিক জগতত আজিও সত্য। আমাক বিদেশৰ উন্নত প্ৰযুক্তি লাগিবই, বিশ্বৰ বজাৰো লাগিব, আধুনিক জগতত প্ৰচলিত ভোক্তাৰ সামগ্ৰীৰো আমাৰ প্ৰয়োজন। কিন্তু আমি বিচাৰো প্ৰযুক্তি আহক আমাৰ দেশলৈ আকৰ্ষিত হৈ, আমি বিশ্বৰ বজাৰত দপদপাওঁ আমাৰ সামগ্ৰীৰ গুণগত মানৰ বলত, আন্তঃৰাষ্ট্ৰীয় বজাৰত উপলব্ধ ভোক্তা সামগ্ৰীৰ উৎপাদন হওক আমাৰ দেশতেই। প্ৰধানমন্ত্ৰী মোদীৰ লগতে আমিও বিশ্বাস কৰো এয়া সম্ভৱ। আমাৰ আছে এখন বৃহৎ বজাৰ, আছে আমাৰ দক্ষ শ্ৰমিক আৰু উদ্যমশীলতা, বিজ্ঞান আৰু প্ৰকৃতিয়ে দিয়া সম্পদ। চৰকাৰৰ দায়িত্ব হ'ল এই সম্ভাৱনাপূৰ্ণ শক্তিক ৰাজকোষ আৰু মুদ্ৰাগত ৰাষ্ট্ৰীয় পেকেজ আৰু বিভিন্ন সংস্কাৰেৰে বাস্তৱলৈ ৰূপান্তৰ কৰাটো। বৰ্তমান চৰকাৰৰ এই প্ৰয়াস আমি দেখিবলৈ পাইছো আৰু বিশ্বাসো কৰো যে প্ৰশাসনিক সংস্কাৰৰ লগতেই আৰু বহুতো গাঁথনিগত সংস্কাৰৰ ঘোষণা উপযুক্ত সময়ত কৰা হ'ব। আমাৰ দেশৰ অন্তৰ্নিহিত শক্তিৰ উত্থান আমি ক'ভিড-১৯ ৰ লগত কৰা যুঁজখনতেই বুজিব পাৰো। আজি ৪ মাহ আগলৈকে আমাৰ ভাইৰাছ টেষ্টিং লেবৰেটৰী আছিল মাথোঁ এটা। আজি আছে প্ৰায় ৭০০ ৰো অধিক। ব্যক্তিগত সুৰক্ষা সৰঞ্জাম (পি পি ই) কি বস্তু আমি জনাই নাছিলো। এন-১৯ মাস্কৰ উৎপাদন আছিল নগণ্য কিন্তু আজি পি পি ই আৰু এন-১৯ মাস্কৰ উৎপাদন হ'ল দিনে ১ লাখতকৈও অধিক। ভাইৰাছ টেষ্টিং কীটৰ কাৰণেও আমি বিদেশলৈ চাব নলগা হ'ল। দৈনিক টেষ্টিঙৰ হাৰ ১ লাখতকৈও অধিক হ'ল যিটো সৌ সিদিনালৈকে কেৱল জাৰ্মানীৰহে গৌৰৱ আছিল। ভৱিষ্যতে ওলাবলগীয়া প্ৰতিষেধকৰ যোগান ভাৰতবৰ্ষৰ সহযোগিতা অবিহনে সম্ভৱ নহয় বুলি এতিয়া আমি বুজিছো। আমি যদি নিজৰ অসমখনলৈও চাওঁ গৰ্ব অনুভৱ কৰো যে কেনেকৈ আমি সীমিত সম্পদেৰে নিজৰ বলতেই ক'ভিড-১৯ ৰ সমৰত দক্ষতাৰে যুঁজি আছো। আমাৰ বিশ্বাস আত্মনিৰ্ভৰশীল ভাৰত অভিযান এই সুপ্ত শক্তিৰ আধাৰতেই যুগুতোৱা হৈছে।

আনটো বিতৰ্ক হ'ল যে বহুতৰ মতে প্ৰধানমন্ত্ৰীৰ পেকেজটোত চাহিদাৰ বাবে বিশেষ একো নাই। এই ধাৰণাটো বিশ্বাস কৰা সৰহসংখ্যকেই বিচাৰে দুখীয়া কৃষক, শ্ৰমিক আৰু প্ৰব্ৰজনকাৰী শ্ৰমিকক যিমান পাৰি প্ৰত্যক্ষভাৱে ধন দান দিয়াটো। তেওঁলোকৰ মতে একমাত্ৰ এইটোৱেই আমাৰ অৰ্থনীতিক উদ্ধাৰ কৰিব। এইটো হ'ল চাহিদা ঘাটি থকা অৰ্থনীতিৰ বাবে Classic Keynesian

মহৌষধ। কিন্তু আচৰিতভাৱে এই কিনেছিয়ান ম'ডেলৰ অভিধাৰণাসমূহৰ ভাৰতবৰ্ষত স্থিতি কি এই বিষয়ে এখেতসকলে বিশেষ মন দিয়া নাই বুলি ভাব হয়। প্ৰথমতে চাহিদাৰ অভাৱ, তাৰ পিছত মুদ্ৰাগত মূলধনৰ অভাৱ আৰু যোৱা কেইমাহত ক'ভিড-১৯ৰ আক্ৰমণত আমাৰ যোগান যন্ত্ৰ সম্পূৰ্ণৰূপে ধৰাশায়ী। এনে অৱস্থাত আমি যদি প্ৰতিটো টকা কেৱল সৰ্বসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধিৰ কাৰণে ব্যয় কৰো তেতিয়াহ'লে আমি এনে এটা পৰিস্থিতিৰ জন্ম দিম যিটো হ'ব এটা Classic Case of Demand Pull Inflation (চাহিদাগত মুদ্ৰাস্ফীতি)। আমি জানো সৰ্বসাধাৰণ, বিশেষকৈ দুখীয়া শ্ৰেণীৰ লোকসকলৰ বাবে মুদ্ৰাস্ফীতিতকৈ ডাঙৰ শত্ৰু নাই। ইয়ে আনিব অৰ্থনৈতিক বিপৰ্যয়। ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ সাহায্য পেকেজৰ প্ৰয়োজন নাই। নিশ্চয় আছে। উন্নত ৰাষ্ট্ৰসমূহত যিটো সামাজিক নিৰাপত্তাৰ ছত্ৰছায়া আছে সেইটো আমাৰ দেশত তেনেই ঠুনুকা। গতিকে স্বাভাৱিকভাৱেই মানৱীয়তাৰ খাতিৰত আৰু অৰ্থনীতিৰ স্বাৰ্থত আমি সামাজিৰ নিৰাপত্তাৰ সুবিধা দিবই লাগিব। ইয়াৰ বাবে প্ৰয়োজনীয় ধন আমি ইতিমধ্যেই উল্লেখ কৰিছো। তাৰ লগতেই আমি আয়ুষ্মান ভাৰতো সামৰি ল'ব লাগিব। গতিকে এইক্ষেত্ৰত আমাৰ স্থিতি হ'ল যে সামাজিক নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰে ধনৰ যোগান ধৰিছে। প্ৰয়োজন হ'লে হয়তো কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰসমূহেও আমাক যোগান ধৰিব লাগিব। সেইটো সময়ে ক'ব আৰু নিৰ্ভৰ কৰিব ক'ভিড-১৯ ৰ স্থিতিৰ ওপৰত, লক ডাউনৰ পিছত অৰ্থনীতিৰ ওপৰত, চৰকাৰৰ উপাৰ্জনৰ ওপৰত। আন বহুতৰ লগতেই আমিও বিশ্বাস কৰো যে আমাৰ ঋণ-আয়ৰ অনুপাতৰ বিশেষ হানি নোহোৱাকৈ হয়তো ভৱিষ্যতে প্ৰত্যক্ষ ধনৰ যোগান ধৰাৰ ক্ষমতা এতিয়াও চৰকাৰৰ আছে। ইয়াৰ লগতে আমি ক'ব বিচাৰো যে গীভ এৱে বা এনটাইটলমেণ্ট নীতি এটা বহনক্ষম নীতি হ'ব নোৱাৰে। ইয়াৰ প্ৰধান বিপদটো হ'ল কৰ্মক্ষম ব্যক্তি এজনক কৰ্মবিমুখ কৰা। তেনেহ'লে আমাৰ ধন আৰু শ্ৰমৰ অপব্যয়টো নিশ্চিত। আমি পাহৰি যাব নালাগিব যে ছদ্মবেশী নিবনুৱাৰ ক্ষেত্ৰত ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতেই আগস্থানত। এটা সাময়িক দুৰ্ঘটনাৰ বাবদ এই ছদ্মবেশী নিবনুৱাৰ হাৰ বৃদ্ধি কৰাৰ কোনো যুক্তিযুক্ততাই থাকিব নোৱাৰে। আমাৰ প্ৰয়াস হ'ব লাগে উৎপাদনশীল নিয়োগ সৃষ্টি, কৃষিৰ আধুনিকীকৰণৰ জৰিয়তে, ক্ষুদ্ৰ-লঘু উদ্যোগৰ সম্প্ৰসাৰণৰ জৰিয়তে, কাৰিকৰী কৌশল গঠনৰ জৰিয়তে আৰু স্বনিয়োগৰ পৰিৱেশ সৃষ্টিৰ জৰিয়তে। প্ৰধানমন্ত্ৰীৰ পেকেজটোৱে তাকেই কৰাৰ প্ৰয়াস কৰিছে। আমি যদি বিভিন্ন দেশসমূহলৈ চাওঁ তেতিয়া সহজেই বুজিব পাৰো যে কোনো দেশেই বৃহৎ পৰিমাণৰ ধন এনেই বিলাই দিয়া নাই। প্ৰায় সকলো দেশেই সাময়িকভাৱে দুৰ্বল শ্ৰেণীৰ ৰাইজক খাদ্য আৰু আন অত্যাৱশ্যকীয় সেৱাৰ যোগান ধৰিছে, স্বাস্থ্যসেৱাৰ ব্যৱস্থা কৰিছে আৰু সৰু উদ্যোগসমূহক সকাহ দিছে। ভাৰতবৰ্ষতো সেই একেই কৌশলেই লোৱা হৈছে। যিটো মেক ইন ইণ্ডিয়া মিছনৰ লগত সংগতি ৰাখি কৰা হৈছে। আমাৰ দৃঢ় বিশ্বাস এই কৌশলে সাফল্য লাভ কৰিব, যিহেতু চৰকাৰৰ দৃঢ়তা স্পষ্ট। তদুপৰি অৰ্থনীতিক পুনৰ উৰ্ধ্বমুখী কৰিবলৈ যিবোৰ অস্ত্ৰ চৰকাৰ বা কেন্দ্ৰীয় বেংকৰ থাকে সেইবোৰ এতিয়ালৈ শেষ হৈ যোৱা নাই। আমি এইটোও মনত ৰখা উচিত যে ৰাষ্ট্ৰসংঘ আৰু আই এম এফ দুয়োটা সংগঠনেই বিভিন্ন পৰিসংখ্যাৰ ভিত্তিত মন্তব্য দিছে যে ২০২০-২১ বৰ্ষত বিশ্বজুৰি মন্দাৱস্থা আহিব যদিও দুখন দেশে ধনাত্মক বিকাশৰ হাৰ দেখুৱাব। এই দুখন দেশ হ'ল চীন আৰু ভাৰতবৰ্ষ। আমি ভাৰতীয় অৰ্থনীতিৰ ক্ষেত্ৰত আশাবাদী হোৱাৰ ই এটা অন্যতম কাৰণ। ❑❑

*(লেখক কটন বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক)*



# প্ৰধানমন্ত্ৰীৰ ২০ লাখ কোটি টকাৰ পেকেজে অৰ্থনীতিৰ পৰিকাঠামো সুদৃঢ় কৰিব



**ড° সুশান্ত কুমাৰ কাশ্যপ**

যোৱা ১২ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক'ভিড ১৯ৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতিৰ মোকাবিলাৰ বাবে ২০ লাখ কোটি অথবা মুঠ ঘৰুৱা উৎপাদনৰ ১০ শতাংশৰ এটা বৃহৎ পেকেজৰ ঘোষণা কৰিলে। সাম্প্ৰতিক সময়ত এই ঘোষণা অতি আদৰণীয় আৰু ইয়ে অনাগত দিনৰ ভাৰতীয় অৰ্থনীতিৰ পৰিকাঠামো সুদৃঢ় কৰিব বুলি আশা কৰিব পাৰি। মোদীৰ ঘোষণাৰ পিছতে বহুতৰে মনত প্ৰশ্নৰ উদয় হৈছে— এই বৃহৎ পৰিমাণৰ ধনৰাশি ক'ৰ পৰা কেনেদৰে আহিব বা ক'ৰ পৰা কেনেদৰে আহৰণ কৰিব! কেন্দ্ৰীয় চৰকাৰৰ হাতত কিছুমান বিশেষ ক্ষমতা থাকে। এই বিশেষ ক্ষমতাৰ ভিতৰত নোট ছপা কৰাটো অন্যতম। বিশেষকৈ কেন্দ্ৰীয় চৰকাৰে বিত্তীয় ঘাটি পূৰণ কৰিবলৈ নোট ছপা কৰিব পাৰে। তদুপৰি দুৰ্যোগৰ দিনত এইটোৱেই আটাইতকৈ সহজ পন্থা। বৰ্তমান সময়ত ক'ভিড ১৯ ৰ পৰিপ্ৰেক্ষিতত দেশত যি বিত্তীয় সংকটে বা বিত্তীয় ঘাটিয়ে দেখা দিলে সেই বিত্তীয় ঘাটি পূৰণ কৰাৰ বাবে দেশৰ মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতা কৃষ্ণমূৰ্তি ভি সুব্ৰমনিয়ামে নোট ছপাৰ পৰামৰ্শ আগবঢ়াইছে। তেওঁৰ মতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ পৰা ঋণ লোৱাতকৈ নোট ছপোৱাই উত্তম উপায়। তদুপৰি ন'বেল বিজয়ী ভাৰতীয় মূলৰ অৰ্থনীতিবিদ অভিজিৎ বেনাৰ্জীয়েও নোট ছপা কৰি হ'লেও বৰ্তমান বিত্তীয় ঘাটিৰ লগত মোকাবিলা কৰিবলৈ চৰকাৰক পৰামৰ্শ দিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে চৰকাৰে কিমান নোট ছপা কৰিব পাৰে? সাধাৰণতে বিত্তীয় ঘাটি যিমান হয়, সিমানে নোট ছপা কৰিব পাৰেনে? ইচ্ছা কৰিলেই যিমান ইচ্ছা সিমান পৰিমাণৰ নোট ছপাব নোৱাৰে। সাধাৰণতে বিত্তীয় ঘাটি যিমানে নহওক কিয়, মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পি) ৩ শতাংশলৈহে নোট ছপোৱাৰ অধিকাৰ থাকে। সেইকাৰণে চৰকাৰে বিত্তীয় ঘাটি জি ডি পি অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদনৰ ৩ শতাংশৰ ভিতৰত আবদ্ধ ৰাখিব লাগে, অৰ্থাৎ তাতকৈ অধিক ব্যয় কৰিব নোৱাৰে। নোট ছপাই মুঠ ঘৰুৱা উৎপাদনৰ ৩ শতাংশৰ সীমা অতিক্ৰম কৰিব নোৱাৰে। কিন্তু জৰুৰীকালীন অৱস্থা হ'লে মুঠ ঘৰুৱা উৎপাদনৰ ৬ শতাংশ (জি ডি পিৰ ৬ শতাংশ) বিত্তীয় ঘাটিলৈ নোট ছপাব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ লাখ কোটি টকা নাইবা মুঠ ঘৰুৱা উৎপাদনৰ ১০ শতাংশৰ ভিতৰত অৰ্থনীতিৰ বিশেষ পেকেজটো ঘোষণা কৰিছে।




সচৰাচৰ নোট ছপা কৰিলে অৰ্থনীতিত মূল্যবৃদ্ধি হৈ মুদ্ৰাস্ফীতি হোৱাৰ সম্ভাৱনা থাকে। কাৰণ নোট ছপালে অৰ্থনীতিত মুদ্ৰাৰ যোগান বাঢ়িব। মুদ্ৰাৰ যোগান বঢ়াৰ লগে লগে দ্ৰব্য-সামগ্ৰীৰ চাহিদা বাঢ়িব। যদি চাহিদা অনুপাতে যোগান বৃদ্ধি নহয়, তেনেহ'লে দ্ৰব্য সামগ্ৰীৰ মূল্যবৃদ্ধি হ'ব। গতিকে তেনে অৱস্থাত মুদ্ৰাস্ফীতি হোৱাটো স্বাভাৱিক। সাময়িক সকাহ হ'লেও আগত সময়বোৰত নোট ছপাৰ এটা প্ৰত্যাহ্বান হ'ব পাৰে মুদ্ৰাস্ফীতি। অৱশ্যে মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতা কৃষ্ণমূৰ্তিয়ে প্ৰকাশ কৰা মতে পেকেজৰ প্ৰথম অংশই যিসকল ক'ভিডৰ পৰা আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে অৰ্থাৎ যিসকল ভালনাৰেবল বুলি কোৱা হয়, সেইসকলক সহায় কৰিব। অৰ্থাৎ ইয়ে চাহিদাৰ দিশটো শক্তিশালী কৰিব। আনহাতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ঘোষণা কৰাৰ দৰে দ্বিতীয় অংশই যোগানৰ দিশটো শক্তিশালী কৰিব। গতিকে চাহিদা আৰু যোগানৰ মাজত সাম্য ব্যৱস্থা বাহাল ৰাখিব হ'ব পৰাটোৱে হ'ব বৰ্তমান সময়ত অধিক গুৰুত্বপূৰ্ণ।

প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ পিছত কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে লক্ ডাউনৰ ফলত স্থবিৰ হৈ পৰা দেশৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহলৈ ৩ লাখ কোটি টকাৰ জামানতমুক্ত ঋণৰ কথা ঘোষণা কৰিছে। লক্ ডাউনৰ সময়ত আটাইতকৈ বৃহৎ লোকচানৰ সন্মুখীন হোৱা এই উদ্যোগসমূহৰ ২৫ কোটি টকাৰ ঋণ থকা আৰু ১০০ কোটি টকালৈ উপাৰ্জন কৰা সমূহে চাৰি বছৰলৈ এই ঋণ লাভ কৰিব। এই ব্যৱস্থাৰ দ্বাৰা ভাৰতত থকা ৩৬.১ মিলিয়ন উদ্যোগ লাভৱান্বিত হোৱাৰ থল আছে। তদুপৰি এই উদ্যোগসমূহে প্ৰায় ১২০ মিলিয়ন লোকক সংস্থাপিত কৰি ৰখাৰ উপৰি মুঠ ৰপ্তানিৰ ৪৫ শতাংশ সামৰি লয় আৰু ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ ৮ শতাংশ অৰিহনা যোগায়। গতিকে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ চমুকৈ এম এছ এম ইসমূহক শক্তিশালী কৰাটো খুবেই প্ৰয়োজনীয়। এইখিনিতে এটা অতি গুৰুত্বপূৰ্ণ কথা হৈছে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে কোনবোৰ উদ্যোগক সামৰি লয়! ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কেবিনেটে এম এছ এম ইৰ সংজ্ঞাৰ কিছু সংশোধন কৰিছে। এই সংজ্ঞা অনুসৰি যিবোৰ পণ্য উৎপাদনকাৰী আৰু সেৱা উদ্যোগৰ বিনিয়োগ ১ কোটিতকৈ কম আৰু যাৰ বছৰি মুঠ আয় ৫ কোটিৰ ভিতৰত সেইসমূহ অতি ক্ষুদ্ৰ শ্ৰেণীৰ অন্তৰ্গত। যিবোৰ বিনিয়োগ ১০ কোটিতকৈ কম আৰু বছৰি আয় ৫০ কোটিৰ ভিতৰত সেইবোৰ ক্ষুদ্ৰ উদ্যোগৰ অন্তৰ্ভুক্ত আৰু যিবোৰৰ বিনিয়োগ ২০ কোটিতকৈ কম আৰু বছৰি আয় ১০০ কোটিৰ ভিতৰত, সেইবোৰ মজলীয়া শ্ৰেণীৰ অন্তৰ্গত। অসমৰ প্ৰেক্ষাপটত চাবলৈ গ'লে কিমান সংখ্যক উদ্যোগে এই শ্ৰেণীৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব পাৰিব, নিশ্চয় নিচেই কম সংখ্যকে পাৰিব। কিন্তু অসমত অজস্ৰ সৰু-বৰ কুটিৰ, পণ্য উৎপাদনকাৰী আৰু সেৱা উদ্যোগ আছে। লক্ ডাউনৰ ফলত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে এই উদ্যোগসমূহ। এইবোৰ উদ্যোগত কৰ্মৰত শ্ৰমিকসকল কৰ্মহীন হৈ পৰিছে। গতিকে এই উদ্যোগসমূহলৈও ঋণ আৰু সাহায্যৰ ব্যৱস্থা কৰাটো অতি প্ৰয়োজনীয়। অসম চৰকাৰৰ উদ্যোগ বিভাগে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা অৱলম্বন কৰিব যাতে এই উদ্যোগসমূহ ধ্বংস হৈ নাযায়। তদুপৰি অসমৰ এটি সক্ৰিয় উদ্যোগ ভ্ৰাম্যমাণ থিয়েটাৰ, যাক অসমৰ স্বাভিমান বুলি কোৱা হয়, যিয়ে যোৱা ডিচেম্বৰ মাহৰ কা আন্দোলনৰ পৰা বৰ্তমানলৈ বৰ দুৰ্বিষহ সময় পাৰ কৰিবলগা হৈছে, সেই উদ্যোগৰ পুনঃউত্থানৰ বাবেও অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে উদ্যোগ বিভাগ আৰু থিয়েটাৰৰ প্ৰযোজকসকলৰ লগত লগ হৈ কাৰ্যপন্থা গ্ৰহণ কৰিব লাগে। অন্যথা অসমৰ এটা বৃহৎ উদ্যোগৰ লগতে সক্ৰীয় ঐতিহ্য যে নোহোৱা হৈ যাব সেয়া নিশ্চিত। এটা কথা ঠিক যে ক'ভিডৰ পৰৱৰ্তী পৰ্যায়ত বহু লোকে কৰ্মসংস্থান হেৰুৱাব। ইতিমধ্যে আৰম্ভ হৈছে। গতিকে এইসকলক কেনেকৈ কৰ্মত নিয়োগ কৰিব পৰা যাব সেয়া আগত দিনত প্ৰত্যাহ্বান হিচাপে দেখা দিব চৰকাৰখনৰ সন্মুখত।

১৯৩০ চনত যেতিয়া বিশ্বব্যাপি মহা মন্দাঅৱস্থা হৈছিল, তেতিয়া বিশ্বৰ আগশাৰীৰ দেশসমূহত কৰ্মহীন লোকৰ সংখ্যা বৃদ্ধি হৈছিল। তেতিয়া অৰ্থনীতিবিদ কেইনছে নিয়োগ সৃষ্টিৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল তেওঁৰ The general theory of employement intrest and money নামৰ গ্ৰন্থখনত। মোৰ বোধেৰে কেইনছৰ পৰামৰ্শ সাম্প্ৰতিক সময়ত খুবেই প্ৰাসংগিক। যিসকল চৰকাৰৰ মুখ্য পৰামৰ্শদাতা, সেইসকলে গভীৰভাৱে প্ৰতিটো কথা বিশ্লেষণ কৰি সাম্প্ৰতিক পৰিস্থিতি মোকাবিলা কৰিবলৈ চৰকাৰক এখন পৰিকল্পিত কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰি প্ৰদান কৰা উচিত। ❑❑

*লেখক ঃ পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী।*

# ঘৰমুৱা শ্ৰমিকসকলৰ পুনৰ্সংস্থাপন



**সমুদ্ৰগুপ্ত কাশ্যপ**

২০১৯ চনৰ ডিচেম্বৰ মাহত চীনদেশৰ উহান প্ৰদেশত আৰম্ভ হোৱা ক'ভিড- ১৯ ভাইৰাছৰ সংক্ৰমণে মাত্ৰ তিনিমাহমানৰ ভিতৰতে সমগ্ৰ বিশ্বতে বিয়পি পৰি প্ৰায় সকলো দেশৰ অৰ্থনীতিত ভয়াৱহ বিৰূপ প্ৰভাৱ পেলায়। আমাৰ দেশত, এটা বেচৰকাৰী সমীক্ষাৰ মতে, যোৱা দুমাহৰো অধিক সময়জুৰি চলি থকা লক ডাউনৰ ফলত বিভিন্ন ৰাজ্যত উদ্যোগ তথা অন্যান্য কৰ্মক্ষেত্ৰসমূহ বন্ধ হৈ পৰাত প্ৰায় ১২ কোটি মানুহ হঠাৎ কৰ্মহীন হৈ পৰে। এই ১২ কোটি মানুহ হৈছে বিভিন্ন ৰাজ্যৰ পৰা অইন ৰাজ্যৰ কল-কাৰখানা, কোম্পানী, হোটেল-ৰেস্তোৰাঁ আৰু অন্যান্য সেৱা-সংস্থা আদিত নিযুক্ত লোক। এওঁলোকৰ সৰহ সংখ্যকেই হাইস্কুল আৰু কলেজৰ শিক্ষা আধাতে এৰি দৰিদ্ৰতা আৰু পেটৰ তাড়নাত কৰ্মসংস্থাপন বিচাৰি নিজৰ ৰাজ্য এৰি যোৱা মানুহ। নিৰ্দিষ্ট চৰকাৰী তথ্য সহজলভ্য নহয় যদিও পৰিৱেশ আৰু পৰিস্থিতিৰ পৰা অনুমান কৰিব পাৰি যে অসমৰ পৰা গৈ অইন ৰাজ্যত এনেদৰে কৰ্মসংস্থান লাভ কৰা মানুহৰ সংখ্যা ১৭ ৰ পৰা ১৮ লাখৰ ভিতৰত হ'ব। এওঁলোকৰ সৰহসংখ্যকেই পুৰুষ আৰু এওঁলোকৰ বয়স ১৬ বছৰৰ পৰা ৪০ বছৰৰ ভিতৰতে হ'ব বুলি ধাৰণা কৰা হয়। ইফালে নেচনেল ছেম্পল ছাৰ্বে অৰ্গেনাইজেচনৰ ১৯৯৯-২০০০ চনত প্ৰকাশিত প্ৰতিবেদন অনুসৰি অসমৰ গ্ৰামাঞ্চলৰ পৰা ১৬ লাখ মানুহৰ বহিঃপ্ৰব্ৰজন হয়; ইয়াৰ ভিতৰত গাঁৱৰ পৰা সৰু সৰু নগৰলৈ হোৱা প্ৰব্ৰজন আৰু গুৱাহাটীৰ নিচিনা ডাঙৰ নগৰলৈ হোৱা প্ৰব্ৰজনৰ লগতে অইন ৰাজ্যলৈ হোৱা প্ৰব্ৰজনৰ সংখ্যাও সোমাই আছে। আনহাতে একেটা সংস্থাই ২০০৭-২০০৮ চনত প্ৰকাশ কৰা প্ৰতিবেদনত এই সংখ্যা ২৮ লাখলৈ উঠে। ইয়াৰে যদি ১০ লাখমান মানুহ (ঘাইকৈ যুৱক-যুৱতী) কৰ্মসংস্থান বিচাৰি অসমৰে নগৰসমূহলৈ আৰু লগতে চুবুৰীয়া ৰাজ্যসমূহৰ নগৰ তথা নিৰ্মাণৰত প্ৰকল্পসমূহলৈ গৈছে বুলি ধৰি লোৱা হয়, তেন্তে উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰলৈ যোৱা অসমৰ এনে শ্ৰেণীৰ মানুহৰ সংখ্যা যে ১৮ লাখমান হ'ব, সেইটো স্পষ্ট হৈ পৰে। এটা সময় আছিল যেতিয়া অসমৰ মানুহে ৰাজ্যৰ বা অঞ্চলটোৰ বাহিৰত কাম বিচাৰি নগৈছিল। গাঁৱৰ ঘৰত বছৰটো যোৱাকৈ ধান-চাউল থকাত অসমৰ তেনে শ্ৰেণীৰ যুৱকসকল আনকি ৰাজ্যখনৰে আন ঠাইলৈ কাম বিচাৰি নগৈছিল। বাংলাদেশীৰ প্ৰব্ৰজনৰ হাৰ বৃদ্ধি পোৱাৰ পূৰ্বে অৰ্থাৎ ১৯৬৯-৭০ চন মানলৈকে অসমত উদ্যোগ তথা নিৰ্মাণ খণ্ডৰ লগতে অন্যান্য দিন হাজিৰা শ্ৰমৰ খণ্ডবোৰত (মাটি কটা, ৰিক্সা, ঠেলা চলোৱা, মুটিয়া কাম কৰা, ধোৱা-নাপিতৰ কাম কৰা) সৰহসংখ্যক শ্ৰমিকেই বিহাৰ আৰু পূব উত্তৰ প্ৰদেশ আদিৰ পৰা আহিছিল। অসমৰ খিলঞ্জীয়া বাসিন্দাসকলৰ গাঁওবোৰত যেতিয়ালৈ নিবনুৱা সমস্যাই গম্ভীৰ ৰূপ ধাৰণ কৰে, তেতিয়ালৈ অসমতে উপলব্ধ কৰ্মক্ষেত্ৰবোৰ বাংলাদেশী

প্ৰব্ৰজনকাৰীয়ে ইতিমধ্যে দখল কৰি লৈছিল। তেনে সময়তে আবিৰ্ভাৱ হোৱা ভিন ভিন সশস্ত্ৰ বিদ্ৰোহী সংগঠনসমূহে এই ড্ৰপ-আউট নিবনুৱা যুৱকসকলক আকৃষ্ট কৰিবলৈ লোৱাত ৰাজ্যখনৰ বহুসংখ্যক যুৱক অবাটে যায়; ইয়াৰে বহুসংখ্যকৰ অকালতে মৃত্যু হ'ল, আন বহুসংখ্যক চিৰদিনৰ কাৰণে ঘূণীয়া হ'ল। বহুতৰে জীৱনবোৰ অবাবতে ধ্বংস হ'ল। পৰৱৰ্তী সময়ত অৱেশ্য কেইটামান নিৰ্দিষ্ট কাৰণত অসমৰ এই স্তৰৰ যুৱকসকলে ৰাজ্যৰ বাহিৰত জীৱিকাৰ সন্ধান পালে। তাৰে এটা কাৰক আছিল অসমৰ পৰা দেশৰ বিভিন্ন প্ৰান্তলৈ পোনপটীয়া ৰে'ল-সংযোগ আৰু আন এটা আছিল ম'বাইল ফোন— যিটোৰ যোগেদি যিকোনো সময়তে একোজন মানুহে যিকোনো ঠাইৰ পৰা নিজৰ গাঁৱত থকা পৰিয়ালৰ সৈতে সংযোগ কৰিব পৰা হ'ল। তাতকৈও বোধ কৰো ডাঙৰ কাৰকটো হ'ল অসমৰ যুৱকসকলৰ নিৰ্ভৰশীলতা আৰু বিশ্বাসযোগ্যতা। আচৰিত হ'লেও সত্য, যিসকল যুৱকৰ নিজৰ ঠাইত যিকোনো 'সৰু-সুৰা' কাম কৰিবলৈ লাজ কৰা বা অনীহা বুলি বদনাম আছিল, সেইসকল যুৱকেই আন ৰাজ্যত গৈ নিয়োগকৰ্তাৰ বিশ্বাসী, কৰ্তব্যনিষ্ঠ আৰু নিৰ্ভৰশীল হৈ পৰিল। এইটোও অৱশ্যে সত্য যে নিজৰ ঠাইত যিকোনো কাম বিভিন্ন সামাজিক বাতাবৰণত মানুহে কৰিবলৈ লাজ কৰে।

আটাইতকৈ গুৰুত্বপূৰ্ণ দুটামান দিশ হ'ল— যিকোনো ঠাইৰ নিয়োগকৰ্তাই অসমৰ পৰা যোৱা যুৱকৰ প্ৰথম দলটোৰ কাম-কাজ তথা আচৰণত সন্তুষ্ট হৈ তেওঁলোকক আৰু যুৱকক মতাই নিবলৈ ব্যৱহাৰ কৰিলে। আনহাতে এই যুৱকসকলৰ বহুতে নিজৰ ঠাইত সংগদোষত পৰি উপাৰ্জনৰ ধনৰ অপব্যৱহাৰ কৰিছিল যদিও ৰাজ্যৰ বাহিৰত গৈ তেওঁলোকে নিষ্ঠাৰে কাম-কাজৰ লগতে কষ্টোপাৰ্জিত ধনৰ একোটা নিৰ্দিষ্ট পৰিমাণ নিয়মিত ৰূপত পৰিয়াললৈ পঠিয়াবলৈ ল'লে। এটা সাধাৰণ অংক কৰিলেই দেখা যায়ঃ একোজন যুৱকে যদি মাহিলি গড়ে নিজৰ পৰিয়াললৈ দুহেজাৰ টকা পঠিয়ায়, তেন্তে ১৮ লাখ যুৱকে অসমলৈ বহু কোটি টকা প্ৰেৰণ কৰে। এই বৃহৎ ধনৰাশিয়ে অসমৰ গ্ৰামাঞ্চলৰ ১৮ লাখ মান পৰিয়ালক নতুন প্ৰাণ প্ৰদান কৰিছিল। কিন্তু কৰ'না ভাইৰাছৰ আতংকই এমাহ-দুমাহৰ ভিতৰতে এই পৰিৱেশ ধূলিস্যাৎ কৰি পেলালে।

চৰকাৰী হিচাপ মতে এই ১৮ লাখ অসমৰ শ্ৰমিকৰ প্ৰায় এক-চতুৰ্থাংশ অৰ্থাৎ প্ৰায় চাৰে চাৰিলাখ ইতিমধ্যে অসমলৈ ঘূৰি আহিছে। এওঁলোকৰ হাতত ধন নাই, এওঁলোকৰ হাতত এতিয়া কামো নাই। এই বৃহৎ সংখ্যক 'নিবনুৱা' মানুহক লৈ অসমে এতিয়া কি কৰিব? ইফালে স্থানীয়ভাৱে কৰ্মহীন হৈ পৰা প্ৰায় ১৫-২০ লাখ মানুহ আছেই। ৰাজ্য চৰকাৰৰ হাতত এইটো এটা ডাঙৰ প্ৰত্যাহ্বান। চৰকাৰে ইতিমধ্যে অৱসৰপ্ৰাপ্ত সুদক্ষ আই এ এছ বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিছে, যিখনক ৰাজ্যখনৰ ভাগি পৰা অৰ্থনীতি পুনৰ থিয়-দঙা দিব পৰা অৱস্থালৈ আনিবৰ বাবে পৰামৰ্শ প্ৰস্তুত কৰাৰ দায়িত্ব দিয়া হৈছে।

এই যে অইন ৰাজ্যৰ পৰা ঘূৰি অহা শ্ৰমিকসকল— এওঁলোকৰ হাতত কিন্তু দুটা বিশেষ বস্তু আছে বুলি ক'ব পাৰি। তাৰে প্ৰথমটো হ'ল বিদ্যা-ইংৰাজীত যাক 'স্কিল' বুলি কোৱা হয়। এওঁলোকে আইন ৰাজ্যত গৈ কেইবা বছৰো ভিন ভিন উদ্যোগ আৰু আন ক্ষেত্ৰত কাম কৰি কিছুমান বিশেষ বিশেষ কামত নিশ্চয় পাৰ্গত হৈছে। কোনোৱে যদি কাৰখানাত মেচিন চলোৱা কাম পাৰে, কোনোৱে পৰ্যটন ক্ষেত্ৰৰ আতিথ্য বিদ্যা শিকি আহিছে। কোনোৱে যদি ভিন ভিন ৰন্ধন কাৰ্য পাৰে, কোনোৱে পেকেজিঙৰ কাম পাৰে। এই সকল শ্ৰমিকক যদি ততালিকে পঞ্জীয়ন কৰি তেওঁলোকে বাহিৰত কাম কৰি আহৰণ কৰা অৰ্হতাৰ ভিত্তিত শ্ৰেণীভুক্ত কৰা হয়, তেনেহ'লে এটা প্ৰাথমিক মানৰ সম্পদ মেপিং সম্পন্ন হ'ব। উল্লেখযোগ্য যে এই লক ডাউনৰ প্ৰথম এমাহমান বন্ধ থকাৰ পাছত অসমত অৱস্থিত প্ৰায় সকলো সৰু-বৰ উদ্যোগ প্ৰতিষ্ঠান ইতিমধ্যে পুনৰ মুকলি হৈছে। এই উদ্যোগসমূহত নিয়োজিত শ্ৰমিকসকলৰ অৱশ্যে প্ৰায় ৯০-৯৫ শতাংশই থলুৱা হোৱাত অসমৰ পৰা অইন ৰাজ্যলৈ সেইবোৰ ৰাজ্যৰ শ্ৰমিকৰ প্ৰব্ৰজন বৰ বেছি হোৱা নাই।






তথাপি এনে উদ্যোগসমূহত খালী হোৱা বা খালী হৈ থকা পদসমূহত পৰ্যায়ক্ৰমে নিপুণতাৰ ভিত্তিত এই ঘূৰি অহা শ্ৰমিকৰ কিছুসংখ্যক নিশ্চয় নিয়োজিত হ'ব পাৰে।

ৰাজ্য চৰকাৰে ইতিমধ্যে এই ঘূৰি অহা শ্ৰমিকসকলক এম এনৰেগাৰ জব কাৰ্ড দিয়াৰ সিদ্ধান্ত লৈছে। শ্ৰমিকসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়াটো সোনকালে আৰম্ভ কৰি পৰ্যায়ক্ৰমে এওঁলোকক জবকাৰ্ড প্ৰদান কৰিলে বিভিন্ন কামৰ জৰিয়তে কেইলাখমান শ্ৰমিকে কিছু দিনৰ কাৰণে হ'লেও কাম আৰু উপাৰ্জন লাভ কৰিব। ঠিক তেনেকৈ যিসকল শ্ৰমিকে বাহিৰত নিৰ্মাণ কাৰ্যত নিযুক্ত আছিল, সেইসকলক ৰাজ্যৰ বিভিন্ন নিৰ্মাণ কাৰ্যত জড়িত কৰিব পাৰি।

এইখিনিতে উল্লেখ কৰিব পাৰি, গোলাঘাটত এনেদৰে ঘৰলৈ ঘূৰি অহা কেইজনমান যুৱকে জিলাখনৰ কিছুসংখ্যক ঘূৰি অহা যুৱকক লৈ এটা কৰ্ম বাহিনী তৈয়াৰ কৰিছে বুলি ছ'চিয়েল মিডিয়াযোগে প্ৰচাৰ হৈছে। এই দলটোৱে ঘোষণা কৰিছে— নলা-নৰ্দমা আৰু পায়খানা চাফা কৰাৰ পৰা ৰাজমিস্ত্ৰি, কাঠমিস্ত্ৰি, চিলাই, ৰং দিয়া, মাল কঢ়িওৱা, নিৰাপত্তাৰক্ষী হোৱা আদি বিভিন্ন কৰ্মৰ বাবে তেওঁলোকৰ দলটোত ভাগ ভাগে যুৱক পঞ্জীয়নভুক্ত হৈ আছে আৰু তেওঁলোকে স্থানীয় প্ৰচলিত দৰৰ হাজিৰামতে কাম কৰিবলৈ আগ্ৰহী। এনেকুৱা যুৱক-যুৱতী আন আন জিলাসমূহতো ওলাব।

ভাৰত চৰকাৰৰ ব'ৰ্ডাৰ ৰ'ডছ অৰ্গেনাইজেচন (বি আৰ অ') নামৰ সংস্থাটোক উত্তৰ-পূৰ্বাঞ্চলৰ পাৰ্বত্য ৰাজ্যসমূহৰ সীমান্ত সংযোগী পথসমূহ নিৰ্মাণ আৰু মেৰামতিৰ কামৰ বাবে বছৰি কেইবা হাজাৰো শ্ৰমিকৰ প্ৰয়োজন হয়। আমাৰ ঘৰলৈ ঘূৰি অহা যুৱকসকলে বাহিৰত লাভ কৰা এটা অন্যতম গুণ হ'ল যিকোনো কাম কৰিবলৈ লাজ নকৰাটো। ইফালে বি আৰ অ'ৱে নিয়োগ কৰা ঝাৰখণ্ড, চত্তিছগড়, তেলেংগানা, অন্ধ্ৰপ্ৰদেশ, বিহাৰ আদি ৰাজ্যৰ বহুসংখ্যক শ্ৰমিক যিহেতু ইতিমধ্যে নিজ নিজ ৰাজ্যলৈ উলটি গৈছে, তেওঁলোকৰ বহিঃগমনে সৃষ্টি কৰা খালী ঠাইসমূহত আমাৰ শ্ৰমিকসকলক মকৰল কৰিবৰ বাবে ৰাজ্য চৰকাৰে সংশ্লিষ্ট বিভাগটোৰ ওপৰত প্ৰভাৱ খটুৱাব পাৰে।

লক ডাউন সদায় নাথাকে। কৰ'না ভাইৰাছৰ আতংকও সদায় নাথাক। সম্পূৰ্ণ স্বাভাৱিক অৱস্থা ঘূৰি আহিবলৈ হয়তো কেইবা বছৰো লাগিব। কিন্তু অহা এমাহ-দুমাহতে অলপ অলপকৈ বিভিন্ন অৰ্থনৈতিক কাৰ্যকলাপ আৰম্ভ হ'ব। ইতিমধ্যে কিছুমান আৰম্ভ হৈছে। তদুপৰি লক ডাউনে সৃষ্টি কৰা সমস্যা আৰু প্ৰত্যাহ্বানক একাংশ বুদ্ধিমান আৰু উদ্যোগী যুৱক-যুৱতীয়ে অতি কমদিনৰ ভিতৰতে নতুন ধৰণে আৰু নতুন চিন্তাৰে কাম কৰাৰ সুযোগ হিচাপে ব্যৱহাৰ কৰিলে। তাৰে এটা উৎকৃষ্ট উদাহৰণ হৈছে প্ৰায় ৬০ বছৰ পুৰণি সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতি। এই সমিতিৰ যুৱ প্ৰজন্মই লক ডাউনৰ সময়ত বিভিন্ন বাধা-বিঘিনি নেওচি গাখীৰ আৰু গাখীৰৰ পৰা উৎপন্ন সামগ্ৰী ৰাজ্যৰ বিভিন্ন জিলাত চলোৱা বিপণনে আশাৰ সঞ্চাৰ কৰিছে। ঠিক একেধৰণে ৰাজ্য চৰকাৰৰ আছাম লাইভষ্টক এণ্ড প'ল্ট্ৰি ক'ৰ্প'ৰেচনে গুৱাহাটী মহানগৰীৰ গ্ৰাহকসকলৰ মাজত স্বাস্থ্যসন্মতভাৱে আৰু সুলভ মূল্যত কুকুৰা আৰু ছাগলী মাংস যোগানৰ যি ব্যৱস্থা কৰিলে, সিও কৰ্মহীন হৈ পৰা যুৱকসকলক পুনৰ সংস্থাপনৰ সন্ধান দিছে। এনেকুৱা উদাহৰণ ৰাজ্যৰ বিভিন্ন জিলাত আৰু ওলাব। সেয়ে সুভাষ চন্দ্ৰ দাস বিশেষজ্ঞ সমিতিখনে এনেবোৰ অভিজ্ঞতাৰ অধ্যয়ন কৰিলেও বহুসংখ্যক যুৱক-যুৱতী সংস্থাপিত হ'ব আৰু ৰাজ্যৰ অৰ্থনীতিও পুনৰ ঠন ধৰি উঠিব। ❑❑



## বিজুলী ভৱনলৈ গৈ মুখ্যমন্ত্ৰীয়ে শক্তি বিভাগৰ তিনিওটা কোম্পানীৰ শীৰ্ষ বিষয়াসকলৰে মিলিত হ'ল বৈঠকত



# ৰাজ্যখনৰ ৪৭ হাজাৰ অস্থায়ী বিদ্যুতৰ খুঁটা পকী খুঁটালৈ ৰূপান্তৰ শক্তি বিভাগৰ

বানৰ সময়ছোৱাত বিদ্যুৎস্পৃষ্ট হৈ কোনো লোকে যাতে মৃত্যুমুখত পৰিবলগীয়া নহয়, তাৰ বাবে শক্তি বিভাগক আগতীয়া সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৭ মে'ত নিৰ্দেশ দিয়ে। বিপদসংকুল ট্ৰেন্সফৰ্মাৰ, বৈদ্যুতিক খুঁটা, তাঁৰ ইত্যাদিৰ উপযুক্ত নিৰীক্ষণ কৰি শীঘ্ৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মহানগৰীৰ পল্টনবজাৰস্থিত বিজুলী ভৱনলৈ গৈ ৰাজ্যখনৰ সাম্প্ৰতিক বান আৰু ধুমুহাৰ পৰিপ্ৰেক্ষিতত শক্তি বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এপিডিচিএল, এইজিচিএল আৰু এপিজিচিএলৰ শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা এক বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে এতিয়াও যিবোৰ গাঁও বিদ্যুৎ সংযোগৰ পৰা বঞ্চিত হৈ আছে, সেই গাঁওসমূহৰ জনসাধাৰণে যাতে এপিডিচিএলক অৱগত কৰিব পাৰে তাৰ বাবে শীঘ্ৰে ৰাজহুৱা জাননী প্ৰকাশ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। বৈঠকত শক্তি বিভাগৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীক অৱগত কৰে যে বৰ্তমানলৈকে ৪৭ হাজাৰ বাহৰ খুঁটা আঁতৰ কৰি তাৰ ঠাইত পকী খুঁটা দি বিদ্যুৎ সংযোগ প্ৰদান কৰা হৈছে। বিভাগে মুখ্যমন্ত্ৰীক লগতে অৱগত কৰে যে জনসাধাৰণে যাতে নিজৰ অভিযোগসমূহ অৱগত কৰিব পাৰে তাৰ বাবে কল চেণ্টাৰ (অভিযোগ), 'মাই বিজুলী এপ', কাষ্টমাৰ কেয়াৰ, ই মেইল, হোৱাটছ্ এপ ইত্যাদি সন্নিৱিষ্টকৰণেৰে গ্ৰাহক সম্পৰ্কৰক্ষী বিভাগ এটা মুকলি কৰিছে। এপিডিচিএলৰ উচ্চপদস্থ বিষয়াসকলে মুখ্যমন্ত্ৰীক লগতে জনায় যে ৰাজ্যখনত বিদ্যুতৰ ৫৬ লাখ উপভোক্তা আছে যদিও ১৩ হাজাৰ উপভোক্তাই মুঠ ৰাজহৰ ৪২ শতাংশ প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে ৰাজ্যত নতুনকৈ স্থাপন কৰিবলগীয়া উদ্যোগে যাতে প্ৰয়োজনীয় বিদ্যুৎ লাভ কৰাটো সুনিশ্চিত কৰিব পৰা যায় তাৰ বাবে উদ্যোগ বিভাগৰ লগত আলোচনাত মিলিত হ'বলৈ এপিডিচিএলৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত শীতল ভঁৰাল স্থাপনৰ জৰিয়তে কৃষিখণ্ডৰ উন্নয়ন সাধন আৰু কৃষিজাত সামগ্ৰীৰ প্ৰকৃত মূল্য লাভ কৰাৰ ক্ষেত্ৰত সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিছে। সেইবাবে শীতল ভঁৰাললৈ অবিৰত বিদ্যুৎ যোগান সুনিশ্চিত কৰিবলৈ পদক্ষেপ

ল'বলৈও এপিডিচিএলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বান তথা ধুমুহাৰ লেখীয়া প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যদিহে কোনো অঞ্চলৰ বিদ্যুৎ যোগান ব্যাহত কৰিবলগীয়া পৰিস্থিতি হয়, সংশ্লিষ্ট অঞ্চলৰ জনসাধাৰণক যথাসম্ভৱ আগতে জাননী দিয়াৰ পদক্ষেপ লোৱাৰ উপৰি বিদ্যুৎ মাচুল যাতে উপভোক্তাসকলে নিয়মীয়াকৈ পৰিশোধ কৰে সেই সন্দৰ্ভত জনসচেতনতা সৃষ্টিৰ পদক্ষেপ ল'বলৈও এপিডিচিএলক নিৰ্দেশ দিয়ে। জনসাধাৰণক অবিৰত বিদ্যুৎ যোগানৰ দিশত যাতে এপিডিচিএলে সম্পূৰ্ণ পেছাদাৰী মানসিকতাৰে কৰ্মত অৱতীৰ্ণ হয় সেই সন্দৰ্ভত উপযুক্ত পদক্ষেপ ল'বলৈও এপিডিচিএল কৰ্তৃপক্ষক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে উপ-সংমণ্ডল পৰ্যায়ত নিৰীক্ষণ আৰু তদাৰকী সমিতিৰ বৈঠক নিয়মিতভাৱে অনুষ্ঠিত কৰা আৰু এই ক্ষেত্ৰত স্থানীয় বিধায়কসকলক লগত লৈ যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সময়ছোৱাত শক্তি বিভাগে আগবঢ়োৱা সেৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিভাগটোক ধন্যবাদ জ্ঞাপন কৰে।

ইয়াৰ পিছতে বিজুলী ভৱন চৌহদত উপস্থিত থকা সংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান ৰাজ্যখনৰ কেইবাখনো জিলা বানৰ কবলত পৰাৰ উপৰি 'আম্ফান' ঘূৰ্ণী বতাহৰ প্ৰভাৱত নামনি অসমৰ কেইবাখনো জিলা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি এই দুৰ্যোগৰ ফলত বিদ্যুৎ যোগান ব্যৱস্থাৰো যথেষ্ট ক্ষতি হৈছে। বৰ্তমান ৰাজ্য চৰকাৰে উপৰ্যুপৰি কেইবাটাও সমস্যাৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। এই মূহূৰ্তত বান, ধুমুহা, ক'ভিড-১৯ আৰু চোৱাইন ফ্লুৰ বিৰুদ্ধে শক্তিশালীভাৱে যুঁজ দিয়াৰ বাবে মনোবল অটুট ৰাখিব লাগিব বুলি উল্লেখ কৰি



মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ইতিমধ্যে এইক্ষেত্ৰত জনসাধাৰণৰ সহযোগত ব্যৱস্থা গ্ৰহণ কৰিছে। এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিধায়ক ডাঃ নোমল মোমিন, এপিডিচিএল, এপজিচিএল, এইজিচিএলৰ অধ্যক্ষ বিনোদ কুমাৰ পিপাৰচেনিয়া, বিদ্যুৎ বিভাগৰ আটাইকেইটা কোম্পানীৰ পৰিচালন সঞ্চালক প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❐❐



## বিত্ত মন্ত্ৰীৰ অধ্যক্ষতাত তিনিজনীয়া মন্ত্ৰীগোট গঠন



# ৰাজ্যৰ অৰ্থনীতি পুনৰুজ্জীৱিতকৰণৰ বাবে গঠিত উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল

ক'ভিড-১৯ ৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দেশতে আৰোপ কৰা লক ডাউনৰ ফলত দুৰ্বল হোৱা ৰাজ্যখনৰ অৰ্থনীতিৰ পুনৰুজ্জীৱিতকৰণৰ বাবে অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসৰ অধ্যক্ষতাত গঠন কৰি দিয়া উপদেষ্টা সমিতিখনে যোৱা ১ জুনত ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত তেওঁলোকৰ প্ৰতিবেদন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰে। এই প্ৰতিবেদন লাভ কৰাৰ পিছতেই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উপদেষ্টা সমিতিখনে আগবঢ়োৱা পৰামৰ্শসমূহৰ বিস্তৃত অধ্যয়ন আৰু ৰূপায়ণৰ বিস্তৃত পৰিকল্পনা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত তিনিজনীয়া মন্ত্ৰী গোটৰ সমিতি এখন গঠনৰ কথা ঘোষণা কৰিছে।

উল্লেখযোগ্য যে ক'ভিড-১৯ সৃষ্ট লক ডাউনৰ ফলত দুৰ্বল হোৱা ৰাজ্যখনৰ অৰ্থনীতি তথা আৰ্থ-সামাজিক দিশ আৰু খণ্ড ভিত্তিক ইয়াৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে ৰাজ্য চৰকাৰে ভাৰতীয় অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া সুভাষ চন্দ্ৰ দাসৰ



অধ্যক্ষতাত এখন সাতজনীয়া উপদেষ্টা সমিতি গঠন কৰিছিল। এই সমিতিখনে বৰ্তমানৰ পৰিস্থিতিৰ বিস্তৃত অধ্যয়ন কৰি ইতিমধ্যে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছে।

এই সমিতিখনে ক'ভিড-১৯ ৰ ফলত আৰোপ কৰা লক ডাউনৰ ফলত প্ৰভাৱিত ৰাজ্যখনৰ বিভিন্ন খণ্ডৰ সকলো বিষয়, চৰকাৰী বিভাগসমূহৰ পৰামৰ্শাৱলী তথা বিভিন্ন সংস্থা তথা জনসাধাৰণৰ মতামত গ্ৰহণ কৰি দুটা পৰ্যায়ৰ পৰামৰ্শাৱলী প্ৰদান কৰিছে। সেইসমূহ হ'ল, হ্ৰস্বকালীন আৰু মজলীয়া/দীৰ্ঘকালীন অনুমোদনাৱলী। এই সমিতিখনে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ড, উদ্যোগ, ব্যৱসায়-বাণিজ্য, পৰিবহণ, পৰ্যটন আৰু আতিথ্য খণ্ড, নিৰ্মাণ খণ্ড, প্ৰব্ৰজিত শ্ৰমিকসহ নিয়োজন ইত্যাদি খণ্ডৰ খণ্ড ভিত্তিক অনুমোদনাৱলীসমূহ সন্নিবিষ্ট কৰিছে। সমিতিখনে ক্ষুদ্ৰ ব্যৱসায়ী, দোকান আৰু অন্যান্য ব্যৱসায় খণ্ড, বাণিজ্য আৰু পৰিবহণ খণ্ড, ভ্ৰাম্যমাণ থিয়েটাৰৰ শিল্পী আৰু কলা-কুশলী, চলচ্চিত্ৰৰ লগত জড়িত থকা কলা-কুশলী তথা অন্যান্য কৰ্মচাৰীসকলৰ বাবেও কিছু সংখ্যক পৰামৰ্শ প্ৰদান কৰিছে।

সমিতিখনে উপলব্ধি কৰিছে যে যিহেতুকে পৰ্যায়ক্ৰমে অৰ্থনৈতিক কাম-কাজ সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰি তোলাটো অতিশয় প্ৰয়োজনীয়, সেয়েহে বৰ্তমানে বন্ধ হৈ থকা খণ্ড বিশেষকৈ পৰ্যটন আৰু আতিথ্য খণ্ড, হোটেল, ৰেস্তোৰাঁ আৰু অন্যান্য সেৱা খণ্ড তথা উদ্যোগ খোলাৰ দিশত ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰট'ক'ল, নীতি-নিয়ম আৰু নিৰ্দেশনা ইত্যাদি যুগুতাই উলিওৱাটো প্ৰয়োজনীয়।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ অৰ্থনীতি পুনৰুজ্জীৱিতকৰণৰ দিশত বিভিন্ন দিশ অধ্যয়ন কৰি পৰামৰ্শাৱলীসমূহ ক্ষিপ্ৰভাৱে প্ৰদান কৰাৰ বাবে সুভাষ চন্দ্ৰ দাস নেতৃত্বাধীন সমিতিখনৰ সকলো সদস্যকে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে সুভাষ চন্দ্ৰ দাসৰ অধ্যক্ষতাত গঠন কৰা সমিতিখনৰ আন সদস্যসকল হ'ল কে এম বুজৰবৰুৱা, এম পি বেজবৰুৱা, জয়দীপ বৰুৱা, অমিয় শৰ্মা, গৌতম গোস্বামী আৰু কৃষ্ণকান্ত বৰা। মুখ্যমন্ত্ৰী সোণোৱালে লগতে এই সমিতিখনে আগবঢ়োৱা পৰামৰ্শাৱলীসমূহৰ অধ্যয়ন তথা ৰূপায়ণৰ এক বিস্তৃত পৰিকল্পনা প্ৰস্তুতৰ বাবে তিনিজনীয়া মন্ত্ৰী গোটৰ সমিতি এখন গঠনৰ কথা ঘোষণা কৰিছে।

সমিতিখনে ইয়াৰ প্ৰতিবেদন দাখিলৰ সময়ত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ আয়ুক্ত সচিব নীতিন খাৰেৰ উপৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ❑❑



# রাজ্যখনৰ কৃষকৰ দ্বাৰা উৎপাদিত ৰঙালাউ ডুবাইলৈ কাৰ্গো বিমানেৰে ৰপ্তানিৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



# ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজখনত সকলোৱে দৃঢ়তাৰে আৰু ঐক্যবদ্ধতাৰে যুঁজ দিছে

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ মে'ত কৃষিমন্ত্ৰী অতুল বৰা তথা উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ কাৰ্গো টাৰ্মিনেল চেন্টাৰত ডুবাইলৈ কাৰ্গো বিমানেৰে ৰাজ্যখনৰ কৃষকৰ দ্বাৰা উৎপাদিত ৰঙালাউৰ ৰপ্তানি প্ৰক্ৰিয়াৰ ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত ক'ভিড-১৯ৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত অলপতে আৰম্ভ হোৱা ঘৰুৱা বিমান সেৱাৰ দ্বাৰা ৰাজ্যখনৰ বাহিৰৰ পৰা অহা তথা ৰাজ্যখনৰ পৰা ভাৰতৰ বিভিন্ন স্থানলৈ যোৱা বিমান যাত্ৰীসকলৰ বিভিন্ন পৰীক্ষা তথা পঞ্জীয়ন ইত্যাদিৰ বাবে উপলব্ধ কৰা ব্যৱস্থাৱলীৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই পৰিদৰ্শনৰ সময়ত বিমান বন্দৰত কৰ্তব্যত নিয়োজিত হৈ থকা স্বাস্থ্য বিষয়া, স্বাস্থ্য কৰ্মী, চি আই এছ এফ, অসম ৰাজ্যিক পৰিবহণ নিগম ইত্যাদি বিভাগসমূহৰ কৰ্মচাৰীসকলৰ সৈতেও মত বিনিময় কৰে।

পৰিদৰ্শনৰ পিছতে বিমান বন্দৰ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে চতুৰ্থ পৰ্যায়ৰ লক ডাউনৰ সময়ছোৱাত ভাৰতৰ বিভিন্ন ৰাজ্যত আবদ্ধ হৈ থকা অসমৰ লোকসকলক ৰাজ্যখনলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। ৰে'ল আৰু বিমানেৰে ইতিমধ্যে অসমৰ বহু সংখ্যক লোক অসম আহি পাইছে। গুৱাহাটী বিমান বন্দৰত এতিয়ালৈকে ৩৮খন বিমান অৱতৰণ কৰিছে। এতিয়ালৈকে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা ৩৪২১গৰাকী যাত্ৰী বিমানেৰে অসম আহি পাইছে। তদুপৰি অসমৰ পৰাও এতিয়ালৈকে সৰ্বমুঠ ১১৯০ গৰাকী যাত্ৰী বিমানেৰে ভাৰতৰ বিভিন্ন ৰাজ্যলৈ গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে অত্যন্ত নিষ্ঠাৰে এই ব্যৱস্থাৱলীসমূহ লৈছে যাতে যাত্ৰীসকলে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত উপলব্ধ কৰোৱা এই ব্যৱস্থাৱলীসমূহত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ, পৰিবহণ বিভাগ, আৰক্ষী বাহিনী, কৰ বিভাগ, আবকাৰী বিভাগ আদি বিভাগে

যৌথভাৱে ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণ তথা চি আই এছ এফৰ লগত কৰ্তব্যত আত্মনিয়োগ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। আগন্তুক দিনতো যাত্ৰীসকলৰ বাবে এনেধৰণৰ সা-সুবিধা প্ৰদানৰ বাবে চৰকাৰে নিষ্ঠাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰক্ৰিয়াত অসম ৰাজ্যিক পৰিবহণ নিগমৰ চালক তথা কৰ্মকৰ্তাসকলে অসমৰ বিভিন্ন স্থানলৈ যাত্ৰীসকলক কঢ়িয়াই নি অহৰ্নিশে যি সেৱা আগবঢ়াই আছে সেই সেৱাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা এই যুঁজখনত সকলোৱে দৃঢ়তাৰে আৰু ঐক্যবদ্ধতাৰে যুঁজ দিছে। অসমৰ ৩৩ খন জিলাৰ ৩ কোটি ৩০ লাখ জনসাধাৰণে ক'ভিড-১৯ ৰ বিৰুদ্ধে ঐক্যবদ্ধ তথা শৃংখলাবদ্ধভাৱে যুঁজ দি আছে বুলি কৈ জনসাধাৰণৰ সহযোগিতাৰ ফলতে চৰকাৰে লোৱা ব্যৱস্থাৱলীসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী বৰঝাৰ বিমান বন্দৰস্থিত কাৰ্গো টাৰ্মিনেল চেণ্টাৰৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে ডুবাই, আবুধাবি, লণ্ডন, হংকং, ছিংগাপুৰ ইত্যাদি ঠাইৰ বজাৰসমূহত অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰী হৈছে বুলি কৈ আজিও অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত ৰঙালাউ ডুবাইলৈ ৰপ্তানি কৰাৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমান চৰকাৰৰ কাৰ্যকালতে বৰঝাৰ বিমান বন্দৰত ভাৰত চৰকাৰৰ সহযোগত তথা ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগৰ তৎপৰতাত কাৰ্গো টাৰ্মিনেল বিল্ডিং নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই কাৰ্গো ৱেৰ হাউছত ৫০ মেট্ৰিকটন কৃষিজাত সামগ্ৰী মজুত কৰাৰ ব্যৱস্থা থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ পৰাই পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত কৃষিজাত সামগ্ৰী ৰপ্তানি কৰিবলৈ ৰাজ্যখনে সক্ষম হ'ব বুলিও কয়। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ উদ্যোগত পাণ্ডুৰ পৰা ষ্টীমাৰেৰে অসমৰ কৃষিজাত সামগ্ৰী ব্ৰহ্মপুত্ৰৰে বংগোপ সাগৰ হৈ বিভিন্ন প্ৰান্তলৈ ৰপ্তানিৰ পদক্ষেপ লৈ থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ভিতৰত দেশৰ কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ যি লক্ষ্য স্থিৰ কৰিছে সেই লক্ষ্য পূৰণৰ দিশত এইসমূহ পদক্ষেপ লৈ থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ কৃষকে যাতে কৃষিজাত সামগ্ৰীৰ এখন বহল বজাৰ লাভ কৰিব পাৰে তাৰ বাবেই ৰপ্তানিৰ পদক্ষেপ লৈ থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইতিমধ্যে এই বিমান বন্দৰৰ পৰাই অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত প্ৰায় ১৮২ মেট্ৰিকটন শাক-পাচলি তথা ফলমূল এতিয়ালৈকে পৃথিৱীৰ বিভিন্ন স্থানলৈ ৰপ্তানি কৰা হৈছে বুলিও উল্লেখ কৰি আগন্তুক দিনতো ৰাজ্যখনৰ কৃষকে ৰাজ্যৰ কৃষি অৰ্থনীতি শক্তিশালী কৰাৰ দিশত নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

এই পৰিদৰ্শনৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে আৰক্ষীকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল তথা চি আই এছ এফ আৰু ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ বিষয়াসকল উপস্থিত থাকে। ❑❑



# বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী



# ৰাজ্যখনৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, গছপুলি ৰোপণৰ বাবে সংকল্পবদ্ধ হ'বলৈ জনসাধাৰণক আহ্বান

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক'ভিড-১৯ অতিমাৰীৰ মাজতে অত্যন্ত সীমাবদ্ধতাৰ মাজেৰে ৰাণী সংৰক্ষিত বনাঞ্চলৰ চকৰ্দোত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ উপস্থিতিত এটা গছপুলি ৰোপণেৰে এই অঞ্চলত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ইয়াত উপস্থিত থকা সাংবাদিকসকলক একোটিকৈ গছপুলি উপহাৰ দি তেওঁলোকক সেউজ আৰু স্বচ্ছ অসম গঢ়াৰ দিশত জনসাধাৰণক আৰু অধিক সজাগ আৰু সচেতন কৰাৰ বাবে আহ্বান জনায়। এই কাৰ্যসূচীত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয়,



বিশ্ব পৰিৱেশ দিৱসৰ দিনটো হ'ল প্ৰকৃতিপ্ৰেমী ৰাইজৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ দিন। মুখ্যমন্ত্ৰীয়ে বিশ্ব পৰিৱেশ দিৱসৰ এই শুভক্ষণতে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ৰাজ্যখনৰ প্ৰকৃতি সংৰক্ষণ

তথা ইয়াৰ জৈৱ বৈচিত্ৰ্য আৰু সেউজ আৱৰণ বৃদ্ধিৰ বাবে সংকল্পবদ্ধ হ'বলৈও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমে ইয়াৰ জৈৱ বৈচিত্ৰ্যৰ প্ৰাচুৰ্য আৰু সেউজ আৱৰণৰ বাবে সমগ্ৰ জগততে প্ৰসিদ্ধ। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমি আমাৰ প্ৰাকৃতিক পৰিৱেশ জীয়াই ৰাখিব লাগিব। অসমৰ সেউজ আৱৰণ আমি সকলো সময়তে সংৰক্ষণ কৰিব লাগিব। সেয়েহে বিশ্ব পৰিৱেশ দিৱসৰ এই পৱিত্ৰ ক্ষণত অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণে গছ-গছনি ৰোপণ আৰু ইয়াৰ প্ৰতিপালনৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। গুৰুজনাৰ 'এক বৃক্ষ দশ পুত্ৰসম' উক্তিৰ উদ্ধৃতি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে গছ থাকিলেহে মানুহ থাকিব। সেয়েহে অসম চৰকাৰৰ তৰফৰ পৰা ২০১৬ চনত প্ৰদূষণমুক্ত অসম এখন গঢ়ি তোলাৰ বাবে লক্ষ্য লৈ প্ৰকৃতিৰ সংৰক্ষণৰ বাবে পদক্ষেপ লোৱা হৈছে। অসমৰ ৩৩খন জিলাত ফল-ফুল-ঔষধি বৃক্ষ ৰোপণেৰে জনসাধাৰণৰ মাজত এই দিশত এক শক্তিশালী জনসচেতনতা গঢ়ি তোলাৰ বাবে চৰকাৰখনে প্ৰয়াস চলাইছে।

মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, জনপ্ৰতিনিধিকে ধৰি সকলোকে অসমক এখন জৈৱ-বৈচিত্ৰ্যৰ শক্তিশালী স্থান হিচাপে গঢ়ি তোলাৰ দিশত নিষ্ঠাসহকাৰে কৰ্মত ব্ৰতী হোৱাৰ বাবে আহ্বান জনায়। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্তাই ৰখাৰ বাবে সকলোৱে নিষ্ঠা সহকাৰে আত্মনিয়োগ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গছ-গছনিয়ে সৃষ্টি কৰা পৰিৱেশৰ দ্বাৰা এক শক্তিশালী জৈৱ বৈচিত্ৰ্যৰ আৱৰ্তৰ সৃষ্টি হয় বুলিও মুখ্যমন্ত্ৰীয়ে দোহাৰে। সেয়েহে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বৃহৎ পৰিমাণৰ গছপুলি ৰোপণ কৰি ইয়াৰ সংৰক্ষণৰ বাবে পদক্ষেপ ল'বলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল গছ ৰোপণ কৰিলেই নহ'ব ইয়াক উপযুক্ত সংৰক্ষণ কৰিব লাগিব। এইক্ষেত্ৰত প্ৰতিগৰাকী ব্যক্তিয়ে দায়বদ্ধতাৰে পদক্ষেপ ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত ইয়াক সামাজিক তথা মানৱীয় দায়িত্ব হিচাপে সকলোৱে গণ্য কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইবাৰৰ বৰষা ঋতুতে জুলাই মাহৰ ভিতৰত অসমত ডেৰ কোটি গছপুলি ৰোপণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত সাংবাদিকসকলে জনসাধাৰণৰ মাজত উপযুক্ত জনসচেতনতাৰ সৃষ্টি কৰাৰ বাবে সাংবাদিকসকলক আহ্বান জনায়।

বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিঙৰ লগতে বহু সংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

উল্লেখ্য যে এই কাৰ্যসূচীৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে তেওঁৰ চৰকাৰী বাসভৱনতো এটা গছপুলি ৰোপণ কৰে। ❐❐



## গুৱাহাটী পৌৰ নিগমৰ মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী সোণোৱাল

# চলিত বছৰৰ ভিতৰত মহানগৰবাসীয়ে লাভ কৰিব খোৱা পানী ঃ মুখ্যমন্ত্ৰী



## মহানগৰীৰ জলাশয়সমূহ সংৰক্ষণ কৰি সৌন্দৰ্যবৰ্ধনৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ



গুৱাহাটী মহানগৰীৰ জলাশয়সমূহ সংৰক্ষণ কৰি সৌন্দৰ্যবৰ্ধনৰ বাবে যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২ জুনত গুৱাহাটী পৌৰ নিগমক নিৰ্দেশ দিয়ে। কিমানসংখ্যক জলাশয় এতিয়া সুৰক্ষিত অৱস্থাত আছে তাৰ বিশ্লেষণ কৰি আৰু অধিক সুৰক্ষাৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। গুৱাহাটী পৌৰ নিগমৰ মুখ্য কাৰ্যালয়ৰ সভাকক্ষত গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা সন্দৰ্ভত অনুষ্ঠিত এক বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে চলিত বছৰৰ ভিতৰতে যাতে গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি কাৰ্যকৰী হৈ উঠে তাৰ বাবে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গৃহ নিৰ্মাণৰ অনুমতিৰ ক্ষেত্ৰত কোনো ধৰণৰ বিলম্ব যাতে কৰা নহয় সেই দিশত উপযুক্ত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। পৌৰ নিগমৰ আইন ভংগকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে আইন বলৱৎ গোট শক্তিশালী কৰাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জৰিমনাৰ লেখীয়া পদক্ষেপসমূহ অধিক ক্ষিপ্ৰতাৰে গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত আৰক্ষীৰ লগত সহযোগিতাৰে কাম কৰিবলৈও মুখ্যমন্ত্ৰীয়ে কয়। গুৱাহাটী মহানগৰীয়ে ক্ৰমাগতভাৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এখন উল্লেখযোগ্য মহানগৰ হিচাপে স্থান লাভ কৰাৰ দিশেৰে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহানগৰীৰ যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে এক বিস্তৃত কৰ্ম আঁচনি যুগুতাই তুলিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গুৱাহাটী মহানগৰীৰ প্ৰাকৃতিক সৌন্দৰ্য সুৰক্ষা, গাড়ীৰ পাৰ্কিং, নতুন বজাৰ স্থাপন ইত্যাদি দিশসমূহ অধ্যয়ন কৰিবলৈও নিগমৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কৃত্ৰিম বান ৰোধৰ ক্ষেত্ৰত অধিক সতৰ্ক আৰু সজাগতাৰে কাম কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। গুৱাহাটী মহানগৰীক আধুনিক চহৰ হিচাপে গঢ় দিয়াৰ বাবে যিবোৰ সুযোগ আৰু সম্ভাৱনা আছে তাক অধ্যয়ন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই বৈঠকত মহানগৰীৰ গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰো বুজ লয়। ❑❑

# ৰাজ্যখনৰ বিশিষ্ট ব্যক্তি, চিন্তাবিদ, শিল্পী-সাহিত্যিকক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে



ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানক্ৰমে চলি থকা লক্-ডাউনৰ সময়ছোৱাৰ ভিতৰতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কেইবাগৰাকী বুদ্ধিজীৱী, সাহিত্যিক, সাংবাদিক, শিল্পী, বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে। মত বিনিময়ৰ সময়ত মিডিয়া উপদেষ্টাগৰাকীয়ে লক্-ডাউনৰ সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কত তেওঁলোকক অৱগত কৰে। তেওঁ লগতে সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে জনসচেতনতা সৃষ্টিৰ দিশত তেওঁলোকে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। মিডিয়া উপদেষ্টাগৰাকীয়ে যোৱা ৩০ এপ্ৰিলত আছাম ট্ৰিবিউন গোষ্ঠীৰ স্বত্বাধিকাৰী, সংবাদ জগতৰ সন্মানীয় ব্যক্তি, পদ্মশ্ৰী বঁটাৰে বিভূষিত প্ৰফুল্ল গোবিন্দ বৰুৱাৰ গুৱাহাটীস্থ বাসভৱনত উপস্থিত হৈ তেওঁৰ মংগল আৰু সুস্বাস্থ্য কামনা কৰাৰ উপৰি সাম্প্ৰতিক সময়ত ট্ৰিবিউন গোষ্ঠীয়ে সামাজিক দূৰত্ব বজাই ৰখাৰ উপৰি এই জটিল সময়ত জনসাধাৰণক ইতিবাচক মাৰ্গ প্ৰদৰ্শন কৰাৰ দৰে গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে বিশিষ্ট কথাশিল্পী, অসমৰ চিন্তাশীল জগতৰ পথিকৃৎ, সু-সাহিত্যিক হোমেন বৰগোহাঞি, বিশিষ্ট চিত্ৰশিল্পী নীলপৱন বৰুৱা, বিশিষ্ট কবি নীলমণি ফুকন, প্ৰখ্যাত অভিনেত্ৰী অনুপমা ভট্টাচাৰ্য, বিশিষ্ট কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্তক সাক্ষাৎ কৰি তেওঁলোকৰ সুস্বাস্থ্য কামনা কৰাৰ লগতে লক্-ডাউন সম্পৰ্কীয় বিভিন্ন বিষয় আলোচনা কৰে। আনহাতে, সেই সময়ত অসুস্থ হৈ গুৱাহাটীৰ এপ'ল' হাস্পতালত চিকিৎসাধীন হৈ থকা বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া নৱজিৎ দাসৰ স্বাস্থ্যৰ বুজ লয় মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে। ❑❑

## অসমৰ দুই লাখৰো অধিক লোকক নিৰাপদে ঘূৰাই অনাত বিভিন্ন বিভাগৰ সংঘবদ্ধ প্ৰয়াসৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে




# ক'ভিড-১৯ এ ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনাৰ দিশত এক নতুন শক্তি প্ৰদান কৰিলে

সমগ্ৰ দেশজুৰি আৰোপিত লক্ ডাউনৰ ফলত দেশৰ বিভিন্ন প্ৰান্তত আৱদ্ধ হৈ থকা ৰাজ্যখনৰ ২ লাখ ২৯ হাজাৰ জনসাধাৰণক অসমলৈ নিৰাপদে ওভতাই অনাৰ দিশত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগে লোৱা পদক্ষেপৰ শলাগ ল'লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কত কয় যে স্বাস্থ্য, আৰক্ষী, পৰিবহণ ইত্যাদি বিভাগৰ লেখীয়া বিভাগসমূহে দিনে-নিশাই কৰা প্ৰচেষ্টা তথা দলীয় মানসিকতাৰে কৰা কাৰ্যৰ বাবে ৰাজ্য চৰকাৰে বৃহৎ সংখ্যক জনসাধাৰণক কোনো জটিলতা অবিহনে অসমলৈ ঘূৰাই অনাৰ দিশত সফল হৈছে। যোৱা ২ জুনত অসম দক্ষতা উন্নয়ন অভিযানৰ কাৰ্যালয়ত স্থাপন কৰা ক'ভিড-১৯ ৱাৰ ৰুমত বিভাগসমূহে জনসাধাৰণৰ বাবে গ্ৰহণ কৰা পৰিবহণৰ স্থিতি পৰ্যালোচনা কৰাৰ পিছত অসম দক্ষতা উন্নয়ন অভিযান চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা মত বিনিময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মত প্ৰকাশ কৰে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ এ ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনাৰ দিশত এক নতুন শক্তি প্ৰদান কৰিলে। বৰ্তমানৰ কোনো এটা প্ৰজন্মই নিজৰ জীৱন কালত এনে ধৰণৰ জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত বিভাগে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন মাধ্যমৰে গুৱাহাটীলৈ অহা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰ ব্যক্তিসকলক তেওঁলোকৰ নিজৰ ৰাজ্যলৈ পঠিয়াই দিয়াৰ দিশত গ্ৰহণ কৰা ব্যৱস্থাৱলীসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰায়। মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনসাধাৰণৰ মাজত থকা ঐক্য-সংহতি শক্তিশালী কৰাৰ দিশত এই ব্যৱস্থাই বিশেষভাৱে অৰিহণা যোগাব বুলি কয়। বৈঠকত মুখ্যমন্ত্ৰীক অৱগত কৰা হয় যে নেপাল,




ভূটান, বাংলাদেশৰ লেখীয়া দেশসমূহৰ পৰা সৰ্বমুঠ ৫৮৫ গৰাকী ব্যক্তি বাছেৰে উভতি আহিছে। তদুপৰি, কুৱেইট, ৰাছিয়া, ইউক্ৰেইন ইত্যাদি দেশৰ পৰা প্ৰত্যক্ষ বিমান সেৱাৰ জৰিয়তে অসমলৈ জনসাধাৰণ আহিব। তদুপৰি, আমেৰিকা, কানাডা, উত্তৰ আমেৰিকা, আফ্ৰিকা, পশ্চিম ইউৰোপ ইত্যাদিৰ পৰাও উভতি অহাৰ বাবে যোগাযোগ চলাই আছে আৰু এই লোকসকল পৰ্যায়ক্ৰমে অসমলৈ আহিব। মুখ্যমন্ত্ৰীয়ে আৰক্ষী আৰু পৰিবহণ বিভাগক এই বিস্তৃত কাম-কাজৰ বিভিন্ন দিশ সামৰি এখন চুটি চলচ্চিত্ৰ নিৰ্মাণৰ বাবে নিৰ্দেশ দিয়ে যাতে ভৱিষ্যতৰ প্ৰশাসনে প্ৰত্যাহ্বানৰ সৈতে কেনেদৰে মোকাবিলা কৰিব লাগে সেই সম্বন্ধে আভাস পাব পাৰে। এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে অসম দক্ষতা উন্নয়ন অভিযানৰ 'সুদক্ষ' নামৰ এক ডিজিটেল পৰ্টেলো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই পৰ্টেলে অসমলৈ উভতি অহা দক্ষ লোকৰ দক্ষতা চিনাক্তকৰণ তথা তেওঁলোকৰ নিয়োজনৰ দিশত বিশেষ সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই পৰ্টেলত ১৮ বছৰৰ পৰা ৪০ বছৰ বয়সৰ উভতি অহা দক্ষ যুৱক-যুৱতীয়ে নিজৰ নাম পঞ্জীয়নৰ সুবিধা লাভ কৰাৰ উপৰি তেওঁলোকৰ দক্ষতা অনুসৰি প্ৰশিক্ষণৰ সুবিধা লাভ কৰিব। এই প্ৰশিক্ষণৰ সমাপনৰ পিছত অসম দক্ষতা উন্নয়ন অভিযানে প্ৰশিক্ষাৰ্থীসকলক নিজৰ উদ্যোগ স্থাপনৰ বাবে বেংকৰ ঋণ লাভ কৰাৰ দিশত সহায় কৰিব যাতে তেওঁলোকে স্বনিয়োজনৰ সুবিধা লাভ কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ড যেনে গাহৰি পালন, ছাগলী পালন আৰু মীন পালন ইত্যাদিৰ লেখীয়া খণ্ডসমূহত অসমলৈ উভতি অহা কৰ্ম শক্তিক নিয়োজিত কৰাৰ বাবে লক্ষ্য লৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উঠি অহা যুৱ উদ্যোগীসকলক নিজৰ ব্যৱসায় ক্ষেত্ৰ গঢ়ি তোলাৰ দিশত ৰাজ্য চৰকাৰে বিশেষভাৱে উৎসাহিত কৰিব যাতে তেওঁলোকে আন ১০ জনক এই ক্ষেত্ৰসমূহত নিয়োজিত কৰিব পাৰে। বৈঠকৰ পিছত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়েও সাংবাদিকৰ সৈতে মত বিনিময় কৰি কয় যে ক'ভিড-১৯ ৰ ফলত আৰোপিত লক্ ডাউনৰ ফলত কিছু দুৰ্বল হোৱা ৰাজ্য অৰ্থনীতি পুনৰ শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে সকলো প্ৰকাৰৰ পদক্ষেপ লৈছে। এইক্ষেত্ৰত বিভিন্ন খণ্ডত কৌশলগত হস্তক্ষেপেৰে ৰাইজৰ অৰ্থনীতি ত্বৰান্বিত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এই বৈঠকত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন শৃংখলা) জি পি সিং, অসম দক্ষতা উন্নয়ন অভিযানৰ পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰীৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❐❐

# পাৰদৰ্শিতাৰ ভিত্তিত গাঁও পঞ্চায়তসমূহৰ মূল্যাংকন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ



## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মুখ্য কাৰ্যালয়লৈ গৈ কাম-কাজৰ পৰ্যালোচনা

'চৰকাৰৰ ভাবমূৰ্তি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সৰ্বসাধাৰণ ৰাইজে এই বিভাগৰ পৰা সৰ্বাধিক সেৱা লাভ কৰে। এই বিভাগে ৰূপায়ণ কৰা আঁচনিসমূহ সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে কাৰ্যকৰী কৰিব পাৰিলেহে সুপ্ৰশাসন প্ৰতিষ্ঠা হ'ব।' যোৱা ৫ জুনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিসমূহ ৰূপায়ণৰ মূল চালিকা শক্তি হিচাপে কাম কৰা গাঁও পঞ্চায়তসমূহৰ পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি প্ৰতিখন পঞ্চায়তক মূল্যাংকন কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে এই বৈঠকতে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে এই মূল্যাংকনৰ জৰিয়তে বিভাগে গাঁও পঞ্চায়তৰ সভাপতি, সচিব আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াসকলক জবাবদিহি কৰিব পাৰিব। যিসমূহ জিলাত অধিকাংশ গাঁও পঞ্চায়তৰ প্ৰদৰ্শন নিম্ন মানৰ হয় সেই জিলাৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে পঞ্চায়তৰ সভাপতি আৰু সচিবৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বিভাগটোৰ অধীনত আবণ্টিত ধনৰ ব্যয়ৰ সুক্ষ্ম নিৰীক্ষণৰ পোষকতা কৰি মুখ্যমন্ত্ৰী সোণোৱালে কোনো কাৰণতে যাতে ৰাজহুৱা ধনৰ অপচয় হ'ব নোৱাৰে সেয়া নিশ্চিত কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে।

সংবাদ মাধ্যমত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ সংক্ৰান্তত প্ৰকাশিত বা-বাতৰিসমূহ দৈনিক ভিত্তিত নিৰীক্ষণ কৰিবৰ বাবে ৰাজ্যিক পৰ্যায়ত এটা নিৰীক্ষণ গোট গঠন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই গোটে সংবাদ মাধ্যমত প্ৰকাশিত বা প্ৰচাৰিত বা-বাতৰিসমূহ অধ্যয়ন কৰি সংশ্লিষ্ট গাঁও পঞ্চায়তসমূহৰ পৰা সেই বিষয়ে কৈফিয়ৎ তলব কৰিব যাতে অভিযোগসমূহৰ সত্যতা নিৰূপণ কৰাৰ লগতে দোষীৰ বিৰুদ্ধে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত যিকোনো আঁচনি সম্পৰ্কে লাভ কৰা অভিযোগৰ ওপৰত যাতে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হয় সেইটো নিশ্চিত কৰিবলৈ বিভাগীয় মন্ত্ৰী নৱ দলেক মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান দৈনিক ভিত্তিত লাভ কৰিব পৰাকৈ এক কাৰ্যপ্ৰণালী গঢ়ি তুলিবলৈও বৈঠকত নিৰ্দেশ দিয়ে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহে সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলক কৰ্ম সংস্থাপন প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয় বুলি উল্লেখ কৰি এই আঁচনিসমূহৰ



ৰূপায়ণত জড়িত ব্যক্তিসকলে যাতে উপযুক্ত সামাজিক মৰ্যাদা লাভ কৰে সেয়া নিশ্চিত কৰিব পৰাকৈ পদক্ষেপ ল'বলৈ বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গ্ৰামাঞ্চলসমূহৰ অৰ্থনৈতিক দিশত প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও তাৰ প্ৰকৃত সুবিধা জনসাধাৰণে লাভ কৰিবলৈ সক্ষম হোৱা নাই। উৎপাদিত সামগ্ৰী আৰু বজাৰ ব্যৱস্থাৰ মাজত পৰ্যাপ্ত যোগাযোগ নথকাৰ বাবে এই সুবিধা উপযুক্তভাৱে কাৰ্যকৰীকৰণ সম্ভৱ হৈ উঠা নাই। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে বিভাগক এটা বিশেষ গোট গঠন কৰি তৃণমূল পৰ্যায়ত বজাৰ ব্যৱস্থাটো অধ্যয়ন কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে অধিক পেছাদাৰী মনোভাৱৰে কাম কৰাৰ পোষকতা কৰে। গাঁও পঞ্চায়তৰ জনপ্ৰতিনিধিসকলে আঁচনিসমূহৰ ৰূপায়ণ সফল কৰি তুলিব পৰাকৈ তেওঁলোকৰ দক্ষতা বৃদ্ধি আৰু সচেতনতা সৃষ্টিৰ ওপৰত মুখ্যমন্ত্ৰীয়ে জোৰ দিয়ে। তদুপৰি, এমজিএনৰেগাকে ধৰি বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহত যাতে অধিক সংখ্যক মহিলাই কৰ্ম সংস্থাপন লাভ কৰিব পাৰে তাৰ বাবে বিহিত পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এমজিএনৰেগাত কাম কৰা জ'ব কাৰ্ডধাৰী সকলে কৰ্ম ক্ষেত্ৰত যাতে সুকীয়া পৰিচয় লাভ কৰিব পাৰে তাৰ বাবে তেওঁলোকক পৰিচয় পত্ৰ প্ৰদানৰ ব্যৱস্থা ল'বলৈ বিভাগক মুখ্যমন্ত্ৰী সোণোৱালে কয়। বিভাগীয় বিষয়াসকলে বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে এমজিএনৰেগাৰ অধীনত ৰাজ্যত ৪৮.৩৫ লাখ জ'ব কাৰ্ড প্ৰদান কৰা হৈছে আৰু এই কাৰ্ডৰ অধীনত কৰ্মসংস্থাপন লাভ কৰা মহিলাৰ শতকৰা হাৰ হৈছে ৪২.১৭। কৰ'না ভাইৰাছৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰজুৰি ঘোষণা কৰা লক্‌ডাউনৰ সময়ছোৱাত বিভাগৰ অধীনত ৰাজ্যৰ ১১ হাজাৰ আত্মসহায়ক গোটে ৬৮ লাখতকৈ অধিক মাস্ক প্ৰস্তুত কৰাৰ কথা উল্লেখ কৰি ইয়াৰে ৫২ লাখৰো অধিক মাস্ক বিক্ৰী কৰি ১১.৮৭ কোটি টকা উপাৰ্জন কৰিছে বুলি কয়। তদুপৰি, শাক-পাঁচলি, গাখীৰ, কণী, হাঁহ-কুকুৰা আৰু মাছ বিক্ৰী কৰি ৰাজ্যৰ ৭৯,০০৪ টা আত্ম-সহায়ক গোটে ৮.১৫ কোটি টকা লক্ ডাউনৰ সময়ত উপাৰ্জন কৰিছে। এই কথা উল্লেখ কৰি বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে বিভাগৰ তৰফৰ পৰা সামাজিক সুৰক্ষা কাৰ্যসূচীৰ অধীনত ৰাজ্যৰ ২২.৮৪ লাখতকৈ অধিক হিতাধিকাৰীক ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি, ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনি, ৰাষ্ট্ৰীয় দিব্যাংগ পেঞ্চন আঁচনি, ছহিদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি, ইন্দিৰা মিৰি সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি আদিকে ধৰি অন্যান্য আঁচনিৰ জৰিয়তে আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। লক্ ডাউনৰ সময়ত ৪.১৮ লাখৰো অধিক হিতধিকাৰীক ১০০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। সেইদৰে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ২০১৬-১৭ বৰ্ষৰ পৰা ২০৪৬ কোটি টকা ব্যয়ৰে ২,৭০,৬০৭ টা পকী গৃহ নিৰ্মাণ কৰা হৈছে। ২০২০-২১ বিত্তীয় বৰ্ষত অতিৰিক্ত ৩,৬৫,৯৭৬ টা গৃহ নিৰ্মাণৰ আৱণ্টন লাভ কৰা হৈছে বুলি বিষয়াসকলে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে। এমজিএনৰেগাকে ধৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু আন বিভাগৰ সমন্বয়েৰে বিভাগটোৱে আমাৰ গাঁও আমাৰ অৰ্থনীতি, আমাৰ মাটি আমাৰ খেতি, আমাৰ পুখুৰী আমাৰ মাছ, মুখ্যমন্ত্ৰী দিব্যাংগ আত্মনিৰ্ভৰ আঁচনি নামেৰে চাৰিখন বিশেষ আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। এই আঁচনিকেইখনৰ মাধ্যমেদি গ্ৰামাঞ্চলত কৃষি, উদ্যান শস্য, ৰেচম, মৎস্য আৰু পশুধনৰ ক্ষেত্ৰত ৰাজ্যৰ ৭৪,২০০ টা আত্ম-সহায়ক গোটক আৰ্থিকভাৱে উপাৰ্জনৰ সুযোগ প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি, বহিঃৰাজ্যৰ পৰা ঘৰমুৱা হোৱা শ্ৰমিকসকলৰ এক তথ্য ভাণ্ডাৰ প্ৰস্তুত কৰি তেওঁলোকৰ কৌশল চিনাক্ত কৰাৰ লগতে সেই কৌশল বিকাশৰ বাবে 'সম্পৰ্ক' নামেৰে এটা ছ'ফট্‌ৱেৰ প্ৰস্তুত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালক বিভাগীয় বিষয়াসকলে অৱগত কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কা, আয়ুক্ত হেমেন দাস, ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক খগেশ্বৰ পেগু, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সঞ্চালক উৎপলা শইকীয়া প্ৰমুখ্য বিভাগীয় বিষয়াসকল এই বৈঠকত উপস্থিত থাকে। ❑❑

# ক'ভিড-১৯ৰ বিৰুদ্ধে অব্যাহত আছে জনসংযোগৰ সজাগতামূলক প্ৰচাৰ অভিযান



কৰ'না ভাইৰাছ বা ক'ভিড-১৯ ৰ বিৰুদ্ধে সমগ্ৰ বিশ্বই যুঁজ দিছে। কৰ'না ভাইৰাছ আজি মানৱ জাতিৰ প্ৰধান শত্ৰু। কৰ'না ভাইৰাছৰ সন্মুখত বিশ্বশক্তি, পৃথিৱীৰ বৃহত্তম শক্তি বুলি কোনো কথা নাই। সমগ্ৰ মানৱজাতি এনেদৰে এবিধ মহামাৰীৰ কবলত পৰাৰ নজিৰ বিশ্বৰ লিখিত ইতিহাসত পাবলৈ নাই। প্ৰথম বিশ্বৰ পৰা তৃতীয় বিশ্বৰ দেশ সমূহলৈকে সকলোৰে এতিয়া উমৈহতীয়া শত্ৰু কৰ'না ভাইৰাছ। কৰ'না ভাইৰাছৰ চিকিৎসাতকৈ প্ৰতিৰোধেই উত্তম পন্থা বুলি গ্ৰহণ কৰি সমগ্ৰ বিশ্বই এই ৰোগ প্ৰতিৰোধৰ বাবে জনসজাগতা আৰু সচেতনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ প্ৰথম চৰ্ত হৈছে জনসজাগতা। সেয়ে অসমত এই ভাইৰাছৰ বিষয়ে ৰাজ্যজোৰা সচেতনতা সৃষ্টিক অগ্ৰাধিকাৰ দিয়া হৈছে। এই ক্ষেত্ৰত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। জনসংযোগ সঞ্চালকালয় আৰু ইয়াৰ অধীনস্থ জিলা আৰু মহকুমা



কামৰূপ জিলা

পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলে কৰ'না ভাইৰাছৰ বিৰুদ্ধে ৰাজ্যজোৰা সচেতনতা সৃষ্টিৰ বাবে বিভিন্ন পদক্ষেপ আৰু ব্যৱস্থা গ্ৰহণ কৰিছে।

বৰ্তমান সময়ত ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যম গণ সংযোগৰ অন্যতম আহিলা। বাতৰি কাকত আৰু সংবাদপত্ৰই সকলো বিষয় পাঠক - দৰ্শকৰ কাষ চপাই নিয়ে। জনসংযোগ বিভাগে কৰ'না ভাইৰাছৰ বিষয়ে প্ৰণালীবদ্ধভাৱে ছপা আৰু বৈদ্যুতিন মাধ্যমৰ জৰিয়তে বিজ্ঞাপন প্ৰকাশ আৰু প্ৰচাৰ কৰি ৰাইজক সজাগ আৰু সচেতন কৰি ৰখাৰ অভিযান অব্যাহত ৰাখিছে। কৰ'না ভাইৰাছ প্ৰতিৰোধৰ বাবে চলা এই প্ৰচাৰ অভিযানৰ আৰম্ভণিতে বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশ কৰি এই ভাইৰাছৰ উৎপত্তি, কৰ'না ভাইৰাছৰ লক্ষণ সমূহ, ভাইৰাছ কিদৰে বিয়পে, ভাইৰাছ প্ৰতিৰোধৰ বাবে কৰিবলগীয়া আৰু নকৰিবলগীয়া কাম আদিৰ বিষয়ে ৰাইজক সজাগ কৰি দিয়া হৈছিল। এই ভাইৰাছ প্ৰতিৰোধৰ বাবে একত্ৰিত হৈ যুঁজ দিয়াৰ আহ্বান জনোৱাৰ লগতে চৰকাৰৰ হেল্পলাইন নম্বৰো প্ৰচাৰ কৰা হৈছিল। ৰাইজৰ সজাগতাই কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰিব বুলি সংবাদপত্ৰসমূহত জনসাধাৰণে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ আৰু অসম চৰকাৰে ৰোগ প্ৰতিৰোধ কৰিবৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়েও বিজ্ঞাপন প্ৰচাৰ কৰি থকা হৈছে। জনসংযোগৰ বিজ্ঞাপনত উৰাবাতৰিক প্ৰশ্ৰয় নিদিবৰ কাৰণে বিশেষভাৱে আহ্বান জনোৱা হৈছিল। কৰ'না ভাইৰাছ সংক্ৰান্তত জনসাধাৰণৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা পৰামৰ্শ আৰু নিৰ্দেশনাৱলী প্ৰচাৰ কৰি থকা হৈছে। জনতা কাৰ্ফিউ পালন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনকল্যাণকামী আহ্বানৰ প্ৰতি পূৰ্ণ



সঁহাৰি জনাবৰ বাবে ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনোৱা আহ্বান বিজ্ঞাপন যোগে প্ৰচাৰ কৰা হৈছিল। অসমৰ ৰাজ্যবাসীয়ে এই আহ্বানৰ প্ৰতি অভূতপূৰ্ব সঁহাৰি জনাইছিল। ইয়াৰ পিছত কৰ'না ভাইৰাছ প্ৰতিৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থা আৰু পদক্ষেপ তথা সজাগতামূলক বিজ্ঞাপনৰ প্ৰচাৰ অব্যাহত আছে। উল্লেখ্য যে এই বিজ্ঞাপনসমূহ অসমীয়া, ইংৰাজী, হিন্দী, বাংলা, বড়ো আদি বিভিন্ন ভাষাত প্ৰচাৰ হৈছে।



বিশ্বনাথ জিলা

জনসংযোগে কৰ'না ভাইৰাছ প্ৰতিৰোধী প্ৰচাৰত বৈদ্যুতিন সংবাদ মাধ্যমো সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিছে। দূৰদৰ্শন কেন্দ্ৰৰ লগতে অসমৰ আটাইকেইটা ব্যক্তিগত খণ্ডৰ টেলিভিচন চেনেলত কৰ'নাৰ বিৰুদ্ধে ল'বলগীয়া সাৱধানতা আৰু চৰকাৰে জনসাধাৰণৰ সাহায্যৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই বিষয়ে প্ৰচাৰ চলাই থকা হৈছে। যোৱা ২২ মাৰ্চ, ২০২০ত জনতা কাৰ্ফিউ পালনৰ বাবে অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাইজলৈ জনোৱা আহ্বানৰ ভিডিঅ' টেলিভিচন চেনেলত বিজ্ঞাপনযোগে প্ৰচাৰ কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে নিজে হাত ধুই ৰাইজক এনেদৰে পৰিষ্কাৰ হৈ থকাৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা ভিডিঅ' দূৰদৰ্শন আৰু ব্যক্তিগত খণ্ডৰ টেলিভিচন চেনেলযোগে প্ৰচাৰ কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা লকডাউন সফলভাৱে পালন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জনোৱা আহ্বানৰ ভিডিঅ' টেলিভিচন চেনেলযোগে প্ৰচাৰ কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে নিজে জনসাধাৰণলৈ পোনপটীয়াভাৱে জনোৱা এনে আহ্বান যথেষ্ট ফলপ্ৰসূ হৈছে। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণলৈ কৰা আহ্বানসমূহ দৃশ্য- শ্ৰাব্য মাধ্যমেৰে কৰা প্ৰচাৰে কৰ'নাৰ বিৰুদ্ধে চৰকাৰ আৰু ৰাইজৰ ঐক্যবদ্ধ যুঁজ অধিক শক্তিশালী কৰিছে। লক ডাউনৰ সময়ছোৱাত কেন্দ্ৰীয় গৃহ বিভাগ আৰু ৰাজ্য চৰকাৰে ৰাইজৰ সুবিধাৰ বাবে সময়ে সময়ে আগবঢ়োৱা নিৰ্দেশনাৱলীও ছপা আৰু বৈদ্যুতিন মাধ্যমযোগে বিজ্ঞাপনৰ ৰূপত প্ৰচাৰ কৰা হৈছে। সেইদৰে এই সময়ছোৱাত শিক্ষা, কৃষি, পৰিবহণ, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগসমূহে সৰ্বসাধাৰণ সহায়ৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা আৰু পদক্ষেপসমূহৰ বিষয়ে ছপা আৰু বৈদ্যুতিন মাধ্যমত বিজ্ঞাপন প্ৰচাৰ কৰি থকা হৈছে।

গণসংযোগৰ এক প্ৰধান আহিলা হৈছে অনাতাঁৰ যন্ত্ৰ বা ৰেডিঅ'। কৰ'নাৰ বিৰুদ্ধে অসমবাসী ৰাইজক সজাগ কৰি তুলিবৰ বাবে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে ৰেডিঅ'ৰো ব্যৱহাৰ কৰিছে। টেলিভিচন চেনেলৰ দৰে আকাশবাণীৰ কেন্দ্ৰসমূহ আৰু এফ এম ষ্টেচনসমূহৰ মাধ্যমেৰে মুখ্যমন্ত্ৰীয়ে ৰাইজলৈ জনোৱা আহ্বানসমূহ প্ৰচাৰ কৰা হৈছে। অসমত থকা গুৱাহাটী আৰু ডিব্ৰুগড়ৰ লগতে আকাশবাণীৰ যোৰহাট, নগাঁও, তেজপুৰ, শিলচৰ, হাফলং, ডিফু, কোকৰাঝাৰ আদি কেন্দ্ৰসমূহৰ জড়িয়তে কৰ'না সংক্ৰান্তত সচেতনতা আৰু সজাগতাৰ বাবে 'জিংগল' প্ৰচাৰ কৰা হৈছে। ব্যক্তিগত খণ্ডৰ এফ এম ষ্টেচনসমূহৰ জড়িয়তেও এনে জিংগল প্ৰচাৰ কৰি থকা হৈছে।



মাজুলী জিলা

সমগ্ৰ ৰাজ্যতে জিলা আৰু মহকুমা পৰ্যায়ত জনসংযোগ বিভাগৰ স্থায়ী অনুভাষ যন্ত্ৰৰ (এফ এল এছ) ব্যৱস্থা আছে। কৰ'না প্ৰতিৰোধৰ উদ্দেশ্যে সজাগতা সৃষ্টিৰ বাবে জনসংযোগৰ প্ৰচাৰ ব্যৱস্থাৰ অন্যতম উপাদানৰূপে পৰিগণিত হৈছে এফ এল এছ। ৰাজ্যখনৰ সকলো জিলা আৰু মহকুমাতে কৰ'নাৰ বিৰুদ্ধে চৰকাৰৰ প্ৰচাৰ অভিযান আৰম্ভ হোৱাৰ দিনৰ পৰাই এফ এল এছসমূহৰ জৰিয়তে জনগণক নিৰন্তৰ সজাগ কৰি থকা হৈছে। কৰ'না ভাইৰাছৰ সংক্ৰমণৰ লক্ষণ, জনবহুল ঠাইলৈ যোৱা বৰ্জন, অপ্ৰয়োজনীয় ভ্ৰমণ পৰিহাৰ, মাস্ক পৰিধানৰ প্ৰয়োজনীয়তা, হাত ধোৱাৰ ধৰণ, ৰুমাল আৰু 'টিছ্যু'ৰ ব্যৱহাৰৰ পৰা অসমৰ বিভিন্ন স্থানত নিৰীক্ষণ কেন্দ্ৰ স্থাপন, চিকিৎসা মহাবিদ্যালয়কেইখন আৰু আন চিকিৎসালয়ত কৰ'না সন্দেহযুক্ত আৰু আক্ৰান্তৰ পৰীক্ষা আৰু আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা আদিৰ বিষয়ে এফ এল এছ যোগে জনসাধাৰণক নিয়মীয়াকৈ অৱগত কৰা হৈছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰ'না প্ৰতিৰোধৰ বাবে ৰাইজলৈ জনোৱা সকলো আহ্বান টেলিভিচন আৰু ৰেডিঅ'ৰ লগতে এফ এল এছ যোগেও অবিৰতভাৱে প্ৰচাৰ কৰি থকা হৈছে। জনতা কাৰ্ফিউৰ আগদিনা মাজনিশা পৰ্যন্ত এফ এল এছ যোগে ৰাইজক এই কাৰ্যসূচী সফল কৰিবলৈ আহ্বান জনোৱা হৈছিল। লক ডাউনৰ আটাইকেইটা পৰ্যায়তে জনসাধাৰণে পালন কৰিবলগীয়া নিয়ম-নীতিৰ বিষয়ে এফ এল এছ যোগে প্ৰচাৰ চলাই থকা হৈছে।

বাতৰি কাকত, ৰেডিঅ', টেলিভিচন আদি প্ৰচাৰ মাধ্যমসমূহে সমগ্ৰ ৰাজ্যবাসীকে প্ৰায় সামৰি লয়। কিন্তু কৰ'না বিৰোধী যুঁজৰ বিষয়ে ৰাজ্যখনৰ চুকে-কোণে বাস কৰা সকলো ৰাইজকে সজাগ কৰিবৰ জনসংযোগ বিভাগে গাঁৱে-ভূঁয়ে মাইক যোগেও প্ৰচাৰ অব্যাহত ৰাখিছে। বিভাগৰ বিষয়া আৰু কৰ্মচাৰীয়ে গাড়ীত মাইক লৈ নিজৰ নিজৰ জিলা আৰু মহকুমাৰ পিছপৰা অঞ্চলত কৰ'না প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰিবলগীয়া সাৱধানতাৰ বিষয়ে প্ৰচাৰ চলাইছে।

বৰ্তমান সময়ত সামাজিক মাধ্যমসমূহৰ জনপ্ৰিয়তাই সকলো বয়সৰ লোকক সামৰি লয়। যুৱ প্ৰজন্মৰ মাজত ফে'চবুক, টুইটাৰ, ইনষ্টগ্ৰাম আদি যথেষ্ট জনপ্ৰিয়। সামাজিক মাধ্যমত যিকোনো বাতৰি কম সময়ৰ ভিতৰতে বিয়পি পৰে। ক'ৰনা প্ৰতিৰোধী প্ৰচাৰৰ বাবে জনসংযোগে ফে'চবুক, টুইটাৰ, ইনষ্টগ্ৰাম আদি সামাজিক মাধ্যমসমূহৰো ব্যাপক ব্যৱহাৰ কৰিছে। জনসংযোগ সঞ্চালকালয়ৰ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম facebook.com/diprassam, twitter.com/diprassam, instagram.com/diprassam আৰু ৱেবছাইটযোগে এই সঞ্চালকালয় আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণকে আদি কৰি বিভিন্ন বিভাগৰ সজাগতা প'ষ্টসমূহ দি আহিছে। ইয়াৰ সমান্তৰালভাৱে সামাজিক মাধ্যমসমূহৰ জৰিয়তে অসত্য বাতৰি আৰু ভুৱা প্ৰচাৰ চলোৱা লোকৰ বিৰুদ্ধেও সজাগতা সৃষ্টি কৰা হৈছে। জনসংযোগৰ নিজা ফে'চবুক পে'জৰ 'পোষ্ট ৰীচ'ৰ সংখ্যাই এই সময়ছোৱাত ৩.৫০ লাখ অতিক্ৰম কৰিছিল। জনসংযোগৰ টুইটাৰ একাউন্টৰ সৈতেও এই কৰ'না প্ৰতিৰোধী প্ৰচাৰৰ সময়ত বহু লোক সংযোজিত হয়। ভুৱা আৰু অসত্য বাতৰিৰ বিৰুদ্ধে ফে'চবুক, টুইটাৰ আৰু ইনষ্টগ্ৰাম প্লেটফৰ্মত #diprFakeNewsAlert নামেৰে এক প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজ্যখনৰ বহু সামাজিক মাধ্যম ব্যৱহাৰকাৰী ইয়াৰ পৰা উপকৃত হৈছে।



হাইলাকান্দি জিলা



ডিব্ৰুগড় জিলা

জনসংযোগৰ সঞ্চালকে ৰাজ্যখনৰ বৈদ্যুতিন সংবাদ মাধ্যমৰ মুখ্য সম্পাদক / সম্পাদকসকললৈ পত্ৰ লিখি লক্‌ডাউনৰ সময়ত বিভিন্ন বয়সৰ দৰ্শকৰ মনোৰঞ্জন আৰু মানসিক সু-স্বাস্থ্য অটুট ৰখাৰ উদ্দেশ্যে জনপ্ৰিয় কথাছবি, ছিৰিয়েলৰ প্ৰচাৰ আৰু পুনৰ প্ৰচাৰ, অভিনৱ অনুষ্ঠানৰ প্ৰচাৰ আদিৰ ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰিছিল।

জনসংযোগে বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে এই সময়ছোৱাত নিলগীয়া কেন্দ্ৰ (কোৱেৰেণ্টিন চেণ্টাৰ), ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰিবলগীয়া খাদ্য-পথ্য আদিৰ বিষয়েও প্ৰচাৰ অব্যাহত ৰাখিছে।

ক'ভিড-১৯ প্ৰতিৰোধ কৰিবৰ বাবে আকাশবাণী গুৱাহাটীয়ে নিয়মীয়াকৈ প্ৰচাৰ কৰি থকা 'প্ৰতিৰোধ' নামৰ অনুষ্ঠানটো স্থায়ী অনুভাষ যন্ত্ৰযোগে জিলা আৰু মহকুমা পৰ্যায়ত প্ৰচাৰ কৰি থকা হৈছে।

ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ ৩১ মাৰ্চ, ২০২০ ৰ হুকুম অনুসৰি (ডব্লিউ পি (চি) নং ৪৬৮/২০২০) ইতিমধ্যে অসত্য বাতৰিৰ পৰ্যবেক্ষণ আৰু প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে তথ্য আৰু জনসংযোগ সঞ্চালকক অধ্যক্ষ হিচাপে লৈ ৫ জনীয়া ৰাজ্যিক সমিতি গঠন কৰা হৈছে। ইয়াত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, অসম আৰক্ষী আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰতিনিধি সদস্য হিচাপে আছে। এই সমিতিয়ে নিতৌ অসত্য বাতৰি আৰু উৰাবাতৰি/ ছ'চিয়েল মিডিয়াত দিয়া আপত্তিজনক মন্তব্যসমূহ পৰ্যবেক্ষণ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

**তথ্যকোষ (৪ জুন, ২০২০ লৈকে)ঃ**

- স্থায়ী অনুভাষ যন্ত্ৰ আৰু গাড়ীযোগে গাঁৱে-চহৰে প্ৰচাৰ কৰা ক'ভিড-১৯ বিষয়ক বিভিন্ন আহ্বান আৰু তথ্যসম্বলিত অডিঅ'ৰ সংখ্যা ঃ ৩৬০।
- ছপা আৰু বৈদ্যুতিন মাধ্যমত প্ৰচাৰ হোৱা বিজ্ঞাপন ঃ ১১০। (শ্ৰৱণ শক্তিৰহিত দৰ্শকৰ বাবেও সুকীয়া বিজ্ঞাপন)
- ৰাইজে ক'ভিড-১৯ প্ৰতিৰোধ বিষয়ক চৰকাৰী পদক্ষেপৰ কথা জানিবলৈ যোগাযোগ কৰিবৰ বাবে জিলা তথ্য আৰু জনসংযোগ বিষয়া আৰু মহকুমা তথ্য আৰু জনসংযোগ বিষয়াৰ নাম আৰু ফোন নম্বৰ বাতৰি কাকত আৰু সামাজিক মাধ্যমত প্ৰচাৰ।
- ৰেডিঅ' জিংগল ঃ ১১ টা বিভিন্ন জিংগল।
- আকাশবাণী গুৱাহাটীৰ 'ক'ভিড-১৯ প্ৰতিৰোধ' নামৰ ফোন-ইন অনুষ্ঠান আৰু বাতৰি জিলা আৰু মহকুমাত স্থায়ী অনুভাষ যন্ত্ৰযোগে প্ৰচাৰ।
- মাননীয় মুখ্যমন্ত্ৰীৰ দিনটোৰ কাৰ্যসূচী ভিত্তিক বুলেটিন স্থায়ী অনুভাষ যন্ত্ৰযোগে নিয়মীয়াকৈ প্ৰচাৰ।
- মাননীয় মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী আৰু তথ্য আৰু জনসংযোগ সঞ্চালক অনুপম চৌধুৰীৰ সংবাদমেল ঃ ১।
- তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ ভিডিঅ' কনফাৰেন্সত তথ্য আৰু জনসংযোগ সঞ্চালকৰ অংশগ্ৰহণ।
- জিলা আৰু মহকুমাৰ তথ্য আৰু জনসংযোগ বিষয়াসকলৰ সৈতে মাননীয় মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা আৰু তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব আৰু সঞ্চালকৰ ভিডিঅ' কনফাৰেন্স ঃ ১।
- জনসংযোগ সঞ্চালকৰ আকাশবাণীৰ ফোন-ইন টক কাৰ্যসূচীত অংশগ্ৰহণ ঃ ২।
- টেলিভিছন চেনেলৰ টক শ্ব'ত জনসংযোগ সঞ্চালকৰ অংশগ্ৰহণ ঃ ২।
- ৰাইজলৈ সমূহীয়া সজাগতামূলক এছ এম এছ ঃ ১০ লাখ।
- দূৰদৰ্শন কেন্দ্ৰ আৰু ব্যক্তিগত খণ্ডৰ টেলিভিছন চেনেলত জনসংযোগ সঞ্চালকৰ সাক্ষাৎকাৰ ঃ ৩।
- মাননীয় মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাই তথ্য আৰু জনসংযোগৰ ক'ভিড-১৯ প্ৰতিৰোধী প্ৰচাৰ অভিযানৰ নিয়মীয়া পৰ্যালোচনা কৰি আছে। ❑❑

# ৰাজ্যৰ কৃষি অৰ্থনীতিৰ উত্থানৰ নেতৃত্ব বহন কৰিবলৈ এন আৰ এলক মুখ্যমন্ত্ৰীৰ আহ্বান



## নুমলীগড় ৰিফাইনেৰী সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়' ৰিফাইনেৰী প্লাণ্টৰ নিৰ্মাণ কাৰ্যৰ পৰ্যালোচনা

ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনীতিৰ প্ৰসাৰৰ ক্ষেত্ৰত এক সক্ৰিয় ভূমিকা ল'বলৈ তথা স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক আহ্বান জনাইছে। যোৱা ১৩ মে'ত নুমলীগড়স্থিত নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ মুখ্য কাৰ্যালয়ত নুমলীগড় ৰিফাইনেৰী সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়' ৰিফাইনেৰী প্লাণ্টৰ পৰ্যালোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে এই আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই দুয়োটা প্ৰকল্পৰ নিৰ্মাণস্থলীও পৰিদৰ্শন কৰি ইয়াৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ ঔদ্যোগিক দৃশ্যপটত নুমলীগড় ৰিফাইনেৰী লিমিটেডে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে আৰু ইয়াৰ সম্প্ৰসাৰণ প্ৰকল্প তথা বায়' ফুয়েল প্লাণ্টৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতিলৈ বহুখিনি আশা কঢ়িয়াই আনিছে। অৱশ্যে প্ৰতিষ্ঠানটোৱে ইয়াৰ দক্ষতাৰ পাৰম্পৰিক ক্ষেত্ৰসমূহৰ পৰা ওলাই আহি ৰাজ্যৰ কৃষি অৰ্থনীতিৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰাৰ এয়াই উপযুক্ত সময় বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। বাঁহক বৰ্তমান কৃষিজাত সামগ্ৰীৰ আওতালৈ অনা হৈছে আৰু বৃহৎসংখ্যক স্থানীয় লোকক বাঁহৰ উৎপাদনত জড়িতকৰণৰ যোগেদি কৃষি অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত বাঁহভিত্তিক ইথান'ল প্লাণ্টে নুমলীগড় ৰিফাইনেৰী লিমিটেডলৈ এক ডাঙৰ সুযোগ কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ নতুন বাঁহ আৰু বেত নীতিয়ে এই ক্ষেত্ৰত প্ৰতিষ্ঠানটোক আৰু স্থানীয় কৃষকসকলক যথেষ্ট সহায় কৰিব। নুমলীগড় ৰিফাইনেৰী লিমিটিডে ইয়াৰ বিশাল সমলৰাজিৰ জৰিয়তে ৰাজ্যখনৰ থলুৱা অৰ্থনীতিৰ উত্থানৰ দিশত, বিশেষকৈ লক্ ডাউনৰ সময়ছোৱাত বৃহৎভাৱে ক্ষতিগ্ৰস্ত হোৱা উদ্যান শস্যত জড়িত কৃষকসকলক সকাহ দিয়াৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে শীতলীকৰণ ভঁৰাল স্থাপনৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা কাৰ্যই কৃষকসকলক সহায় কৰাৰ লগত গ্ৰাম্য অৰ্থনীতিৰ উত্থানতো বিশেষ ভূমিকা পালন কৰিব। ৰাজ্যৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত দক্ষ মানৱ সম্পদৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি এইক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ তথা স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা উন্নয়নৰ বাবে



প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক আহ্বান জনায়।

ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত নুমলীগড় ৰিফাইনেৰী লিমিটেডে গ্ৰহণ কৰা ব্যৱস্থাৰাজিৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে পৰিচালিত হৈ ৰাজ্য চৰকাৰেও ন'ভেল কৰ'না ভাইৰাছৰ বিৰুদ্ধে ইয়াৰ যুঁজখন অধিক সক্ৰিয় কৰাত তথা একে সময়তে ৰাজ্যৰ অৰ্থনীতি শক্তিশালীকৰণৰ দিশত উৎসাহেৰে কাম কৰি আছে। তেওঁ লগতে সামাজিক দূৰত্বৰ নিয়ম মানি তথা স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশাৱলী অনুসৰণ কৰি ইয়াৰ উৎপাদনমূলক কাম-কাজ অব্যাহত ৰাখিবলৈ নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক আহ্বান জনায়। চেনিটাইজেচন কাৰ্যসূচী অব্যাহত ৰখাৰ লগতে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ ইয়াৰ চিকিৎসালয়ত প্ৰয়োজনীয় সকলো সা-সঁজুলি মজুত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে শোধনাগাৰ কৰ্তৃপক্ষক আহ্বান জনায়। লক্ ডাউনৰ সময়ছোৱাতো নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষই ইয়াৰ কৰ্মীসকলক নিয়মীয়াকৈ দৰমহা প্ৰদানৰ জৰিয়তে প্ৰতিমাহে ১.২০ কোটি টকা ব্যয় কৰা আৰু প্ৰব্ৰজিত শ্ৰমিকসকলৰ বাবে আশ্ৰয়ৰ ব্যৱস্থা কৰা কাৰ্যক মুখ্যমন্ত্ৰীয়ে ভূয়সী প্ৰশংসা কৰে। ৰাজ্যখনৰ দ্ৰুত ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত 'ইজ অৱ ডুয়িং বিজনেছ' নীতি ৰাজ্য চৰকাৰৰ চালিকা শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষক ইয়াৰ সম্প্ৰসাৰণ প্ৰকল্প আৰু বায়' ফুয়েল প্লাণ্টৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তথা শোধনাগাৰৰ কাম-কাজৰ সুচলতৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ পৰিচালন সঞ্চালক এছ কে বৰুৱাই মুখ্যমন্ত্ৰীক অৱগত কৰে যে ২২,৫৯৪ কোটি টকা প্ৰকল্প ব্যয়ৰে শোধনাগাৰৰ সম্প্ৰসাৰণ প্ৰকল্পৰ কাম অহা ৪৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই কাম সম্পূৰ্ণ হৈ উঠিলে শোধনাগাৰৰ সামৰ্থ্য বৰ্তমানৰ ৩ এমএমটিপিএ-ৰ পৰা ৯ এমএমটিপিএ-লৈ বৃদ্ধি পাব। ইয়াৰ বাবে ইতিমধ্যেই পৰামৰ্শদাতা নিয়োগ কৰা হৈছে আৰু নুমলীগড়ক সংযুক্ত কৰি খাৰুৱা তেল পৰিবাহী পাইপলাইন স্থাপনৰ বাবে পাৰাদ্বীপ বন্দৰত ইতিমধ্যেই ২০০ একৰ ভূমি লীজত লোৱা হৈছে। ১৭৫০ কোটি টকা প্ৰকল্প ব্যয় সাপেক্ষ বায়' ৰিফাইনেৰী প্লাণ্টৰ কাম সম্পূৰ্ণ হৈ উঠিলে ইয়াত কেঁচামাল হিচাপে বছৰি ৫ লাখ মেট্ৰিকটন বাঁহ ব্যৱহৃত হ'ব আৰু মূল উৎপাদন হিচাপে বছৰি ৪৯০০০ মেট্ৰিকটন ইথানল উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি পৰিচালন সঞ্চালকগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। এই প্লাণ্টৰ পৰা উৎপাদিত হ'বলগীয়া অন্যান্য প্ৰধান জৈৱ সামগ্ৰীৰ ভিতৰত এচিটিক এছিড আৰু ফাৰফুৰেল অন্যতম হ'ব আৰু আই-আই-টি, গুৱাহাটীৰ সহযোগত এই ফাৰফুৰেলৰ পৰা বায়'ডিগ্ৰেডেবল প্লাষ্টিক উৎপাদনৰ বাবেও প্ৰচেষ্টা চলাই থকা হৈছে বুলি তেওঁ অৱগত কৰে। এই প্লাণ্টৰ কাম-কাজ ২০২১ চনৰ ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে বুলিও তেওঁ কয়। এই প্ৰকল্পৰ সফল ৰূপায়ণৰ বাবে পৰিচালন সঞ্চালকগৰাকীয়ে মুখ্যমন্ত্ৰীক বন আৰু গড়কাপ্তানী বিভাগ তথা সুৰক্ষা বিষয়ক কেইবাটাও দিশত সহায়ৰ বাবে আহ্বান জনায়। ৰাজ্যখনৰ ঔদ্যোগিক ক্ষেত্ৰত এক নেতৃত্ব বহনকাৰী শক্তিৰূপে কাম কৰি যোৱাৰ বাবে এই সকলো দিশত নুমলীগড় ৰিফাইনেৰী লিমিটেড কৰ্তৃপক্ষলৈ প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে। এই পৰ্যালোচনাৰ সময়ত কৃষিমন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে মৃণাল শইকীয়া, ৰোজলীনা তিৰ্কী আৰু বিমল বৰা, গোলাঘাট জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক, গড়কাপ্তানী আৰু বন বিভাগৰ জিলা পৰ্যায়ৰ বিষয়াসকলৰ লগতে অন্যান্য শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে। □□

# কামৰূপ মহানগৰ জিলাৰ মালৈবাৰীত কৃষকে ধান চপোৱা কাৰ্য পৰিদৰ্শন মুখ্যমন্ত্ৰী সোণোৱালৰ



# প্ৰতি বছৰৰ অক্টোবৰ মাহৰ ভিতৰতে কৃষকলৈ মানসম্পন্ন বীজৰ যোগান ধৰাৰ বাবে কৃষি বিভাগক নিৰ্দেশ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৯ মে'ত কামৰূপ মহানগৰ জিলাৰ মালৈবাৰী অঞ্চল পৰিদৰ্শন কৰি ইয়াৰ কৃষকসকলে কৰি থকা কৃষি কাৰ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই অঞ্চলৰ কৃষকসকলে বৰ্তমানে ধানখেতি চপাই থকা কাৰ্যও প্ৰত্যক্ষ কৰি কৃষকসকলৰ লগত মত বিনিময় কৰে। ৰাজ্যখনৰ কৃষি বিভাগে কৃষকসকলৰ মাজত বিতৰণ কৰা ধান চপোৱা যন্ত্ৰৰ কৰ্মপদ্ধতিৰো মুখ্যমন্ত্ৰীয়ে এই পৰিদৰ্শন কালতে বুজ লয়। এই পৰিদৰ্শনৰ সময়ত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে জনসাধাৰণৰ সহযোগত যুঁজ দি থকাৰ লগতে ৰাজ্যখনত অৰ্থনৈতিক কাম-কাজ পুনৰ আৰম্ভ কৰাৰ ওপৰতো চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। এইক্ষেত্ৰত ৰাজ্যখনৰ কৃষকসকলে পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্যখনৰ কৃষক আৰু কৃষি উদ্যোগীসকলে দেশৰ বিভিন্ন প্ৰান্তলৈ কৃষিজাত সামগ্ৰী ৰপ্তানি কৰি ৩৫৭ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ কৃষি খণ্ডই সম্প্ৰতি বৃহৎ সম্ভাৱনীয়তা বহন কৰিছে আৰু লক্‌ডাউনৰ সময়ছোৱাই এই কথা পুনৰবাৰ প্ৰতীয়মান কৰিছে। অসমে কৃষি, পশুধন, মীন ইত্যাদি খণ্ডত আত্মনিৰ্ভৰশীল হ'ব পাৰে বুলি উল্লেখ কৰি এই দিশত ৰাজ্যখনৰ কৃষকসকলে নতুন উদ্যমৰে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত নামি পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ যুৱকসকলক কৃষিক জীৱিকা হিচাপে গ্ৰহণ কৰাৰ বাবে আহ্বান জনাই লক্‌ডাউনৰ ফলত ৰাজ্যখনলৈ ঘূৰি অহা অসমৰ যুৱকসকলক সংস্থাপনৰ দিশত কৃষিয়ে বৃহৎ সম্ভাৱনীয়তা বহন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসমৰ কৃষিজাত সামগ্ৰী উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ লগতে আমাৰ ওচৰতে থকা দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ ৰপ্তানি কৰাৰ পদক্ষেপৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰাজ্যখনৰ কৃষকসকলৰ মাজত



কৃষি বিভাগে প্ৰতি বছৰৰ অক্টোবৰ মাহৰ ভিতৰতে মানসম্পন্ন বীজ যোগান ধৰাৰ বাবে নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষকৰ মাজত সময়মতে বীজ যোগান ধৰাৰ পদক্ষেপে কৃষিৰ উৎপাদন বৃদ্ধি কৰাত বৃহৎ অৰিহণা যোগাব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মেক ইন ইণ্ডিয়া' পদক্ষেপৰ দৰে 'মেক ইন আছাম' পদক্ষেপৰো মুখ্যমন্ত্ৰীয়ে পোষকতা কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ লোকেল-ভোকেল-গ্ল'বেল আহ্বানৰ প্ৰতিও সকলোকে আন্তৰিকতাৰে সহযোগ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। দেশৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে আমি স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰাৰ উপৰি স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী জনপ্ৰিয়কৰণৰ বাবেও আমি সকলোৱে পদক্ষেপ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমান সময়ত অৰ্থনৈতিক কাম-কাজ ত্বৰান্বিত কৰাৰ উপৰি ক'ভিড-১৯ ৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে সামাজিক দূৰত্ব তথা অন্যান্য ক'ভিড-১৯ সম্বন্ধীয় প্ৰট'কল কঠোৰভাৱে মানি চলাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। এই পৰিদৰ্শনকালত কৃষিমন্ত্ৰী অতুল বৰা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰা আৰু লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা উপস্থিত থাকে। ❒❒

# জনসংযোগ সঞ্চালকালয়ৰ কৰ্মী লংকেশ্বৰ বসুমতাৰীৰ মৃত্যুত শোক



তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ কৰ্মচাৰী লংকেশ্বৰ বসুমতাৰীৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত যোৱা ৬ মে'ৰ পুৱা পৰলোকপ্ৰাপ্তি ঘটে। ১৯৯০ চনতে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ত যোগদান কৰা বসুমতাৰী মৃত্যুৰ সময়ত বয়স আছিল ৪৯ বছৰ। অসুস্থ হৈ অকালতে মৃত্যুবৰণ কৰা কৰ্মচাৰীজনে পত্নী, এটি পুত্ৰ আৰু এগৰাকী কন্যা সন্তান ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ নশ্বৰদেহ সেইদিনাই সঞ্চালকালয়লৈ অনা হয় আৰু সঞ্চালক অনুপম চৌধুৰী প্ৰমুখ্যে অন্যান্য বিষয়া আৰু কৰ্মচাৰীসকলে মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অতি বিনয়ী স্বভাৱৰ কৰ্মচাৰীগৰাকীৰ আকস্মিক বিয়োগত সঞ্চালকালয়ৰ সমূহ বিষয়া-কৰ্মচাৰী মৰ্মাহত হৈ পৰে। পিছত বিষয়া-কৰ্মচাৰীসকলে এক শোকসভাত মিলিত হৈ পৰলোকগামী কৰ্মচাৰীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। জনসংযোগৰ দ্বাৰা প্ৰকাশিত 'ৰাইজৰ বাতৰি'ৰ কৰ্মচাৰীসকলেও বসুমতাৰীৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ১ মিনিট সময় মৌন প্ৰাৰ্থনা জনাই তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। ❒❒


# অসম অলিম্পিক সন্থাৰ দ্বাৰা প্ৰস্তুত কৰা ভিডিঅ' উন্মোচন মুখ্যমন্ত্ৰীৰ



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৮ মে'ত ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত অসম অলিম্পিক সন্থাৰ দ্বাৰা কৰ'না ভাইৰাছ অতিমাৰীৰ বিৰুদ্ধে সন্মুখৰ পৰা যুঁজ দি থকা যোদ্ধাসকলৰ সন্মানাৰ্থে প্ৰস্তুত কৰি উলিওৱা এটি ভিডিঅ' আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উল্লেখ্য যে অসম অলিম্পিক সন্থাৰ প্ৰচাৰ কোষৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱাৰ বিষয়বস্তু তথা পৰিকল্পনাৰে নিৰ্মাণ কৰি উলিওৱা এই ভিডিঅ'টোত হিমা দাস, শিৱাংগী শৰ্মা, লাভলিনা বৰগোহাঁই, অংকুশিতা বড়ো তথা অন্যান্য ক্ৰীড়াবিদসকলে অভিনয় কৰাৰ উপৰি ভিডিঅ'টোত সংগীত শিল্পী সংগীতা কাকতি, অনিৰ্বাণ দাস আৰু অনুষ্কা বৰুৱাই কণ্ঠদান কৰিছে। এই ভিডিঅ'টো প্ৰস্তুত কৰি উলিওৱাৰ বাবে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ভিডিঅ'টোৰ জৰিয়তে ক'ভিড-১৯ ৰ বিৰুদ্ধে সন্মুখৰ পৰা যুঁজ দিয়া যোদ্ধাসকলে মনোবল আৰু সাহস পোৱাৰ উপৰি ক্ৰীড়াবিদ তথা অন্যান্যসকলেও সাহস আৰু মনোবল পাব। কৰ'না ভাইৰাছৰ ক'লীয়া ডাৱৰে ধূসৰিত কৰা এই জটিল সন্ধিক্ষণত এই ভিডিঅ'টোৱে কৰ'না ভাইৰাছসৃষ্ট নেতিবাচক বাতাৱৰণ নাশ কৰি ইতিবাচক বাতাৱৰণৰ সৃষ্টিত বিশেষভাৱে অৰিহণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসম অলিম্পিক সন্থাক ক্ৰীড়াবিদসকলৰ মনোবল অটুট ৰখাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদকগৰাকীক স্বাস্থ্য বিভাগে নিৰ্ধাৰণ কৰি দিয়া বিধি-বিধান তথা সামাজিক দূৰত্ব অটুট ৰাখি তেওঁলোকৰ নিয়মীয়া অনুশীলন অব্যাহত ৰখাৰ দিশত উদ্ভাৱনীমূলক পদক্ষেপ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। এই ভিডিঅ' উন্মোচনৰ সময়ত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য- সচিব লক্ষ্য কোঁৱৰ, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, অসম অলিম্পিক সন্থাৰ সদস্য প্ৰণয় বৰদলৈ, সন্তৰণবিদ শিৱাংগী শৰ্মা, বক্সাৰ শিৱ থাপাৰ লগতে অন্যান্যসকল উপস্থিত থাকে। ❑❑



# কৰ'না ভাইৰাছ আৰু প্ৰশাসনৰ সবল পদক্ষেপ






ড° জগদীন্দ্ৰ ৰায়চৌধুৰী

কৰ'না ভাইৰাছ (ক'ভিড-১৯) বৰ্তমানে গোটেই বিশ্বজুৰি এক মহামাৰীলৈ ৰূপান্তৰ হৈছে। প্ৰতিটো ভাইৰাছৰ এটি উৎস থাকে যেনে নিপাহ ভাইৰাছটো বাদুলিৰ দ্বাৰা সংক্ৰমিত হয়। এতিয়া এই কৰ'না ভাইৰাছ চীন দেশৰ ৱুহান চহৰৰ ভাইৰ'লজী গৱেষণাগাৰৰ পৰা উদ্ভৱ হোৱা বুলি কেবাবাৰো মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সদৰী কৰিছে। সেয়া সচেতন মহলৰ সকলো শ্ৰেণীৰ বিদিত, কিন্তু চীনদেশে সেয়া বাৰে বাৰে অস্বীকাৰ কৰি আহিছে। শেষত এটা কথা সকলো দেশৰ বাবে সাব্যস্ত হৈছে যে এই কালান্তক মহামাৰী কৰ'না চীন দেশৰ পৰায়ে উদ্ভৱ হৈছে। কৰ'না ভাইৰাছৰ সংক্ৰমণত কোনো মাধ্যমৰ প্ৰয়োজন নহয়, ই পোনে পোনে এজনৰ পৰা আন এজনলৈ বিয়পি যায় সংস্পৰ্শৰ দ্বাৰা। যিগৰাকী ব্যক্তিৰ শৰীৰত কৰ'না ভাইৰাছ থাকিব তেওঁৰ সংস্পৰ্শলৈ অহা ব্যক্তিৰ দেহত এই ৰোগে দেখা দিব। আটাইতকৈ আচৰিত কথা যে এই ৰোগটো ধৰা পৰে পলমকৈ। প্ৰাথমিক অৱস্থাত চৰ্দি-কাহেৰে আৰম্ভ হৈ জ্বৰ হয়, এনে ৰোগীৰ চোৱাব পৰীক্ষা কৰাৰ পিছত ধৰা পৰে যে প্ৰকৃত ৰোগটো হৈছে। পৃথিৱীৰ এনে এখন দেশ নাই য'ত এই ৰোগে দেখা দিয়া নাই। ইটালী, আমেৰিকা যুক্তৰাজ্য, ৰাছিয়া, জাৰ্মান, ইংলেণ্ডকে আদি কৰি পৃথিৱীৰ প্ৰায় সকলো দেশতে কেবা লাখ লোক এই কৰ'না ভাইৰাছত আক্ৰান্ত হৈছে আৰু ভালেমান লোকৰ মৃত্যু হৈছে। ভাৰতবৰ্ষতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ লগতে অসম তথা উত্তৰ-পূব ভাৰতো এই মহামাৰীত আক্ৰান্ত হৈছে। পৃথিৱীৰ আন আন দেশৰ নিচিনাকৈ ভাৰতবৰ্ষয়ো পৰ্যায়ক্ৰমে 'লক ডাউন'ৰ ব্যৱস্থা কৰি জনগণৰ মাজত সামাজিক দূৰত্বৰ ওপৰত গুৰুত্ব দি অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰাৰ বাহিৰে



গৃহবন্দী হ'বলৈ নিৰ্দেশ দিছিল। যিহেতু এজনৰ সংস্পৰ্শত আন এজন অহাটোৱে বেমাৰ বিয়পোৱাৰ উৎস সেয়েহে এজনৰ পৰা আন এজনৰ দূৰত্ব বজাই ৰখাটোৱে শ্ৰেয়ঃ। আটাইতকৈ ডাঙৰ কথাটো হৈছে এই মহামাৰীৰ এতিয়ালৈকে কোনো দৰব আৱিষ্কাৰ হোৱা নাই। অৱশ্যে পৃথিৱীৰ বিভিন্ন দেশৰ উচ্চমানৰ গৱেষণাগাৰত নিৰন্তৰভাৱে গৱেষণা চলি আহিছে।

যোৱা ২৪ মে'ত অসমত ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন চৰকাৰখনে পঞ্চমবৰ্ষত পদাৰ্পণ কৰিছে আৰু যোৱা চাৰিটা বছৰত বহু সমস্যাৰ সন্মুখীন হৈও চৰকাৰখনে সবল নীতিৰে আগুৱাই যাবলৈ সক্ষম হৈছে। স্বাস্থ্য, শিক্ষা, উদ্যোগ, পৰ্যটন, যাতায়াত আদিৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যক্ৰম সন্মুখত ৰাখি আগুৱাই গৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে যে দুৰ্নীতি নিবাৰণ। ইয়াৰ জ্বলন্ত উদাহৰণ হ'ল অসম লোকসেৱা আয়োগত হোৱা বিয়াগোম দুৰ্নীতি, যাৰ অধ্যক্ষগৰাকীৰ পৰা আৰম্ভ কৰি আন সদস্য আৰু যিসকলে চাকৰিত অন্তৰ্ভুক্ত হৈছিল সকলোৱে শাস্তিৰ সন্মুখীন হৈছে। আন এটি অতি গুৰুত্বপূৰ্ণ দিশ হ'ল অসমত আগতে চলি থকা গড় হত্যা বন্ধ কৰিবলৈ সক্ষম হৈছে। সুস্বাস্থ্য অটুট ৰখাটো সকলোৱে কাম্য, সেই সন্দৰ্ভত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত যি হাৰত স্বাস্থ্য সেৱাৰ অগ্ৰগতি হৈছে, ইয়াত দুখীয়া ৰাইজ যথেষ্ট উপকৃত হৈছে। সৰ্বভাৰতীয় প্ৰেক্ষাপটত নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাক লৈ যি কা বিৰোধী আন্দোলন গঢ়ি উঠিল ইয়াত অন্য ৰাজ্যৰ লগতে অসমতো যথেষ্ট ক্ষয়-ক্ষতি হোৱাটো পৰিলক্ষিত হৈছিল। এই আন্দোলন স্তিমিত কৰাৰ নামত উন্নয়নৰ যথেষ্ট ক্ষয়-ক্ষতি হোৱাৰ বাবে দেশজুৰি বিভিন্ন ক্ষেত্ৰত আগুৱাই যোৱাত বাধাৰ সৃষ্টি হৈছিল।


যেতিয়াই পৃথিৱীৰ অন্য দেশত কৰ'না ভাইৰাছে মহামাৰীৰ ৰূপ ল'লে ঠিক তেতিয়াই ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে প্ৰাথমিক অৱস্থাত ২১ দিনৰ বাবে লক ডাউন ঘোষণা কৰিলে আৰু সেই অনুসৰি অসমতো ইয়াৰ প্ৰভাৱ পৰিল। অসম চৰকাৰেও তাৰ পূৰ্বেই লক ডাউন ঘোষণা কৰিছিল। মানুহৰ সাধাৰণ জীৱন যাত্ৰা বন্ধ হৈ পৰিল। অসমত এই ৰোগত আক্ৰান্ত হোৱাৰ আশংকা কৰিয়ে অসমৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীৰ তত্বাৱধানত যি যুদ্ধকালীন প্ৰক্ৰিয়াৰে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ মেডিকেল কলেজ, চিভিল হস্পিতালৰ লগতে অস্থায়ীভাৱে যি চিকিৎসালয় গঢ়াৰ ব্যৱস্থা হাতত লৈছে সেয়া অতি প্ৰশংসনীয়। অসমৰ বিভিন্ন ঠাইত কোৱাৰেণ্টিনৰ ব্যৱস্থাৰ লগতে স্বাস্থ্য কৰ্মীসকল তৎপৰ হৈ থাকি সেৱা আগবঢ়োৱাৰ যি সুপৰিকল্পনা অব্যাহত ৰাখিছে এয়া সঁচাকৈ লেখত ল'বলগীয়া। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰীৰ লগতে আন আন মন্ত্ৰী, বিধায়ক, প্ৰশাসনিক বিষয়াসকলেও দিন-ৰাতি সেৱা আগবঢ়াই গৈছে, সেয়াও অতি উল্লেখনীয় পদক্ষেপ। অসম চৰকাৰৰ এনে সুপৰিকল্পিত কাৰ্যপন্থা, অতি বিজ্ঞানসন্মতভাৱে আগুৱাই নি কৰ'না মহামাৰী প্ৰতিহত কৰাৰ চেষ্টা অটুট ৰখাটো অতি উল্লেখযোগ্য তথা উচ্চস্তৰত প্ৰশংসনীয়। এইক্ষেত্ৰত অসমত বাস কৰা বিভিন্ন ধৰ্মাৱলম্বী লোক, জাতি-জনজাতি সকলোৱে চৰকাৰৰ এই পদক্ষেপক আদৰণি জনাইছে। এই কাৰ্যক্ৰম আৰু সফল কৰিবলৈ সক্ষম হৈছে আৰক্ষীৰ এশ শতাংশ সহযোগিতাৰে।

পৃথিৱীৰ ইতিহাসৰ পাত লুটিয়ালে আমি দেখো যে বিভিন্ন সময়ত বিভিন্ন দেশত বহুতো মহামাৰীৰ সৃষ্টি হৈ অনেক লোকক মৃত্যুৰ গৰাহলৈ ঠেলি দিছিল, কিন্তু সেয়া কিছু দেশ বিশেষে বা ৰাজ্য বিশেষে হৈছিল। পিছে, এইবাৰৰ কৰ'না ভাইৰাছে (ক'ভিড ১৯) সংহাৰী ৰূপ লৈছে, গোটেই বিশ্বজুৰি বিয়পি পৰিছে আৰু ইয়াৰ আক্ৰান্তৰ মাত্ৰা উন্নত দেশসমূহতো অধিক পৰিমাণে হোৱাটো পৰিলক্ষিত হৈছে। ভাৰতবৰ্ষত সঠিক সময়ত কেবাটাও পৰ্যায়ত লক ডাউন বলৱৎ কৰি জনতাৰ মাজত সামাজিক দূৰত্ব বজাই ৰখাই মহামাৰীক প্ৰতিহত কৰিবলৈ ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহে যি পদক্ষেপ লৈছে সেয়া উল্লেখযোগ্য। অসমত বৰ্তমানৰ ৰাজ্য চৰকাৰে যি উত্তম পদক্ষেপ লৈছে, দিন-ৰাতি একাকাৰ কৰি প্ৰতিটো কথাৰ বুজ লৈছে আৰু কাৰ্যকৰী কৰাত যুদ্ধকালীনভাৱে আগবঢ়াই নিছে সেয়া অতিকৈ প্ৰশংসনীয়। সাধাৰণ ৰাইজৰ বাবে সময়ে সময়ে চৰকাৰে যি নিয়ম বান্ধি দিছে সেয়া সকলোৱে নিষ্ঠাৰে পালন কৰিলে নিশ্চয় আমি কৰ'নাৰ বিৰুদ্ধে ৰণত জয়যুক্ত হ'ব পাৰিম। চৰকাৰৰ লগতে প্ৰতিগৰাকী ব্যক্তিয়ে সহযোগ কৰিলেহে সকলো কাম নিয়াৰিকৈ আগবাঢ়িব। ❑❑ *লেখকৰ ফোন ঃ ৯৪৩৫০-৪৫৭৭১*



**হেল্প লাইন নম্বৰ ঃ ৬৯১৩৩৪৭৭৭০/১/২/৩/৪ আৰু ১০৪**

# নভেল কৰ'না ভাইৰাছ... আমাৰ কৰণীয়



*ভীতিগ্ৰস্ত নহ'ব, সাৱধান হওক, সামাজিক দূৰত্ব বজাই ৰাখক*

## বাহিৰলৈ ওলাই গ'লে মাস্ক পৰিধান কৰক, এলক'হলযুক্ত হেণ্ড ছেনিটাইজাৰ ব্যৱহাৰ কৰক

**সৌৰভজ্যোতি ফুকন**

কৰ'না ভাইৰাছ হ'ল চীন দেশৰ য়ুহান চহৰত চিনাক্ত হোৱা এক নতুন মাৰাত্মক ভাইৰাছ। বৰ্তমান এই ভাইৰাছ চীন দেশৰ পৰা সমগ্ৰ বিশ্বলৈ বিয়পি পৰিছে। কৰ'না ভাইৰাছ মানুহ আৰু জীৱ-জন্তু উভয়কে সংক্ৰমণ কৰিব পাৰে। উক্ত ৰোগত আক্ৰান্ত ব্যক্তি বিশেষৰ পৰা সুস্থ-সবল মানুহলৈও ৰোগৰ বীজাণু বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনৰ কাহ আৰু হাঁচি মাৰোতে ৰোগৰ বীজাণু নিৰোগী মানুহজনলৈ বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনে ব্যৱহাৰ কৰা কাপোন-কানি, সামগ্ৰী স্পৰ্শ কৰিলেও এই ভাইৰাছ বিয়পাৰ সম্ভাৱনা থাকে। কৰ'না ভাইৰাছৰ লক্ষণসমূহ— এই জটিল ভাইৰাছত আক্ৰান্ত হ'লে ৰোগীজনৰ কাহ, জ্বৰ, উশাহ চুটি হোৱা, বমি, হাগনি আদি লক্ষণসমূহে দেখা দিয়ে। ৰোগ পুৰণি হ'ল নিউমোনিয়া ৰোগ হ'ব পাৰে আৰু বৃক্ক অক্ষম হৈ যাব পাৰে। কৰ'না ভাইৰাছৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা—

— ক'ৰবাৰ পৰা অহাৰ পিছত/কিবা খাদ্যবস্তু খোৱাৰ আগত হাত দুখন চাবোন/এলক'হলযুক্ত ছেনিটাইজাৰেৰে ভালকৈ ধুব।

— অপৰিষ্কাৰ হাতেৰে কেতিয়াও চকু, নাক আৰু মুখ স্পৰ্শ নকৰিব। কৰমৰ্দন কৰাৰ পৰা বিৰত থাকক।

— আক্ৰান্ত ব্যক্তিৰ পৰা আঁতৰত থাকক। বিশেষকৈ কাহ, হাঁচিয়াই থকা ব্যক্তিৰ পৰা অতিকমেও ২ মিটাৰ দূৰত্ব বজাই ৰাখিব। কাহ-হাঁচি মাৰোতে ৰুমাল/টিচু ব্যৱহাৰ কৰি আপোনাৰ নাক আৰু মুখখন ভালকৈ ঢাকি ল'ব। ব্যৱহৃত টিচু তৎক্ষণাত ডাষ্টবিনত পেলাব। ৰাজহুৱা স্থান থু-খেকাৰ নেপেলাব।

— বাহিৰলৈ ওলাই গ'লে মুখত মাস্ক পৰিধান কৰক।

— বেছিকৈ মানুহৰ সমাগম হোৱা ঠাইৰ পৰা আঁতৰি থাকক কাৰণ তাৰ মাজতো আক্ৰান্ত ৰোগী থাকিব পাৰে।

— সামগ্ৰী (নিত্য ব্যৱহৃত)সমূহ হাতেৰে স্পৰ্শ কৰিলেও ভালকৈ হাত চাবোন দি ধুব। হাতত গ্ল'ভছ পৰিধান কৰক।

— খোৱা বস্তু খোৱাৰ সময়ত বাতি-প্লেট-চামোচসমূহ ভালদৰে ধুই ল'ব। কাপোৰ নিজৰহে পৰিধান কৰক। কাপোৰ সদায় ধুই/ৰ'দত দি পিন্ধিব।

— যদি আপুনি বেছিকৈ অসুস্থ নহয়, ঘৰতে থাকি বিশ্ৰাম লওক। ব্যায়াম কৰিলে ভাল।

— পানী সদায় গৰম কৰি খাওক। আইচক্ৰীম নাখাব।

গৰম নিমখ পানীৰে সদায় কুলকুলি কৰক।


যদি কোনো লোকে নভেল কৰ'না ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে, তেওঁক ওচৰৰ স্বাস্থ্যকেন্দ্ৰলৈ নি স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে ১৪ দিনৰ বাবে ঘৰত আবদ্ধ কৰি ৰাখিব লাগে। বাহিৰৰ দেশ ভ্ৰমণ কৰি অহা লোকসকলে স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য প্ৰতিষ্ঠানলৈ যোৱাৰ পূৰ্বে বিমান বন্দৰসমূহত ব্যৱস্থা কৰা চিকিৎসা স্বাস্থ্য শিবিৰসমূহত নিজৰ স্বাস্থ্য পৰীক্ষা কৰাওক। উল্লেখযোগ্য যে কৰ'না ভাইৰাছে সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশতো ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ভাৰতবৰ্ষত কৰ'না আক্ৰান্তৰ সংখ্যা ইতিমধ্যে আঢ়ৈ লাখৰ সীমা অতিক্ৰম কৰিছে। সমগ্ৰ দেশত লক্ ডাউন চলি থকা সময়তো আক্ৰান্তৰ সংখ্যা দিনকদিনে বৃদ্ধি পাই আছে। আমাৰ ৰাজ্যখনত ইতিমধ্যে কৰ'না আক্ৰান্তৰ সংখ্যা ৩০০০ৰ ঘৰ অতিক্ৰম কৰিছে। ৰাজ্যৰ কেইবাখনো জিলাত ৰোগীসকলক ১৪ দিনৰ কোৱাৰেণ্টিনত ৰাখিবলৈ কোৱাৰেণ্টিন চেণ্টাৰ স্থাপন কৰা হৈছে। শেহতীয়াকৈ বহিঃৰাজ্যৰ পৰা অহা লোকসকলক এই কোৱাৰেণ্টিন চেণ্টাৰত ১৪ দিনৰ বাবে আবদ্ধ কৰি ৰখা হৈছে। কৰ'না ভাইৰাছত আক্ৰান্ত ৰোগীসকলক চিকিৎসালয়সমূহত চিকিৎসা প্ৰদান কৰি থকা হৈছে। ৰাজ্যখনৰ আটাইকেইখন চিকিৎসালয়ত ৰোগীসকলক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰি থকা হৈছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ উদ্যোগত ৰোগীসকলক উন্নতমানৰ চিকিৎসা প্ৰদান কৰি থকা হৈছে। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাগ্ৰত প্ৰহৰী হিচাপে সকলোখিনি চোৱা-চিতা কৰি আছে। মন্ত্ৰীগৰাকীয়ে টুইটযোগে আক্ৰান্তসকলৰ বা-বাতৰি প্ৰকাশ কৰি আহি আছে। আক্ৰান্ত ৰোগীসকলে যাতে উন্নতমানৰ চিকিৎসা সেৱা লাভ কৰিব পাৰে তাৰ ওপৰত বিশেষ দৃষ্টি প্ৰদান কৰি আহিছে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে। ৰাজ্যখনত ইতিমধ্যে এই ভাইৰাছ প্ৰতিৰোধৰ ১০৪ (সাৰথি) আৰু নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে আৰু ইয়াত ফোনযোগে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াবৰ বাবে উপযুক্ত কৰ্মচাৰী নিয়োগ কৰা হৈছে। অসমৰ সকলো জিলাত ২৪ ঘণ্টীয়া নিৰীক্ষণ কক্ষ স্থাপন কৰা হৈছে। ৰাজ্যৰ সকলো মেডিকেল কলেজ, চিকিৎসালয় আৰু সকলো জিলাতে এই ৰোগত আক্ৰান্ত হোৱা ৰোগীক আছুতীয়াকৈ ৰাখিবৰ বাবে বিশেষ কক্ষৰ ব্যৱস্থা কৰা হৈছে। এম্বুলেন্স সেৱা পৰ্যাপ্ত পৰিমাণে ৰাজ্যৰ সকলো জিলাৰ চিকিৎসালয়ত ৰখা হৈছে। ৰাজ্যৰ সকলো চিকিৎসালয়ত পৰ্যাপ্ত পৰিমাণে PPE (Personal Protection Equipment, N95 Mask) ৰখাৰ ব্যৱস্থা কৰা হৈছে। এই ৰোগৰ বিষয়ে ৰাইজৰ মাজত সজাগতা আনিবৰ বাবে গাঁৱে গাঁৱে সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। এই ৰোগ কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি তাৰ বাবে বিশেষ ধৰণৰ প্ৰশিক্ষণ অসমৰ সকলো চিকিৎসা কৰ্মীক দিয়া হৈছে। কৰ'না ভাইৰাছৰ চিকিৎসা তথা প্ৰতিষেধকৰ বৰ্তমান ব্যৱস্থা নাই, গতিকে নিজে সাৱধানতা অৱলম্বন কৰি নিশ্চিত বিপদৰ পৰা আঁতৰত থাকক।



কোনো লোকৰ এই ৰোগৰ লক্ষ্যণসমূহ দেখা দিলে স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক অৱগত কৰাওক আৰু ১০৪ ডায়েল কৰক।

মাৰাত্মক কৰ'না ভাইৰাছৰ পৰা ৰক্ষা পাবলৈ হ'লে শৰীৰৰ ৰোগ-প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব লাগিব। ভিতিগ্ৰস্ত নহ'ব। খাদ্য তালিকাত ভিটামিন-এ, চি, ই, বি-৬ যুক্ত খাদ্য গ্ৰহণ কৰক। ফলমূলৰ ভিতৰত তৰমুজ, ডালিম, আপেল, মৌচুমী আদি প্ৰচুৰ পৰিমাণে খাওক। শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাত এই ফলমূলসমূহ যথেষ্ট উপকাৰী। পুৱা পৰাপক্ষত সেউজীয়া চাহ গ্ৰহণ কৰক। সেউজীয়া চাহে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। কাৰণ ইয়াত এণ্টি মাইক্ৰ'বায়েল উপাদান থাকে। আনহাতে ৰঙা চাহত আদা দি খালেও ডিঙিৰ সুৰসুৰণি দূৰ হয়। খিচ্‌মিচ খালেও শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি হয়। কাৰণ ইয়াত ফাইভাৰ, প্ৰটিন, প্ৰটেচিয়াম, আয়ৰন আৰু কেলছিয়াম পৰ্যাপ্ত পৰিমাণে থাকে। খাদ্য তালিকাত বাকী বস্তুৰ লগতে গাজী মগু অন্তৰ্ভুক্ত কৰক। গাজী মুগু আঁহ, শৰ্কৰা, প্ৰ'টিন আৰু ভিটামিনযুক্ত হোৱা কাৰণে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব পাৰে। ইয়াৰ উপৰি নীলা জামু, ব্ৰ'কলি, মিঠা আলু, কমলা, নেমু, পালেং শাক, অমিতা, কিৰি ফল, চাইট্ৰাছ ফল, ৰঙা কেপ্‌চিকাম, কাঠফুলা আদি খালে শৰীৰৰ ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি পায়। খাদ্যবস্তু ৰান্ধোতে হালধি, আদা, নহৰু, জিৰা, ধনীয়া ব্যৱহাৰ কৰক। খোৱা খাদ্যৰ উপৰি দৈনিক ৩০ মিনিটকৈ যোগাসন, প্ৰাণায়াম আৰু ধ্যান কৰাটো অতি জৰুৰী। উক্ত মাৰাত্মক কৰ'না ভাইৰাছৰ সংক্ৰমণত ৬৫ ঊৰ্ধ্বৰ ব্যক্তি আৰু ১০ বছৰৰ তলতৰ শিশু, গৰ্ভৱতী মহিলা আক্ৰান্ত হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। গতিকে বয়োজ্যেষ্ঠ ব্যক্তি আৰু শিশুসকলক পৰাপক্ষত ঘৰতে থাকিবলৈ দিব লাগে। গৰ্ভৱতী মহিলাসকলৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে। আমাৰ নিত্য ব্যৱহৃত কিছুমান সামগ্ৰী উদাহৰণ স্বৰূপে— বজাৰলৈ লৈ যোৱা মোনা, খোৱা বাচন-বৰ্তন, দৰ্জাৰ হুক-হেণ্ডেল, বেচিন আদি মাজে সময়ে ছেনিটাৰাইজ কৰিব লাগে। এটিএম কাৰ্ড, ম'বাইল ফোন, মাজে সময়ে ছেনিটাৰাইজ কৰি চফা কৰি ৰাখিব লাগে। ঘৰত প্ৰৱেশ কৰাৰ আগতে জোতা-চেণ্ডেল বাহিৰত খুলি ভালদৰে স্নান কৰিহে সোমাব লাগে। ❑❑

# ক'ভিড-১৯ ৰোগ আৰু ইয়াৰ প্ৰতিৰোধ



ডাঃ হীৰেন্দ্ৰ কুমাৰ ভাগৱতী

পৃথিৱীবাসীয়ে যিমানেই সভ্যতাৰ শিখৰ আৰোহণ কৰিছে সিমানেই সংকটকো আঁকোৱালি লৈছে। এনেবোৰ সংকটৰ উমান সময়ে সময়ে আমি পাই আহিছো। এইখিনিতে এটা বিশেষ দিশলৈ উনুকিয়াব খুজিছো। মানৱ জাতিটোক বাদ দি প্ৰকৃতিখনৰ আন আন সমুদায়ে সভ্যতাৰ সংকটত বিশেষভাৱে ভোগা দেখা নাযায়। আমি প্ৰকৃতিৰ পৰা আঁতৰি আমাৰ জীৱন যাত্ৰা আগুৱাই নিব নোৱাৰো। প্ৰকৃতিত উপলব্ধ প্ৰতিটো উপাদানেই কোনোবা নহয় কোনোবাটো মুহূৰ্তত আমাৰ সপক্ষে প্ৰয়োজনীয়। ইয়াত কাৰোৱেই দ্বিমত থাকিব নালাগে। সাম্প্ৰতিক কালৰ মহাসংকটৰ পৰা বাচিবলৈও আমি প্ৰকৃতিৰ শৰণাপন্ন হ'বই লাগিব। এই সংকটৰ পৰা বাচিব পৰাকৈ এই মুহূৰ্তলৈ এপদো সৰ্বসিদ্ধান্তমূলক দৰৱ অথবা টিকা ওলোৱা নাই। বিষয়টো এতিয়াও গৱেষণাৰ বিষয়বস্তুৰে হৈ আছে। সেয়ে আমি বিক্ষিপ্ত জ্ঞানলব্ধ হৈ স্ব-সিদ্ধান্ত নলৈ বিশ্ব স্বাস্থ্য সংস্থা, ইউনিচেফ, বিশ্ব পৰিৱেশ সুৰক্ষা সংস্থা আদিয়ে যিবোৰ নিৰ্দেশনা জাৰি কৰিছে সেইবোৰ মানি চলাটো বিজ্ঞজনৰ আৰু বুদ্ধিমানৰ কথা হ'ব। এই আলোচনাটোৰ মাধ্যমেদি কেনেকৈ নিজক আৰু আন দহজনক ৰক্ষা কৰিব পাৰিব তাৰে এটা ধাৰণা দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। পোন প্ৰথমে এটি সম্যক ধাৰণা লওঁ 'নভেল' কৰ'না ভাইৰাছনো কি?

নভেল কৰ'না ভাইৰাছ সংক্ষেপে 'এন চি অ' ডি' কৰ'না ভাইৰাছৰেই এবিধ নতুন প্ৰজাতি। কৰ'না ভাইৰাছৰ মাধ্যমেৰে সৃষ্ট এই মাৰাত্মক বীজাণুবিধৰ পৰিচয় ঘটে ২০১৯ খ্ৰীৰ সময়ছোৱাত চীনৰ য়ুহান প্ৰদেশত। তেতিয়াৰ পৰাই এই মহামাৰী ৰূপ ধাৰণ কৰা বীজাণুবিধৰ নাম হ'ল কৰ'না ভাইৰাছ ৰোগ ২০১৯ অথবা 'ক'ভিড-১৯'। কৰ'না শব্দৰ পৰা 'ক', ভাইৰাছৰ পৰা 'ভি' আৰু ৰোগ বা ডিজিছৰ পৰা 'ড' আদি আখৰকেইটাৰে নাম দিয়া হয় 'COVID' বা 'ক'ভিড'। সাম্প্ৰতিক কালত ২০১৯ ৰ নভেল কৰ'না ভাইৰাছৰ সংক্ষিপ্ত নাম ক'ভিড-১৯। এই বীজাণুবিধ অতীতৰ ছাৰ্ছ ভাইৰাছ আৰু কিছুপ্ৰকাৰৰ চৰ্দি-জ্বৰ জাতীয় বীজাণুৰ পৰিয়ালভুক্ত।

বিশ্ব স্বাস্থ্য সংস্থাই ক'ভিড-১৯ক মহামাৰীৰূপে কিয় ঘোষণা কৰিবলগা হ'ল?

ক'ভিড-১৯ ক আৰু মহামাৰী আখ্যা দিয়াৰ অৰ্থ এই নহয় যে ই প্ৰকৃতি নিধনকাৰী হিচাপে দেখা দিছে। মহামাৰী বুলি স্বীকৃতি তেতিয়াই দিয়া হয়, যেতিয়াই কোনো এবিধ ৰোগে ভৌগোলিক পৰিসৰৰ বিস্তাৰ সাধন কৰি এটি নিজস্ব ব্যাপক জগত তৈয়াৰ কৰি লয়। পৃথিৱীত ক'ভিড-১৯ ৰ কবলত পৰি মানুহ যিমান মৰিছে তাতোকৈ প্ৰতিদিনে আন আন ৰোগত আক্ৰান্ত হৈ বেছি মানুহ মৰিছে। এতিয়া লক্ষণীয় কথাটো হ'ল কেন্সাৰ, ডায়েবেটিছ আনকি এইডছে একে সময়তে পৃথিৱীৰ প্ৰতিটো প্ৰান্তত প্ৰভাৱ বিস্তাৰ কৰা নাই বা কৰিবও পৰা নাই। সেয়ে এইবোৰ আজিৰ দিনত মাৰাত্মক বা জীৱননাশক ৰোগ হ'লেও মহামাৰী নহয়। অন্যহাতে ক'ভিড-১৯ ৰোগে আজিৰ পৃথিৱীৰ প্ৰতিটো প্ৰান্তত দেখা দিয়াৰ হেতুকে ই মহামাৰী আখ্যা পাইছে।

এই ৰোগবিধে পৃথিৱীৰ যিকোনো দেশৰ যিকোনো সম্প্ৰদায়ৰ যিকোনো এজন ব্যক্তিক বিশেষকৈ শিশু আৰু বৃদ্ধক আক্ৰমণ কৰিব পাৰে। সেই হেতুকে বিশ্ব স্বাস্থ্য সংস্থাৰ লগতে ইউনিচেফে এই ৰোগৰ প্ৰাদুৰ্ভাৱৰ পৰা পৃথিৱীক মুক্ত কৰিবলৈ বিভিন্ন দিশত বিশেষ কাৰ্য্যপন্থা হাতত লৈছে। ক'ভিড-১৯ ৰ সঠিক তথ্য যদি আহৰণ কৰাৰ ইচ্ছা থাকে তেনেহ'লে ইয়াত কেইটামান উৎকৃষ্ট ৱেবছাইট প্ৰসংগক্ৰমে দাঙি ধৰিলো।

১) www.who.int
২) www.unicef.org/india
৩) www.aiims.edu/covid-19

এই সময়ছোৱাত আমি কি কি কৰা উচিত?

প্ৰথম আৰু প্ৰধান কথা ভাইৰাছবিধে ইজনৰ পৰা সিজনলৈ সোঁচৰিব পৰা যিমানবোৰ মাধ্যম আছে সেই সেই মাধ্যমবোৰক বাধা প্ৰদান কৰা। এই ভাইৰাছবিধ সংস্পৰ্শৰ মাধ্যমেদিহে বিয়পিব পাৰে। আমি কি কি মাধ্যমেদি সংস্পৰ্শলৈ আহিব পাৰো। তলত উল্লেখ কৰা মাধ্যমবোৰলৈ মন কৰক ঃ

১) কৰমৰ্দন কৰিলে,

২) আলিংগন কৰিলে।

এই দুটা প্ৰধান মাধ্যমৰ উপৰি আন আন সম্ভাব্য মাধ্যমসমূহ হ'ল ঃ

১) সামূহিক যান-বাহনত যাতায়াত কৰিলে

২) সামূহিক উপাসনা গৃহ, প্ৰাৰ্থনা গৃহ, বজাৰ-মল আদি

৩) চেলুনবোৰ, বিউটি পাৰ্লাৰবোৰ

৪) শিক্ষা প্ৰতিষ্ঠানবোৰ

৫) অত্যধিক সমাৱেশ হোৱা হোটেল-ৰেষ্টোৰাঁবোৰ। এনেবোৰৰ পৰা নিজকে আঁতৰাই ৰাখিব পাৰিলেই স্বস্তি। কিয়নো এই ভাইৰাছবিধক সোঁচৰিবলৈ সংস্পৰ্শহে প্ৰয়োজন। ই বতাহ পানীৰ দ্বাৰা বিয়পিব নোৱাৰে বুলি জানিব পৰা গৈছে। তেতিয়াহ'লে স্বাভাৱিকতেই এটি প্ৰশ্ন মনত আহে যে মুখ ঢাকনিখন কিয় মাৰিব দিয়া হৈছে? এইখন মাৰিবলৈ দিয়াৰ প্ৰধান কাৰণটো হৈছে কোনো ৰোগীয়ে ওচৰতে হাঁচি মাৰিলে যাতে তেওঁৰ নাকৰ পৰা নিৰ্গত জুলীয়া কণিকাবোৰ আপোনাৰ নাকত সোমাব নোৱাৰে বা আপোনাৰ হাতৰ স্পৰ্শৰ পৰা মুখখনক বচাবলৈ। সেই কণিকাই নিজে সোমাই বা আপোনাৰ হাতৰ পৰশত ই আপোনাৰ নাসিকা গহ্বৰ আৰু মুখ গহ্বৰত গৈ পানী লগা ৰোগ, জ্বৰ, কাহ আদি হৈ আপোনাৰ হাওঁফাওঁক ৰোগাক্ৰান্ত কৰি জটিলতাৰ সৃষ্টি কৰিব পাৰে। ই কেতিয়াও তেজৰ দ্বাৰা, চুম্বনৰ দ্বাৰা অথবা যৌন মিলনৰ দ্বাৰা সংক্ৰমণ ঘটাব নোৱাৰে। এই ৰোগত মৃত্যু মুখত পৰা ৰোগীবোৰৰ অৱস্থা দেখি জানিব পৰা গৈছে তেওঁলোকে অত্যধিক যন্ত্ৰণা আৰু শ্বাসকষ্টত ভুগিছিল।

সেয়ে এই কালছোৱাত যিমানদূৰ সম্ভৱ হয় সিমানদূৰ নিজকে গৃহবন্দী কৰক বা সামাজিক দূৰত্ব বজাই ৰাখি চলক। চৌহদৰ ভিতৰত থাকিয়েই নানা প্ৰকাৰৰ শাৰীৰিক পৰিশ্ৰম, ব্যায়াম, প্ৰাণায়াম, মুদ্ৰাভ্যাস, ধ্যান আদি কৰক। বিশেষকৈ নগৰ-মহানগৰবাসীয়ে এই কালছোৱাত প্ৰাতঃভ্ৰমণ আৰু সান্ধ্যভ্ৰমণ নকৰাজনেও কৰিবলৈ লৈছে। এয়া বিধিসন্মত হৈছেনে নাই গমি চাওক। যদি প্ৰতিবাৰ ভ্ৰমণৰ অন্তত স্নান কৰিছে, কাপোৰ সাজ ধুইছে তেতিয়াহ'লে ক'বলগীয়া একো নাই। যদিহে কৰা নাই সেয়া নিশ্চিত কৰক কিম্বা ভ্ৰমণ স্থগিত ৰাখক। নগৰ-মহানগৰবাসীয়ে কৰি অহা আন এটি দোষ চকুত পৰিছে। আমি যিসকলে চিকিৎসাকৰ্মত ব্ৰতী হওঁ তেওঁলোকক বাদ দি বাকী জনসাধাৰণে Doctors Mask ব্যৱহাৰ কৰা উচিত নহয়। এখন Doctors Mask ৰ আয়ু মাথোঁ ছয় ঘণ্টা। ইয়াক দ্বিতীয়বাৰলৈ ব্যৱহাৰ কৰিব নোৱাৰি। কথাটো গমি চায় যেন। এতিয়া আহোঁ আমি কেনেকৈ ক'ভিড-১৯ ৰ সৈতে সহবাস কৰিব পাৰিম। তাৰ বাবে আমি আহাৰ-বিহাৰ বিচাৰত মন দিবই লাগিব। তেতিয়াহে ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি হ'ব অথবা বাহাল থাকিব।

এইখিনিতে এটি আমাৰ মনত উদ্ৰেক হোৱা চিন্তা-ভাৱনা উনুকিয়াই থ'লো। একবিংশ শতিকাৰ অনাগত দিনবোৰত ইয়াতকৈও ভয়াবহ আৰু জটিল ৰোগৰ সৃষ্টি যে নহ'ব তাক একে আষাৰতে নুই কৰিব নোৱাৰি। এয়া মাথোঁ নাটক, ভাওনাৰ ধেমালিহে আৰম্ভ হৈছে। সেয়ে আমাৰ প্ৰাথমিক কৰ্মটো হ'ল খাদ্যাভ্যাস আৰু জীৱনশৈলী সলনি কৰা, এয়াই উচিৎ সময়। অন্যথা ইয়াৰ পৰিণাম





কিন্তু ভয়াবহ হ'বই।

প্রসংগক্রমে আমাৰ ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি কৰাবলৈ নিম্নলিখিত কথাখিনিলৈ বিশেষভাৱে মনোনিৱেশ কৰক। প্ৰভুত উপকাৰ সাধন হ'ব।

১) ৰাতিৰ টোপনি সুস্থ কৰক, নিদ্ৰাহীনতা নাশ কৰক

গৱেষণাৰ ফলত জানিব পৰা হৈছে যে 'নিদ্ৰাহীনতা' এটি সভ্যতাৰ প্ৰাথমিক সংকট। আমি প্ৰত্যেকে ৰাতিৰ টোপনি কমেও ৭ ঘণ্টা আৰু ৬০ ৰ উৰ্দ্ধৰ ব্যক্তি লগতে শিশুৱে ৮ ঘণ্টা যাপন কৰিলেহে শৰীৰ-মন সুস্থ হ'ব।

২) প্ৰতিদিনে যোগাভ্যাস, প্ৰাণায়াম আদি

আমি প্ৰতিদিনে যিয়ে যেনেকৈ পাৰো যোগ-ব্যায়াম, প্ৰাণায়াম, হস্তমুদ্ৰা, প্ৰাতঃভ্ৰমণ, সান্ধ্যভ্ৰমণ, সাঁতোৰ, কাবাদী, হৈ গুদু জাতীয় খেলা-ধূলাসমূহ কৰিব লাগিব। আজিকালি প্ৰায়বোৰৰ ঘৰতে স্মাৰ্টফোন আছেই। গুগুল প্লে ষ্টোৰৰ পৰা হস্তমুদ্ৰা, যোগ-প্ৰাণায়াম আদিৰ এপ ডাউনল'ড কৰি লৈ তাৰ সহায়ত ন্যূনতম কৰ্মখিনি কৰি অতাব পাৰি। কথাটো সৰু কিন্তু পৰিণাম বৃহৎ।

৩) শৰীৰটো জীপাল কৰি ৰাখক

শৰীৰ জীপাল হৈ থাকিবলৈ আমি দৈনিক ৮ গিলাচ পানী, আনুমানিক ডেৰ লিটাৰ পানী খাব লাগিব। স্বাস্থ্য বিজ্ঞানমতে পানীয়ে ৰোগ প্ৰতিৰোধ কৰাত প্ৰত্যক্ষ ভূমিকা গ্ৰহণ কৰিব নোৱাৰিলেও ইয়াত পৰোক্ষ ভূমিকা অতি গুৰুত্বপূৰ্ণ। পানীয়ে শৰীৰৰ ৭০ শতাংশ জলীয় ভাগক সমতুল কৰি ৰাখি ডিহাইড্ৰেচনৰ পৰা ৰক্ষা কৰে।

৪) অত্যধিক মানসিক চাপৰ পৰা নিজক বচাওক

মানসিক চাপে ৰোগক আমন্ত্ৰণ যে কৰি আহিছে সেই কথা আজি আকৌ ক'বলগীয়া নাই। তাৰ পৰা বাচিবৰ উপায় কিন্তু দৰব সেৱন সমূলি নহয়। দৰব সেৱনেৰে তাৎক্ষণিক মুক্তি অথবা সাময়িক মুক্তিহে পাব পাৰি। ইয়াৰ ফলত শৰীৰ ঘুণীয়াহে হয়, সতেজ নহয়। ইয়াৰ পৰা বাচিবলৈ পৰিয়ালনৰ সদস্যৰ লগত খেলা-ধূলা কৰক, গান শুনক, চিনেমা চাওক, লিখা-মেলাত মনোনিৱেশ কৰক, অভিনয় কৰক, নাম-প্ৰসংগ কৰক, কীৰ্তন, ভাগৱত পাঠ কৰক, জপমালাৰ সহায়ত জপ কৰক। মন ভালে থাকিলেহে তন ভালে থাকিব।

৫) পুষ্টিবৰ্ধক সামগ্ৰী ভক্ষণ ঃ

ক'ভিড-১৯ ক প্ৰতিহত কৰিব পৰাকৈ এতিয়ালৈ কোনো প্ৰকাৰৰ পুষ্টিবৰ্ধক সামগ্ৰী সেৱনৰ কথা আমি ক'ব নোৱাৰো। কিন্তু এটা কথা ঠিক যে আমাৰ দৈনন্দিন লৌহ, কেলচিয়াম, ভিটামিন-চি, ভিটামিন-ডি, জিংক আদি সাধাৰণভাৱেই অতি প্ৰয়োজনীয়। এই ধৰণৰ আৱশ্যকীয় পুষ্টিবৰ্ধক তত্ত্বসমূহৰ কিছুমান শৰীৰে তৈয়াৰ কৰি ল'ব নোৱাৰে। কিন্তু শৰীৰক নিতান্তই আৱশ্যকীয়ও। সেয়ে এইবোৰ সাম্প্ৰতিক সময়ৰ বাবেই নহয় এনেয়েও ব্যৱহাৰ কৰা উচিত। তেতিয়া নিৰোগী তনৰ অধিকাৰী হৈ থাকিব পাৰি।

৬) ফলমূল আৰু শাক-পাত খাওক

আমাৰ শৰীৰক খাৰুৱা কৰি ৰাখিব পাৰিলে ভাল। যেতিয়াই আম্লিক হৈ উঠে তেতিয়াই ৰোগত ভুগিবলগীয়া হয়। আম্লিক হৈ নুঠিবলৈ শাক-পাত, ফলমূল খাবই লাগিব। বজাৰতকৈ ঘৰতে পোৱা যিকোনো শাক-পাত, ফলমূল খোৱা ভাল। বতৰৰ ফলমূলবোৰৰ এবিধো এৰিব নাপায়। বজাৰৰ পৰা ক্ৰয় কৰিলেও থলুৱা শাক-পাত, ফলমূল ক্ৰয় কৰিব লাগে।

৭) তেল-চৰ্বি খাব লাগিব

আমাৰ ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধিত তেল-চৰ্বিয়ে পৰোক্ষভাৱে মুখ্য ভূমিকা পালন কৰে। কাৰণ প্ৰতিবিধ তেলতেই স্নেহ পদাৰ্থ নিহিত হৈ থাকে। স্নেহ পদাৰ্থ অবিহনে আমাৰ তনবৃদ্ধিত ব্যাঘাত জন্মি আমাক ৰুগীয়া কৰি তুলিব। আমাৰ শৰীৰক ওমেগা ৩, ওমেগা ৬, ওমেগা ৭, ওমেগা ৯, ভিটামিন ই আদি বিশেষভাৱে প্ৰয়োজন। এনেবোৰ স্নেহ পদাৰ্থ তেল চৰ্বিৰ মাধ্যমেদি শৰীৰে আহৰণ কৰিব পাৰে।

৮) চেনি আৰু দুগ্ধজাত মিঠাই কমকৈ খাওক

বজৰুৱা চেনি খোৱাতকৈ ঘৰুৱা গুড় বহুগুণে উন্নত। চেনিয়ে শৰীৰ দুৰ্বল কৰি তোলে। আজিৰ বহুবিধ ৰোগৰ উৎস এই



চেনি আৰু দুগ্ধজাত মিঠাই। কম-বেছি পৰিমাণে সকলোৱে এই কথা জনা হৈছে। তাতে আকৌ চেনি ভেজাল, গাখীৰ ভেজাল।

৯) খাদ্যত মনোযোগ দিয়ক

খোৱা-বোৱাৰ ওপৰতেই নিৰ্ভৰ কৰে আমাৰ শৰীৰৰ ভৱিষ্যৎ। খাদ্য তালিকা সুষম নহ'লেই আমাৰ বিপদ অনিবাৰ্য। তাৰ প্ৰমাণ আজি নতুনকৈ দিবৰ প্ৰয়োজন নাই।

ৰোগ প্ৰতিৰোধী খাদ্য তালিকাত প্ৰ'বায়'টিক খাদ্য আৰু প্ৰি-বায়োটিক খাদ্য যুক্ত কৰি ল'ব লাগে। ৰোগ প্ৰতিৰোধী ক্ষমতা বঢ়াবলৈ আমাৰ অন্ত্ৰ প্ৰণালীত জন্মলোৱা কীটাণুবোৰক সুস্থ কৰি ৰাখিব লাগে। এইবোৰৰ বাবে এই দুই প্ৰকাৰৰ খাদ্য আমি খাবই লাগিব। এনেবোৰ খাদ্য অসমীয়া অথবা উত্তৰ-পূৰ্বাঞ্চলৰ খাদ্য তালিকাত অতীজৰে পৰাই আছিল। আমি বজৰুৱা খাদ্যৰ প্ৰতি আসক্ত হৈ সনাতনী খাদ্যবোৰ এৰিলো, ফলত আজিৰ এই দশা।

প্ৰ'বায়'টিক খাদ্যবোৰ হ'ল বন্ধুৰূপী কীটাণুবোৰ। আমি বন্ধুৰূপী বেক্টেৰিয়াবোৰ খাবলৈ বাদেই দিলো। দৈৰ ঘোল নাখাওঁ, পঁইতা ভাত অথবা পঁইতা ভাতৰ পোটনী নাখাওঁ।

তেনেকৈ প্ৰিবায়'টিক খাদ্যবোৰো নোখোৱা হ'লো। এই খাদ্যবোৰ আঁহযুক্ত। এই আঁহবোৰ আকৌ আমাৰ অন্ত্ৰবোৰত থকা বন্ধুৰূপী বেক্টেৰিয়াবোৰক জীয়াই ৰাখিবলৈ প্ৰয়োজন। সিহঁতৰ খাদ্য হ'ল এই প্ৰিবায়'টিক খাদ্যবোৰ। তেনেবোৰ খাদ্য হ'ল আমাৰ কেঁচা বতাবোৰ। গছ-লতিকাৰে বন্ধা বিভিন্ন প্ৰকাৰৰ জোলবোৰ। কল এবিধ উৎকৃষ্টতম প্ৰি-বায়টিক ফল।

সামৰণিত প্ৰসংগক্ৰমে কেইটিমান ব্যঞ্জন আৰু পানীয়ৰ তৈয়াৰ প্ৰণালী উনুকিয়ালো। হাততে পোৱা আৰু সুলভ মূল্যৰ এইবোৰ খাদ্য ব্যৱহাৰ কৰি প্ৰভুত উপকাৰ লাভ কৰিব।

১) আদাৰে তৈয়াৰী আদাৰ একাপ চাহ ঃ

উপকৰণ (একাপৰ বাবে) ঃ পূৰ্ঠ আদা এক ইঞ্চিমান (চকলিয়াই অথবা থেতালি লোৱা)

ডেৰকাপ পানী

এচিকুট নিমখ

২ চাহ চামুচ মৌ (চেনি বা গুড় নহয়)

প্ৰণালী ঃ ডেৰকাপ পানীত আদাখিনি দি একাপ পানী ৰোৱালৈ উতলাই, চাকি লৈ এচিকুট নিমখ আৰু (ডায়েবেটিছ ৰোগী নহ'লে), ২ চামুচ মৌ দি চাহ খোৱাদি খাব।

২) তুলসী আৰু পদিনাৰ চাহ

উপকৰণ (একাপৰ জোখেৰে) ২৫-৩০ পাতমান মজলীয়া আকাৰৰ পাত ল'ব।

ডেৰকাপ পানী

এচিকুট নিমখ/মৌ

প্ৰণালী ঃ ডেৰকাপ পানীত পাতবোৰ দি উতলাই একাপ হ'লে চেকি লৈ নিমখ, মৌ দি চাহ খোৱাদি খাব।

৩) ঘৰতে পোৱা গোলাপৰ পাপৰিৰে চাহ ঃ

উপকৰণ ঃ একাপ গোলাপৰ পাপৰি।

ডেৰকাপ উতলোৱা পানী।

প্ৰণালী ঃ উতলোৱা পানীত পাপৰিবোৰ দি পাঁচ মিনিটমান চাকি থৈ তাৰ পাছত চেকি লৈ খাব।

৪) ডালিমৰ পাত/অৰ্জুন গছৰ চালৰ/ডালিমৰ শুঠিৰ চাহ ঃ

এইবোৰেৰেও আকৌ চাহ খোৱা আৰম্ভ কৰক। আকৌ তাহানিলৈ উলটি যাওক। শৰীৰ নিৰোগী হৈ ৰ'ব।

৫) পঁইতা ভাতৰ পোতনি ঃ পোতনি তৈয়াৰ কৰি লৈ তাত পিঁয়াজ কুটা, পদিনাৰ পাত, কেঁচা জলকীয়া কুটা আদিৰে সুস্বাদু বনাই খাওক। ই এবিধ উৎকৃষ্টতম প্ৰ'বায়টিক খাদ্য।


৬) দৈৰ ঘোলো এবিধ উৎকৃষ্টতম প্ৰ'বায়টিক খাদ্য।

৭) কুঁহিয়াৰ ৰসেৰে তৈয়াৰী চিৰিকাও এবিধ উৎকৃষ্ট প্ৰ'বায়টিক খাদ্য। এইবিধ প্ৰতিদিনে ব্যৱহাৰ কৰিব নালাগে।

পুৱা আধা চামোচ হালধি, ২-৩ গ্ৰাম আদা, ৭-৮ টা জালুকৰ গুড়ি, ২-৩ টা তেজপাত, ২-৩ টা ডালচেনি গুড়ি কৰি লৈ ৩০০ মিলিলিটাৰ পানীত মিহলি কৰি উতলাই চাহ প্ৰস্তুত কৰি খোৱাৰ লগতে সন্ধিয়াৰ ভাগতো তুলসী, ডালচেনি, জালুক, আদা, নেমুৰস আৰু প্ৰয়োজন সাপেক্ষে গুড় মিহলাই ৩০০ মিলিলিটাৰ পানীত উতলাই চাহ প্ৰস্তুত কৰি খালে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়। ❑❑

*লেখকৰ ফোন*
*৯৮৬৪১২৫৮৮৭*




Government of Assam
আহক, আমি  সকলোৱে একেলগে
এখন সমৃদ্ধিশালী অসম গঢ়োঁ
কঠোৰ পৰিশ্ৰমৰ জৰিয়তে
আমাৰ সপোন সাৰ্থক কৰোঁ
সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

অসম চৰকাৰ

GOVERNMENT OF ASSAM

# কৰ’না ভাইৰাছ

National Health Mission, Assam

কৰ’ণা ভাইৰাছ, বা (2019-Cov) এক নতুন ভাইৰাছ (বীজাণু) যাক চীনৰ হুবেই প্ৰান্তৰ বুহান চহৰত প্ৰথমে চিনাক্ত কৰা হৈছিল। কৰ’ণা হৈছে বৃহৎ গোষ্ঠীৰ ভাইৰাছ, যিয়ে জ্বৰ আৰু ছৰ্দি সম্বন্ধীয় ৰোগসহ মানুহ আৰু জীৱ-জন্তু উভয়কে সংক্ৰমিত কৰিব পাৰে। এই ভাইৰাছ আগতে কোনোদিন চিনাক্ত কৰা হোৱা নাছিল বাবে ইয়াক নভেল বা নতুন বুলি কোৱা হৈছে। এই ভাইৰাছবিধ অতি সোনকালে এজন ব্যক্তিৰ পৰা আনজন ব্যক্তিলৈ সংক্ৰমিত হয়।

## কৰ’না ভাইৰাছৰ লক্ষণ সমূহ কি ?

- কাহ
- জ্বৰ
- উশাহ লোৱাত কষ্ট
- নিউমোনিয়া
- বমি
- ডায়েৰিয়া

## কৰ’না ভাইৰাছ কিদৰে বিয়পে ?

এই ৰোগত আক্ৰান্ত হোৱা কোনো ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে এই ভাইৰাছ বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনৰ কাঁহ আৰু হাঁচি মাৰোতে ওলোৱা ড্ৰপলেটৰমাধ্যমেৰে আৰু আক্ৰান্ত ব্যক্তিজনৰ ব্যৱহৃত সামগ্ৰী স্পৰ্শ কৰাৰ ফলতো এই ভাইৰাছ বিয়পিব পাৰে।

### উল্লেখিত কৰিবলগীয়া আৰু নকৰিবলগীয়া নিয়মসমূহ পালন কৰক

## কৰিবলগীয়া ✓

- পাৰ্যমানে লোকসমাবেশ বৰ্জন কৰক
- ব্যৱহৃত টিচু তৎক্ষণাৎ ডাষ্টবিনত পেলাব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে ১৪ দিনৰ বাবে নিজকে ঘৰত আবদ্ধ কৰি ৰাখক লগতে পৰিয়ালৰ সদস্য তথা ওচৰচুবুৰীয়াৰ পৰা দূৰত্ব বজাই ৰাখিবলৈ অনুৰোধ জনোৱা হ’ল।
- পানী লগা, কাঁহ বা জ্বৰ হৈ থকা ব্যক্তিৰ পৰা অতি কমেও ১ মিটাৰ দূৰত্ব বজাই ৰাখক
- সদায়ই হাত ধোৱাৰ অভ্যাস কৰক। হাত দুখন চাবোন আৰু পানীৰে পৰিষ্কাৰকৈ ধোৱাৰ লগতে এলক’হলযুক্ত ছেনিটাইজাৰ ব্যৱহাৰ কৰক
- যদি আপুনি অসুস্থ যেন অনুভৱ কৰিছে (জ্বৰ, উশাহ লোৱাত কষ্ট আৰু কফ) তেন্তে চিকিৎসকৰ পৰামৰ্শ লওক।
- কাঁহ মাৰোতে আৰু হাঁচি মাৰোতে ৰুমাল/টিচু ব্যৱহাৰ কৰি আপোনাৰ নাক আৰু মুখখন ভালকৈ ঢাকি ল’ব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে তেওঁ নিজেই ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ গৈ বা IDSP কোষৰ অথবা সহায়ক নম্বৰৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।
- চিকিৎসালয়লৈ যোৱাৰ সময়ত ১০৮ এম্বুলেন্স ব্যৱহাৰ কৰক আৰু আগতীয়াকৈ চিকিৎসালয়ত খবৰ দিয়ক।

**আপোনাৰ পৰিয়ালৰ বা ওচৰচুবুৰীয়াৰ কোনো লোকৰ এই ৰোগৰ লক্ষণসমূহ দেখা দিলে স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক অৱগত কৰাওক আৰু ১০৪ ডায়েল কৰক**

## নকৰিবলগীয়া ⊗

- যদি আপুনি জ্বৰ আৰু কফ ৰোগত ভুগি আছে, অন্য লোকৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শ
- অপৰিষ্কাৰ হাতেৰে চকু, নাক আৰু মুখখন স্পৰ্শ
- ৰাজহুৱা স্থানত থু-খেকাৰ পেলোৱা
- যিকোনো ঠাইলৈ অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰক
- ধূমপান নকৰিব
- কাকো সাবটি নধৰিব

**একত্ৰিত হৈ আমি কৰ’না ভাইৰাছৰ সৈতে যুঁজ দিও আঁহক**

সবিশেষ জানিবৰ বাবে **6913347770/1/2/3** আৰু **104** নম্বৰত যোগাযোগ কৰক

অসম চৰকাৰৰ দ্বাৰা ৰাইজৰ স্বাৰ্থত প্ৰচাৰিত